www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

সহজ কামবোৰ কৰি থাকিলে আপুনি কেতিয়াও কঠিন কামবোৰ কৰিবলৈ শিকিব নোৱাৰিব। - হোমেন বৰগোহাঞি

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ২৩০ | সোমবাৰ | ২৯ জুন, ২০২৬ চন | Volume/Year- I | Issue- 229 | Monday | 29th June, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

### অৰুণাচলৰ পৰা নামি অহা পানীয়ে বিধ্বস্ত কৰিছে ধেমাজি ঃ এলাৰ্ট জাৰি

# ভয়ংকৰ বিপদৰ দিশে উত্তৰ অসম

### চিমেন নদীৰ ৰে'লৱে দলং ভাঙি ৰে'ল যোগাযোগ বিচ্ছিন্ন; দুজন নিখোঁজ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা ২৮ জুন ঃ** ধেমাজি জিলাৰ জোনাই অঞ্চলত বানপানীয়ে ভয়াবহ ৰূপ ধাৰণ কৰিছে। দেওবাৰে দুপৰীয়াৰ পৰা চিমেন নদী আৰু ডিমৌ নদীৰ জলস্তৰ অস্বাভাৱিকভাৱে বৃদ্ধি পোৱাত জোনাইৰ বিভিন্ন প্ৰান্তত ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হয়। হঠাৎ ফেনে ফুটুকাৰে চিমেন নদীৰ পানী বৃদ্ধি পোৱাত বালিখুটি, হৰিনাথপুৰ হাজং, হৰিনাথপুৰ বেংগলী, হৰিনাথপুৰ খেৰনীবস্তি, জামালপুৰ, গটপট্টা, ছাগলীকটা আৰু লক্ষীমপাৰাকে ধৰি প্ৰায় দহখনতকৈও অধিক গাঁও পানীৰ তলত বুৰ যায়। ইপিনে বালিখুটি গাঁৱত এক বীভৎস ঘটনা সংঘটিত হয়। তিনিগৰাকী লোক গৰাৰ ওপৰত ৰৈ বানপানী প্ৰত্যক্ষ কৰি থকা সময়তে চিমেন নদীৰ বাঢ়নী পানীয়ে তেওঁলোকক উটুৱাই নিয়ে। উটি যোৱা লোককেইগৰাকী হৈছে- সুদামা যাদৱ (৭৯ বছৰ), কালু দাস (৬০ বছৰ) আৰু আন ৬ পৃষ্ঠাত



## ৪ হাজাৰ কোটিৰ মহাপ্ৰকল্প ঃ নতুন ৰূপত সজ্জিত হ'ব জিএমচিএইচ

### নতুনকৈ নিৰ্মাণ কৰিবলগীয়া GMCH, নিৰ্মাণৰত প্ৰাগজোতিষ চিকিৎসা মহাবিদ্যালয় পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৮ জুন ঃ** গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় (জিএমচিএইচ) অতি সোনকালে এক অভূতপূৰ্ব ৰূপান্তৰৰ সাক্ষী হ'ব। চাৰি হাজাৰ কোটি টকাতকৈও অধিক ব্যয় সাপেক্ষে চলি থকা এই চিকিৎসালয়খনৰ নিৰ্মাণ কাৰ্যৰ বুজ ল'বলৈ দেওবাৰে প্ৰত্যক্ষভাৱে পৰিদৰ্শন কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। দেশৰ এখন অন্যতম আধুনিক স্বাস্থ্যসেৱা ৬ পৃষ্ঠাত

## শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ দাবীত অনিৰ্দিষ্টকালীন অনশন সোণম ৱাংচুকৰ

### ক'কৰোচ্ছ জনতা পাৰ্টীৰ প্ৰতিবাদস্থলীত যোগদান; কৃষক-ছাত্ৰ সংগঠনৰ সমৰ্থনত আন্দোলন তীব্ৰতৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৮ জুন ঃ** সমাজকৰ্মী তথা পৰিৱেশ বিজ্ঞানী সোণম ৱাংচুকে দেওবাৰে দিল্লীৰ যন্তৰ মন্তৰত ক'কৰোচ্ছ জনতা পাৰ্টীয়ে কৰি থকা প্ৰতিবাদস্থলীত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীত অনিৰ্দিষ্টকাললৈ অনশন আৰম্ভ কৰিছে। পূৰ্বে ৱাংচুকে স্পষ্টকৈ উল্লেখ কৰিছিল যে শিক্ষামন্ত্ৰীগৰাকীয়ে সাতদিনৰ ভিতৰত পদত্যাগ নকৰিলে ৬ পৃষ্ঠাত

## প্ৰধানমন্ত্ৰী মোদীলৈ ছিচেলছৰ বিশেষ সন্মান 'গাৰ্ডিয়ান অৱ দ্য ব্লু হৰাইজন'

### ১২ বছৰত ৩৪টা আন্তঃৰ্জাতিক সন্মান



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৮ জুন ঃ** ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাবে আন এক গুৰুত্বপূৰ্ণ সন্মানৰ মুহূৰ্ত। দেওবাৰে ছিচেলছ ভ্ৰমণৰ সময়ত দেশখনৰ ৰাষ্ট্ৰপতি পেট্ৰিক হাৰ্মিনিয়ে প্ৰধানমন্ত্ৰী মোদীক ছিচেলছৰ সৰ্বোচ্চ সন্মানসমূহৰ অন্যতম ৬ পৃষ্ঠাত

## ছেচেলছৰ সংসদত ঐতিহাসিক ভাষণ প্ৰধানমন্ত্ৰী মোদীৰ

### ভাৰত-ছেচেলছ সম্পৰ্কক 'বিশেষ আৰু শক্তিশালী' অভিহিত

**ইন্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ২৮ জুন ঃ** ছেচেলছৰ ২০ সংখ্যক ৰাষ্ট্ৰীয় বিধানসভাত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সুযোগ পোৱা প্ৰথম ভাৰতীয় প্ৰধানমন্ত্ৰী হিচাপে ইতিহাস ৰচনা কৰে। দেওবাৰে ছেচেলছৰ সংসদক সম্বোধন কৰি মোদীয়ে কয় যে এই ৰাষ্ট্ৰীয় বিধানসভাত ভাষণ দিয়াটো তেওঁৰ বাবে এক অতি গৌৰৱ আৰু সন্মানৰ মুহূৰ্ত। তেওঁ নিজৰ সৈতে ভাৰতৰ ১.৪ বিলিয়ন জনসাধাৰণৰ শুভকামনা আৰু অভিনন্দন লৈ অহাৰ কথাও উল্লেখ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ছেচেলছৰ জনসাধাৰণ আৰু নেতৃত্বক দেশখনৰ প্ৰগতি আৰু সফলতাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰাৰ ৬ পৃষ্ঠাত

## ধেমাজিৰ পৰিস্থিতিৰ বুজ ল'বলৈ দুই মন্ত্ৰীক নিৰ্দেশ মুখ্যমন্ত্ৰীৰ


### মন্ত্ৰী সুশান্ত বৰগোঁহাই-কেশৱ মহন্তক নিৰ্দেশ মুখ্যমন্ত্ৰীৰ ▫ কেমি নদীৰ দলং উটুৱাই নিয়াৰ পাছত বিচ্ছিন্ন জোনাই, ৰাষ্ট্ৰীয় ঘাইপথত পানী



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৮ জুন ঃ** ধেমাজি জিলাৰ বিভিন্ন প্ৰান্তত হোৱা ভয়াবহ বান পৰিস্থিতিক লৈ গভীৰ উদ্বিগ্নতা প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। দেওবাৰে সামাজিক মাধ্যম এক্সযোগে ধেমাজিৰ বান পৰিস্থিতিৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰখা বুলি উল্লেখ কৰি তেওঁ কয় যে বানাক্ৰান্ত ৰাইজৰ সৈতে চৰকাৰ দৃঢ়তাৰে থিয় দিব। যাতে বানপানীৰ কবলত পৰা ৰাইজে কোনো ৬ পৃষ্ঠাত

## ৰাম মন্দিৰৰ অনুদান আত্মসাতকাৰীৰ ঘৰত আৰক্ষীৰ অভিযানত উদ্ধাৰ ৮০ লাখ টকা

### বিশেষ অনুসন্ধান দলৰ প্ৰতিবেদনৰ পাছতে তীব্ৰতৰ তদন্ত; অভিযুক্তৰ পৰিয়ালৰ সদস্যকো জেৰা



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৮ জুন ঃ** অযোধ্যাৰ ঐতিহাসিক ৰাম মন্দিৰত ভক্তসকলে দিয়া অনুদান আত্মসাৎ কৰাৰ আলোচিত গোচৰত ডাঙৰ অগ্ৰগতি লাভ কৰিছে আৰক্ষীয়ে। দেওবাৰে গোচৰৰ অভিযুক্ত আঠজনকে ধৰি সন্দেহভাজন সকলৰ ঘৰত একেলগে তালাচী অভিযান চলাই আৰক্ষীয়ে তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলকো দীৰ্ঘ সময় ধৰি জেৰা কৰে। এই অভিযানৰ পাছত এতিয়ালৈকে মুঠ ৬ পৃষ্ঠাত

## ধুবুৰীত পলিঅ' টীকাকৰণ অভিযানৰ শুভাৰম্ভ মন্ত্ৰী অশোক সিংহলৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৮ জুন ঃ** ৰাষ্ট্ৰীয় প্ৰতিষেধক দিৱস উপলক্ষে সমগ্ৰ অসমৰ লগতে ধুবুৰী জিলাতো পালছ পলিঅ' টীকাকৰণ কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। ধুবুৰী মেডিকেল কলেজ আৰু চিকিৎসালয়ত ৬ পৃষ্ঠাত

### ৰাজ্যৰ ২৪ হাজাৰ স্বাস্থ্য কেন্দ্ৰত ৫২ হাজাৰ কৰ্মীৰ অংশগ্ৰহণ



### 'মন কী বাত'ত অসম তথা উত্তৰ-পূবৰ বিশেষ উল্লেখ প্ৰধানমন্ত্ৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৮ জুন ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জনপ্ৰিয় ৰেডিঅ' অনুষ্ঠান 'মন কী বাত'ই এইবাৰো অসম আৰু উত্তৰ পূৰ্বাঞ্চলক বিশেষ গুৰুত্ব প্ৰদান কৰে। জুন মাহৰ শেষ দেওবাৰে সম্প্ৰচাৰিত ৬ পৃষ্ঠাত

## প্ৰধানমন্ত্ৰী মোদীৰ 'মন কী বাত'ত অসম কন্যা পূৰ্ণিমা দেৱী বৰ্মনৰ প্ৰশংসা

### হাড়গিলা সংৰক্ষণ অভিযানে দৃষ্টি আকৰ্ষণ কৰিলে বিশ্ববাসীৰ; মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক অভিনন্দন

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৮ জুন ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেওবাৰে ১৩৫ সংখ্যক জনপ্ৰিয় ৰেডিঅ' অনুষ্ঠান 'মন কী বাত'ত দেশবাসীক সম্বোধন কৰি অসম কন্যা পূৰ্ণিমা দেৱী বৰ্মনৰ হাঞ্জগিলা চৰাই সংৰক্ষণৰ বাবে কৰা অনন্য প্ৰচেষ্টাৰ বিশেষভাৱে প্ৰশংসা কৰে। পৰিৱেশ ৬ পৃষ্ঠাত

## ৰাচীত সন্ত্ৰাসবাদীৰ আক্ৰমণত নিহত ৪ সৈনিক

### সিন্ধ ৰেঞ্জাৰৰ মুখ্য কাৰ্যালয়ত ভয়ংকৰ আক্ৰমণ, জীৱিত অৱস্থাত এজনক আটক

**ইন্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ২৮ জুন ঃ** পাকিস্তানৰ কৰাচী মহানগৰীত শনিবাৰে এক ডাঙৰ সন্ত্ৰাসবাদী আক্ৰমণ সংঘটিত হয়, য'ত চাৰিজন অৰ্ধসামৰিক বাহিনীৰ জোৱান আৰু ছয়জন উগ্ৰপন্থী নিহত হোৱাৰ লগতে এজন আক্ৰমণকাৰীক জীৱিত অৱস্থাত আটক কৰিবলৈ সক্ষম হয় আৰক্ষীয়ে। কৰাচীৰ গুলিস্তান-ই-জোহৰ অঞ্চলত ৬ পৃষ্ঠাত

## কন্দলীত ভূঁই ৰুলে কৃষিমন্ত্ৰী পীযূষ হাজৰীকাই

### কঠীয়াতলিত ১০০ বিঘা মাটিত নিৰ্মাণৰত উদ্যান শস্যৰ বিশেষ বাগিচা পৰিদৰ্শন

**অসম বাৰ্তা, পুৰণিগুদাম, ২৮ জুন ঃ** ৰাজ্যৰ কৃষিমন্ত্ৰী পীযূষ হাজৰীকাই আজি নগাঁও জিলা ভ্ৰমণ কৰি কৃষি বিভাগৰ দ্বাৰা আয়োজিত বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰে। পোনপ্ৰথমতে তেওঁ নগাঁও জিলাৰ নৈনে কৃষি উন্নয়ন চক্ৰৰ অন্তৰ্গত কঠীয়াতলিত আয়োজিত এটি কৃষক পঞ্জীয়ন শিবিৰ পৰিদৰ্শন কৰি চলি থকা পঞ্জীয়ন সম্পৰ্কে বুজ লয়। উপস্থিত কৃষকসকলৰ সৈতে মত-বিনিময় কৰাৰ লগতে কৃষক পঞ্জীয়নৰ প্ৰয়োজন সম্পৰ্কে কৃষকসকলক অৱগত কৰে। ইয়াৰ পিছত তেওঁ বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীৰ সৈতে কঠীয়াতলিস্থিত ১০০ বিঘা মাটিত নিৰ্মাণৰত উদ্যান শস্যৰ বিশেষ বাগিচা পৰিদৰ্শন কৰে আৰু কামৰ অগ্ৰগতিৰ বুজ লয়। ইয়াৰোপৰি নগাঁও জিলাত জলসিঞ্চনৰ প্ৰয়োজনীয়তা সন্দৰ্ভতো জিলা আয়ুক্ত দেৱাশিস ৬ পৃষ্ঠাত



## সাম্ভাব্য বান পৰিস্থিতি মোকাবিলাৰ বাবে সাজু জলসম্পদ বিভাগ ঃ মন্ত্ৰী সুশান্ত বৰগোহাঁই

### ৮৩০ কিলোমিটাৰ মথাউৰি নিৰ্মাণ সম্পূৰ্ণ, ব্ৰহ্মপুত্ৰৰ ১৩০ কিলোমিটাৰ মথাউৰি বাকী

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৮ জুন ঃ** ৰাজ্যৰ জলসম্পদ বিভাগে অহা বান পৰিস্থিতি মোকাবিলাৰ বাবে সম্পূৰ্ণৰূপে সাজু হৈ আছে বুলি মন্তব্য কৰি নতুন জলসম্পদ মন্ত্ৰী সুশান্ত বৰগোহাঁয়ে কয় যে ৰঙানদীৰ বান পৰিস্থিতি বৰ্তমান স্বাভাৱিক অৱস্থাত আছে। তেওঁ লগতে উল্লেখ কৰে যে এইবাৰ ৰঙানদী আৰু কপিলী বান্ধৰ পানী এৰি দিয়াৰ পাছত পূৰ্বৰ বছৰবোৰৰ দৰে বান পৰিস্থিতিৰ সৃষ্টি হোৱা নাই, ৬ পৃষ্ঠাত




## বিধ্বস্ত সূৰ্যোদয়ৰ ৰাজ্য ! সাত জিলা সংযোগ বিচ্ছিন্ন

### বৰ্তমানলৈ তিনিজনৰ মৃত্যু ঃ হোজ-পটিন ঘাইপথত ভূমিস্খলন, এমাহলৈ অসম্ভৱ মেৰামতি



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৮ জুন ঃ** উত্তৰ-পূবাঞ্চলৰ সূৰ্যোদয়ৰ ৰাজ্যখ্যাত অৰুণাচল প্ৰদেশত প্ৰকৃতিয়ে অব্যাহত ৰাখিছে নিজৰ ধ্বংসলীলা। ৰাজ্যখনত নেৰানেপেৰাকৈ হৈ থকা বৰষুণ আৰু তাৰ ফলত সৃষ্টি হোৱা বান-ভূমিস্খলনে কেইবাগৰাকীও লোকৰ প্ৰাণ কাঢ়ি নিয়াৰ লগতে ৰাজ্যখনৰ যোগাযোগ ব্যৱস্থা সম্পূৰ্ণৰূপে বিপৰ্যস্ত কৰি পেলাইছে। বিগত ২৪ জুনত অৰুণাচল প্ৰদেশৰ কেয়ী পানীয়ৰ জিলাত সংঘটিত হোৱা ডাৱৰ বিস্ফোৰণৰ ঘটনাই অঞ্চলটোত ব্যাপক ক্ষয়-ক্ষতি সাধন কৰে। কেয়ী পানীয়ৰ জিলাৰ পুছাত হোৱা এই ডাৱৰ বিস্ফোৰণৰ ফলত সৃষ্টি হোৱা বান আৰু বৃহৎ পৰিমাণৰ ভূমিস্খলনে জনসাধাৰণৰ জীৱন-সম্পত্তিৰ ব্যাপক ক্ষতি কৰে। অঞ্চলটোত থকা নীপকো কলনীৰ প্ৰায় ১৮টা আৱাসিক গৃহ চকুৰ পচাৰতে ধ্বংস হৈ যায় আৰু তিনিগৰাকী লোকৰ মৃত্যু হয়। ঘটনাটোৰ পাছত চাৰিগৰাকী লোক নিৰুদ্দেশ হৈ পৰে। তাৰে ভিতৰত দুগৰাকী মহিলাৰ মৃতদেহ ইতিমধ্যে উদ্ধাৰ কৰা হৈছে আৰু দেওবাৰে ঘটনাস্থলীৰ পৰা প্ৰায় ১০ কিলোমিটাৰ দূৰত্বত তৃতীয়টো মৃতদেহ উদ্ধাৰ কৰে বিষয়াসকলে। এই মৃতদেহটোও এগৰাকী মহিলাৰ বুলি ৬ পৃষ্ঠাত

# শিৱসাগৰৰ জেঙনিকটীয়াত মাৰাত্মক ড্ৰাগছৰ বিৰুদ্ধে একত্ৰিত ৰাইজ

**সমগ্ৰ অঞ্চলটোক 'নিচামুক্ত আৰু সুৰামুক্ত' ঘোষণা; অপৰাধীক আশ্ৰয় দিয়া সকলৰ বিৰুদ্ধে কঠোৰ খিলঞ্জীয়া মুছলমান**

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ২৮ জুন ঃ** শিৱসাগৰ নগৰৰ সমীপৰ বৃহত্তৰ জেঙনিকটীয়া অঞ্চলত শেহতীয়াকৈ অস্বাভাৱিকভাৱে বৃদ্ধি পোৱা মাৰাত্মক ড্ৰাগছৰ প্ৰচলন, চুৰি-ডকাইতি তথা বিভিন্ন অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে আজি স্থানীয় ৰাইজে এক ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰে। জেঙনিকটীয়া ইউথ গ্ৰুপৰ উদ্যোগত আজি জেঙনিকটীয়া চাৰিআলিত এখন গুৰুত্বপূৰ্ণ সজাগতা সভা অনুষ্ঠিত হয়। সমাজ সচেতন যুৱক চৰিফ মহম্মদে পৰিচালনা কৰা এই সজাগতা সভাত সমগ্ৰ অঞ্চলটোক অপৰাধ আৰু নিচামুক্ত কৰাৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হয়। এই গুৰুত্বপূৰ্ণ সভাত জেঙনিকটীয়াৰ দুয়োটা জুম্মা মছজিদ পৰিচালনা সমিতি, ৰক্তিয়া মছজিদকে ধৰি অঞ্চলটোৰ তিনিটা মছজিদ পৰিচালনা সমিতিৰ সভাপতি, সম্পাদক, ইউথ গ্ৰুপৰ বিষয়ববীয়া আৰু বৃহত্তৰ যুৱ সমাজ একত্ৰিত হৈ সৰ্বসন্মতিক্ৰমে সমগ্ৰ জেঙনিকটীয়াক 'নিচামুক্ত আৰু সুৰামুক্ত অঞ্চল' হিচাপে ঘোষণা কৰে। যিসকল ভাড়াঘৰৰ মালিকে অপৰাধী বুলি জানিও অসামাজিক লোকক ভাড়াত দি আশ্ৰয় প্ৰদান কৰিছে, তেওঁলোকক সামাজিকভাৱে সম্পূৰ্ণ বৰ্জন (Boycott) কৰাৰ সিদ্ধান্ত সভাই গ্ৰহণ কৰে। একেদৰে সকলো ভাড়াঘৰৰ মালিকক এটা সপ্তাহৰ ভিতৰত তেওঁলোকৰ ভাড়াতীয়াসকলৰ নাম, ঠিকনা,




পান কাৰ্ড (PAN Card) আৰু আধাৰ কাৰ্ড, ভোটাৰ কাৰ্ডৰ সবিশেষ যুৱ সমাজৰ জৰিয়তে অথবা গাঁও ৰক্ষী বাহিনীৰ জৰিয়তে শিৱসাগৰ সদৰ থানাত জমা দি পঞ্জীয়ন কৰাটো বাধ্যতামূলক কৰা হৈছে। এই পঞ্জীয়ন প্ৰক্ৰিয়াৰ এখন প্ৰতিলিপি (Copy) জেঙনিকটীয়া মছজিদ কমিটীৰ হাততো জমা দিব লাগিব। ইয়াৰ উপৰি নিশাৰ ভাগত চলি থকা অসামাজিক কাৰ্যকলাপ প্ৰতিহত কৰিবলৈ স্থানীয় গাঁৱৰক্ষী বাহিনীক অধিক শক্তিশালী কৰি তোলাৰ লগতে নৈশ পহৰা তীব্ৰতৰ কৰাৰ সিদ্ধান্ত লোৱা হয়। আনহাতে অঞ্চলটোত একাংশ ড্ৰাগছ ব্যৱসায়ীয়ে আশ্ৰয়স্থলী বা ঘাটি হিচাপে ব্যৱহাৰ কৰা লোহাৰ ডেম্প (Iron Dump) আৰু অন্যান্য সন্দেহজনক স্থানসমূহ শীঘ্ৰে উচ্ছেদ কৰিবলৈ প্ৰশাসনৰ ওচৰত দাবী জনোৱাৰ সিদ্ধান্ত লোৱা হয়। একেদৰে অঞ্চলটোত থাকি অসামাজিক কাম-কাজত লিপ্ত হোৱা পূৰ্ববংগীয় মূলৰ সন্দেহযুক্ত নাগৰিকসকলক সহায় সহযোগিতা কৰা স্থানীয় লোককো সামাজিকভাৱে বৰ্জন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। শিৱসাগৰৰ জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ সহযোগত এনে সমাজবিৰোধী লোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সভাই সিদ্ধান্ত গ্ৰহণ কৰে। জেঙনিকটীয়া ইউথ গ্ৰুপ আৰু স্থানীয় যুৱকসকলে স্পষ্ট কৰি দিছে যে, সমাজবিৰোধী শক্তিসমূহৰ বিৰুদ্ধে তেওঁলোকে সৰ্বশক্তিৰে ঠিয় দিব। প্ৰয়োজন হ'লে অপৰাধীসকলক ৰাজহুৱা শাস্তি প্ৰদান কৰাৰ দৰে পৰিস্থিতিৰ সৃষ্টি হ'লে আইন-শৃংখলা ৰক্ষাৰ স্বাৰ্থত আৰক্ষী-প্ৰশাসনে যাতে যুৱ সমাজক সম্পূৰ্ণ সহযোগিতা আগবঢ়ায় তাৰ বাবে সভাই আৰক্ষী বিভাগৰ সহযোগিতা কামনা কৰে। আজিৰ সভাত স্থানীয় নেতৃত্বই গভীৰ ক্ষোভ প্ৰকাশ কৰি কয় যে, এই ঐতিহাসিক খিলঞ্জীয়া মুছলমান বসতি প্ৰধান জেঙনিকটীয়া অঞ্চলৰ ৰাইজে কেতিয়াও কোনো অপৰাধী বা সমাজদ্ৰোহীক প্ৰশ্ৰয় নিদিয়ে। সমাজ আৰু যুৱ প্ৰজন্মক সুৰক্ষিত কৰাৰ স্বাৰ্থতে আজি সভাই সৰ্বসন্মতভাৱে সমগ্ৰ অঞ্চলটোক সম্পূৰ্ণৰূপে সুৰামুক্ত আৰু নিচামুক্ত ঘোষণা কৰে। আজিৰ এই সজাগতা সভাত উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মনিৰুল ইছলাম বড়া, জেঙনিকটীয়া মুখ্য জুম্মা মছজিদৰ সভাপতি জাহিদ উল্লা, ২ নং জুম্মা মছজিদৰ সভাপতি ইমৰান ৰহমান, হাফিজুদ্দিন আহমেদ, ইউচিং ৰিকভাৰী চচাইটিৰ জয়ন্ত বৰ্মন, খুৰচেদ আলি, সাংবাদিক জিনুল আহমেদ, ইছমাইল তামোলী, মৃদুল আলি, মফিজুৰ ৰহমান, ফৰিদ আহমেদকে ধৰি কেইবাজনো ব্যক্তিয়ে ভাষণ দি এনে অসামাজিক কাৰ্যকলাপ শীঘ্ৰে বন্ধ কৰাৰ ক্ষেত্ৰত শিৱসাগৰ জিলা প্ৰশাসনৰ সহযোগিতাত কামনা কৰে।

**১৯ গৰাকীক বিনামূলীয়াকৈ কেটাৰেক্ট অস্ত্ৰোপচাৰৰ বাবে যোৰহাটলৈ প্ৰেৰণ**

# সৰুপথাৰ হনুমান মন্দিৰত বিনামূলীয়া চকু পৰীক্ষা শিবিৰ

**পাঁচ শতাধিক লোকে লাভ কৰিলে উন্নত চকু চিকিৎসা সেৱা**

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ২৮ জুন ঃ** সৰুপথাৰ নগৰৰ হনুমান মন্দিৰ প্ৰাঙ্গনত দেওবাৰে দিনযোৰাকৈ যোৰহাট লায়ন্স চকু চিকিৎসালয়, সৰুপথাৰ লায়ন্স ক্লাব আৰু নিখিল ভাৰতীয় মাৰোৱাৰী মহিলা সন্মিলন, সৰুপথাৰ শাখাৰ যৌথ উদ্যোগত এটি বিনামূলীয়া চকু পৰীক্ষা শিবিৰ সফলতাৰে অনুষ্ঠিত হয়। সমাজৰ আৰ্থিকভাৱে দুৰ্বল, গ্ৰামাঞ্চলৰ লগতে দূৰ-দূৰণিৰ লোকসকলক উন্নত মানৰ চকু চিকিৎসা সেৱা প্ৰদান কৰাৰ মহান উদ্দেশ্যৰে আয়োজন কৰা এই শিবিৰত অঞ্চলটোৰ ৰাইজৰ ব্যাপক সঁহাৰি পৰিলক্ষিত হয়। শিবিৰটোৰ শুভাৰম্ভ কৰে সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে। উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিধায়ক বিশ্বজিৎ ফুকনে কয় যে, সুস্থ সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰত স্বাস্থ্যসেৱাৰ সম্প্ৰসাৰণ অতি গুৰুত্বপূৰ্ণ। বিশেষকৈ চকুৰ দৰে অতি সংবেদনশীল অংগৰ যত্ন লোৱাটো প্ৰতিগৰাকী ব্যক্তিৰ দায়িত্ব। লায়ন্স ক্লাবৰ দৰে সমাজসেৱামূলক সংগঠনে এনে ধৰণৰ জনহিতকৰ পদক্ষেপ গ্ৰহণ কৰি সাধাৰণ ৰাইজক স্বাস্থ্যসেৱাৰ সুবিধা আগবঢ়োৱাৰ লগতে স্বাস্থ্য সম্পৰ্কীয় সজাগতাও বৃদ্ধি কৰি আহিছে বুলি তেওঁ উল্লেখ কৰে। এনে মহৎ কাৰ্যসূচী ৰূপায়ণৰ বাবে সংশ্লিষ্ট সকলো সংগঠন আৰু কৰ্মকৰ্তাক বিধায়ক বিশ্বজিৎ ফুকনে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। লায়ন্স ক্লাব সৰুপথাৰ শাখাৰ নৱনিৰ্বাচিত অধ্যক্ষ দিনেশ ভিলোৱাৰীয়াই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত লায়ন্স ক্লাবৰ জিলা গৱৰ্নৰ ডাঃ নীনা দত্ত বিশেষ অতিথি হিচাপে উপস্থিত থাকে। তেওঁ নিজৰ বক্তব্যত লায়ন্স ক্লাব সৰুপথাৰ শাখাৰ সুসংগঠিত ব্যৱস্থাপনা, সমাজসেৱাৰ প্ৰতি দায়বদ্ধতা আৰু জনকল্যাণমূলক কৰ্মসূচীক ভূয়সী প্ৰশংসা কৰে। ভৱিষ্যতেও অধিক সংখ্যক লোকক উপকৃত কৰিব পৰা এনে স্বাস্থ্যসেৱামূলক কাৰ্যসূচী নিয়মীয়াকৈ আয়োজন কৰিবলৈ তেওঁ আহ্বান জনায়। চকু পৰীক্ষা শিবিৰটোত সৰুপথাৰ আৰু ইয়াৰ আশে-পাশে থকা বিভিন্ন অঞ্চলৰ প্ৰায় পাঁচ শতাধিক লোকে নিজৰ নাম পঞ্জীয়ন কৰি সম্পূৰ্ণ বিনামূলীয়াকৈ চকু পৰীক্ষা কৰোৱায়। যোৰহাট লায়ন্স চকু চিকিৎসালয়ৰ অভিজ্ঞ চকু বিশেষজ্ঞ চিকিৎসক আৰু স্বাস্থ্যকৰ্মীৰ দলে প্ৰতিগৰাকী ব্যক্তিৰ চকুৰ বিস্তৃত পৰীক্ষা কৰি প্ৰয়োজনীয় চিকিৎসা পৰামৰ্শ আগবঢ়ায়। বহু লোকে প্ৰথমবাৰৰ বাবে বিশেষজ্ঞ চিকিৎসকৰ জৰিয়তে চকুৰ স্বাস্থ্য পৰীক্ষাৰ সুযোগ লাভ কৰে। পৰীক্ষাৰ অন্তত কেটাৰেক্ট বা ছানি পৰা ৰোগত আক্ৰান্ত ১৯ গৰাকী ৰোগীক বিনামূলীয়াকৈ অস্ত্ৰোপচাৰৰ বাবে লায়ন্স ক্লাবৰ উদ্যোগত বিশেষ বাছযোগে যোৰহাট লায়ন্স চকু চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। কেৱল অস্ত্ৰোপচাৰৰ ব্যৱস্থাই নহয়, অস্ত্ৰোপচাৰ সম্পন্ন হোৱাৰ পিছত পুনৰ সুৰক্ষিতভাৱে বাছেৰে সৰুপথাৰলৈ ঘূৰাই অনাৰ সম্পূৰ্ণ ব্যৱস্থাও লায়ন্স ক্লাবে গ্ৰহণ কৰিছে, যাক উপস্থিত ৰাইজে বিশেষভাৱে শলাগ লয়। অনুষ্ঠানটোত সৰুপথাৰ পৌৰসভাৰ পৌৰপতি উষা আগৰৱালা, লায়ন্স ক্লাবৰ স্থানীয় বিষয়ববীয়া, নিখিল ভাৰতীয় মাৰোৱাৰী মহিলা সন্মিলন, সৰুপথাৰ শাখাৰ বিষয়ববীয়া, বিভিন্ন সামাজিক সংগঠনৰ প্ৰতিনিধি, সমাজকৰ্মী, বিশিষ্ট নাগৰিক আৰু বহু সংখ্যক ৰাইজ উপস্থিত থাকে। উল্লেখযোগ্য যে, সাম্প্ৰতিক সময়ত চকুৰ বিভিন্ন সমস্যাত আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধি পোৱাৰ প্ৰেক্ষাপটত এনে বিনামূলীয়া স্বাস্থ্য শিবিৰসমূহে সমাজৰ আৰ্থিকভাৱে পিছপৰা লোকসকলক যথেষ্ট সকাহ দিয়াৰ লগতে স্বাস্থ্যসচেতনতা বৃদ্ধিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। দিনজোৰা এই শিবিৰৰ সফল আয়োজনত অংশগ্ৰহণকাৰীসকলে সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে লায়ন্স ক্লাবে আগন্তুক দিনতো এনে জনহিতকৰ স্বাস্থ্যসেৱামূলক কাৰ্যসূচী নিয়মীয়াকৈ অব্যাহত ৰাখিব বুলি আশ্বাস প্ৰদান কৰে।

# গোসাঁইগাঁৱৰ কচুগাঁৱত বিজেপিৰ মণ্ডল প্ৰশিক্ষণ বৰ্গ অনুষ্ঠিত

**অসম বাৰ্তা, গোসাঁইগাঁও, ২৮ জুন ঃ** পণ্ডিত দীনদয়াল উপাধ্যায় প্ৰশিক্ষণ অভিযান-২০২৬ৰ অংশ হিচাপে দিনজোৰা কাৰ্য্যসূচীৰে গোসাঁইগাঁও মহকুমাৰ কচুগাঁৱৰ সুজিত নাৰ্জাৰী প্ৰেক্ষাগৃহত ভাৰতীয় জনতা পাৰ্টি (বিজেপি)ৰ মণ্ডল প্ৰশিক্ষণ বৰ্গ সফলতাৰে অনুষ্ঠিত হয়। ৰাতিপুৱাৰ পৰা আৰম্ভ হোৱা এই প্ৰশিক্ষণ কাৰ্য্যসূচীত বিজেপিৰ বিভিন্ন মৰ্চাৰ প্ৰায় শতাধিক কৰ্মীয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। অনুষ্ঠানত পণ্ডিত দীনদয়াল উপাধ্যায়ৰ জীৱন, আদৰ্শ আৰু সাংগঠনিক দৰ্শনৰ ওপৰত বিস্তৃত আলোচনা কৰাৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন জনকল্যাণমূলক আৰু উন্নয়নমূলক আঁচনি সম্পৰ্কেও পৰ্যালোচনা কৰা হয়। প্ৰশিক্ষণ বৰ্গত কচুগাঁও বিজেপি মণ্ডল সভাপতি স্বপন দৈমাৰী, মণ্ডল প্ৰশিক্ষণ প্ৰমুখ পাৰ্থ নাথ পাল, জিলা প্ৰশিক্ষণ প্ৰমুখ ছাইখো যাথাও নাৰ্জাৰী, কচুগাঁও মণ্ডল প্ৰভাৰী ৰাহুল নাৰ্জাৰীকে ধৰি দলৰ বহু বিষয়ববীয়া আৰু কৰ্মকৰ্তা উপস্থিত থাকে। অনুষ্ঠানৰ জৰিয়তে সাংগঠনিক শক্তি অধিক সুদৃঢ় কৰাৰ লগতে কৰ্মীসকলক দলীয় আদৰ্শ, কৰ্মপদ্ধতি আৰু জনসেৱামূলক কাৰ্যসূচীৰ বিষয়ে অধিক দক্ষ কৰি তোলাৰ লক্ষ্য গ্ৰহণ কৰা হয়।

# কাইলৈ নলবাৰীৰ নিজ পকোৱাত গ্ৰীষ্মকালীন বিনামূলীয়া শিক্ষা শিৱিৰ আৰু বিশ্বকণ্ঠ জুবিন গাৰ্গৰ মৃত্যুৰ প্ৰথম বৰ্ষপূৰ্ণ আয়োজনৰ বাবে সজাগতা সভা

**অসম বাৰ্তা, চামতা, ২৮ জুন ঃ** নলবাৰী জিলাৰ নিজ পকোৱাত গ্ৰীষ্মকালীন বিনামূলীয়া শিক্ষা শিৱিৰ আৰু বিশ্বকণ্ঠ জুবিন গাৰ্গৰ মৃত্যুৰ প্ৰথম বৰ্ষপূৰ্ণ আয়োজনৰ বাবে এখন সজাগতা সভা অনুষ্ঠিত কৰা হ'ব। সামাজিক-সাংস্কৃতিক স্বেচ্ছাসেৱী সংস্থা সংস্কৃতিৰ উদ্যোগত অনুষ্ঠিতব্য উক্ত বিষয়ৰ ওপৰত আলোচনা কৰাৰ বাবে সচেতন ৰাইজৰ পৰামৰ্শ বিচাৰি এই সজাগতা সভাখন আহ্বান কৰা হৈছে বুলি জানিবলৈ দিয়ে সংস্থাটোৰ বিভাগীয় বিশেষ দায়িত্বত থকা জিলাখনৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ তথা শিক্ষা প্ৰতিষ্ঠানখনৰ কাৰ্যবাহী পৰিচালন সঞ্চালক ৰূপক বৈশ্যই। উল্লেখ্য যে, বৃহত্তৰ নিজ পকোৱা অঞ্চলত বিগত সময়ছোৱাত বিভিন্ন বিষয়ৰ ওপৰত ৰাইজৰ সজাগতা প্ৰসাৰৰ ক্ষেত্ৰত সমাজত অৰিহণা যোগাই অহা সংস্থাটোৱে এইবাৰ নৱম আৰু দশম শ্ৰেণীৰ বাবে গ্ৰীষ্মকালীন বিনামূলীয়া শিক্ষা শিৱিৰৰ লগতে জনতাৰ শিল্পী, হিয়াৰ আমঠু তথা বিশ্বকণ্ঠ জুবিন গাৰ্গৰ মৃত্যুৰ প্ৰথম বৰ্ষপূৰ্ণ পালন কৰিব। সংস্থাটোৰ সম্পাদক হিৰেন্দ্ৰ নাৰায়ণ দত্তই নিজ পকোৱা স্পোৰ্টছ ক্লাবত কাইলৈ পুৱা ১০.৩০ বজাত অনুষ্ঠিতব্য সভাখনত উপস্থিত থকাৰ বাবে সকলোকে অনুৰোধ জনাইছে।

# হাউলীত পৌৰসভাৰ ভৱনৰ ওপৰ মহলাত যুৱকৰ মৃতদেহ উদ্ধাৰ; ড্ৰাগছ সেৱনৰ সন্দেহ

**অসম বাৰ্তা, কুমুল্লী পৰা, ২৮ জুন ঃ** বৰপেটা জিলাৰ হাউলীৰ জটলগা চ'কস্থিত পৌৰসভাৰ ভৱনৰ ওপৰ মহলাৰ পৰা শনিবাৰে সন্ধিয়া এজন যুৱকৰ মৃতদেহ উদ্ধাৰ হোৱাক লৈ অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি হৈছে। উদ্ধাৰ হোৱা মৃত যুৱকজন হালাপাকুৰী গাঁৱৰ একাব্বৰ আলীৰ পুত্ৰ ৰফিকুল ইছলাম বুলি জানিব পৰা গৈছে। স্থানীয় ৰাইজৰ মতে, যুৱকজনৰ মৃত্যু অত্যধিক ড্ৰাগছ সেৱনৰ ফলত হ'ব পাৰে বুলি সন্দেহ প্ৰকাশ কৰা হৈছে। অৱশ্যে, এই সন্দেহৰ কোনো চৰকাৰী নিশ্চিতকৰণ এতিয়ালৈকে প্ৰকাশ হোৱা নাই। ঘটনাৰ খবৰ পাই হাউলী আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি আইনী প্ৰক্ৰিয়া আৰম্ভ কৰে। লগতে মৃত্যুৰ প্ৰকৃত কাৰণ নিৰ্ণয়ৰ বাবে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰা হ'ব বুলি জানিব পৰা গৈছে। ঘটনাটোৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন আৰু আৰক্ষীৰ তদন্ত সম্পূৰ্ণ হোৱাৰ পিছতহে মৃত্যুৰ সঠিক কাৰণ স্পষ্ট হ'ব। উল্লেখ্য যে, সাম্প্ৰতিক সময়ত বৃহত্তৰ অঞ্চলটোত ড্ৰাগছৰ প্ৰসাৰক লৈ জনসাধাৰণৰ মাজত উদ্বেগ বৃদ্ধি পাইছে। এই ঘটনাই পুনৰবাৰ ড্ৰাগছৰ বিৰুদ্ধে অধিক কঠোৰ ব্যৱস্থা গ্ৰহণ আৰু যুৱ সমাজক সচেতন কৰাৰ প্ৰয়োজনীয়তাক উজাগৰ কৰি তুলিছে।

# NSDলৈ দেৰগাঁৱৰ কৰিশ্মা পূজাৰী

**অসম বাৰ্তা, দেৰগাঁও, ২৮ জুন ঃ** উজনি অসমৰ গোলাঘাট জিলাৰ দেৰগাঁৱৰ পৰা নাট্য যাত্ৰা আৰম্ভ কৰি আকাশ চুৱাৰ সপোনক বাস্তৱায়িত কৰাৰ লক্ষ্য আছিল দেৰগাঁও লঠাগাঁৱৰ অৱসৰ প্ৰাপ্ত শিক্ষক নৃপেন্দ্ৰ নাথ পূজাৰী আৰু মঞ্জু পূজাৰীৰ কনিষ্ঠ কণ্যা কৰিশ্মা পূজাৰীৰ। দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ পৰা গণিতত স্নাতক ডিগ্ৰী লৈ সোণাপুৰ মহাবিদ্যালয়ৰ পৰা Theatre and stage craft বিষয়ত B voc. Degree লাভ কৰে। আকাশবাণী গুৱাহাটিৰ এগৰাকী অংশকালীন ঘোষিকা আৰু অসমৰ বিভিন্ন ঠাইত নাটক কৰাৰ লগতে বেংগালুৰু, কলকাতা, মুম্বাই, গোৱা, শ্বিলং, দিল্লী আদি ঠাইত নাটক কৰি সমগ্ৰ জিলালৈ গৌৰৱ কঢ়িয়াই আনে। শেহতীয়াকৈ এই বছৰৰ ৰাষ্ট্ৰীয় নাট্য বিদ্যালয় দিল্লীলৈ অভিনয়ৰ তিনি বছৰীয়া পাঠ্যক্ৰমৰ বাবে অসমৰ পৰা নিৰ্বাচিত দুগৰাকীৰ ভিতৰত দেৰগাঁৱৰ পৰা প্ৰথম গৰাকী আৰু গোলাঘাট জিলাৰ ভিতৰত দ্বিতীয় গৰাকী (NSD)শিক্ষাৰ্থীৰূপে কৰিশ্মা পূজাৰী নিৰ্বাচিত হয়। ইয়াৰ পূৰ্বে কৰিশ্মাই অনাতাঁৰ কেন্দ্ৰৰ স্বীকৃতপ্ৰাপ্ত বি গ্ৰেড নাট্য শিল্পী হোৱা উপৰিও যোৱাটো বৰ্ষত চিক্কিম ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ত অভিনয় শিক্ষাৰ বাবে সমগ্ৰ ভাৰতৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ পাবলৈ সক্ষম হৈছিল। কৰিশ্মাৰ এই সাফল্যত সোণাপুৰ মহাবিদ্যালয় প্ৰাক্তন অধ্যক্ষ দেৱব্ৰত খনিকৰ দেৰে সন্তোষ প্ৰকাশ কৰি অভিনন্দন জ্ঞাপন কৰা লগতে, দেৰগাঁও অজিত শৰ্মা নাট্য বিদ্যালয় আদি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান, পৰিয়াল আৰু অসমৰ বহুতো গুণমুগ্ধই অভিনন্দন জ্ঞাপন কৰে।

**৭২ ঘণ্টাৰ বাবে মৃতদেহ তেজপুৰ মেডিকেল কলেজ হস্পিতালৰ মৰ্গত সংৰক্ষণ**

# বৰছলাত অচিনাক্ত মৃতদেহ উদ্ধাৰ; পৰিচয় বিচাৰি সংবাদমেল বৰছলা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া টাকাৰ পেগুৰ

**অসম বাৰ্তা, ঢেকীয়াজুলি, ২৮ জুন ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত বৰছলা আৰক্ষী চকী এলেকাত উদ্ধাৰ হোৱা এগৰাকী অচিনাক্ত পুৰুষৰ মৃতদেহক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি হৈছে। মৃত ব্যক্তিগৰাকীৰ পৰিচয় এতিয়াও নিশ্চিত কৰিব নোৱাৰাত ঘটনাটোক লৈ তদন্ত অব্যাহত ৰাখিছে বৰছলা আৰক্ষীয়ে। পৰিচয় উদ্ধাৰৰ উদ্দেশ্যে আজি বৰছলা আৰক্ষী চকীত এক সংবাদমেল অনুষ্ঠিত কৰি আৰক্ষীয়ে ৰাইজৰ সহযোগিতা কামনা কৰে। উক্ত সংবাদমেলত বৰছলা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া টাকাৰ পেগুৱে ঘটনাৰ সবিশেষ প্ৰকাশ কৰি কয় যে কালি বৰছলা আৰক্ষী চকী এলেকাৰ এটা স্থানৰ পৰা অৰ্ধগলিত অৱস্থাত এগৰাকী অচিনাক্ত পুৰুষৰ মৃতদেহ উদ্ধাৰ কৰা হৈছিল। স্থানীয় লোকে মৃতদেহটো প্ৰত্যক্ষ কৰাৰ পিছতে আৰক্ষীক খবৰ দিয়ে আৰু খবৰ লাভ কৰিয়েই আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি তদন্ত আৰম্ভ কৰে। আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা বিভিন্ন তথ্য-প্ৰমাণ সংগ্ৰহ কৰাৰ লগতে মৃত ব্যক্তিগৰাকীৰ পৰিচয় নিশ্চিত কৰাৰ উদ্দেশ্যে বিভিন্ন দিশত অনুসন্ধান চলাইছে। কিন্তু বৰ্তমানলৈকে কোনো ব্যক্তি বা পৰিয়ালে মৃতদেহটোৰ দাবী কৰা নাই আৰু আৰক্ষীয়েও পৰিচয় নিশ্চিত কৰিব পৰা হোৱা নাই। ইফালে আইন অনুসৰি মৃতদেহটোৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰাৰ পিছত পৰিচয় চিনাক্তকৰণৰ সুবিধাৰ্থে তেজপুৰ মেডিকেল কলেজ হাস্পতালৰ মৰ্গত ৭২ ঘণ্টাৰ বাবে সংৰক্ষণ কৰি ৰখা হৈছে। এই সময়ছোৱাত যদি কোনো লোকে মৃত ব্যক্তিগৰাকীক চিনাক্ত কৰিব পাৰে বা তেওঁৰ সম্পৰ্কে কোনো তথ্য জানে তেন্তে তৎক্ষণাত বৰছলা আৰক্ষী চকীৰ সৈতে যোগাযোগ কৰিবলৈ আৰক্ষীয়ে অনুৰোধ জনাইছে। সংবাদমেলত বৰছলা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া টাকাৰ পেগুৱে কয় যে মৃতদেহটোৰ পৰিচয় উদ্ধাৰ হ'লে তদন্ত অধিক ফলপ্ৰসূভাৱে আগবঢ়োৱা সম্ভৱ হ'ব। সেইবাবে তেওঁ ৰাইজক দায়িত্বশীলভাৱে সহযোগিতা আগবঢ়োৱাৰ আহ্বান জনায়। কোনো তথ্য সৰু বুলি ভাবি লুকুৱাই নাৰাখি আৰক্ষীক জনালে তদন্তত যথেষ্ট সহায়ক হ'ব বুলিও তেওঁ উল্লেখ কৰে। বৰ্তমান ঘটনাটোক কেন্দ্ৰ কৰি বৰছলা আৰক্ষীয়ে বিভিন্ন দিশত তদন্ত অব্যাহত ৰাখিছে। আৰক্ষীয়ে আশা প্ৰকাশ কৰিছে যে ৰাইজৰ সহযোগিতাৰ জৰিয়তে অচিনাক্ত মৃত ব্যক্তিগৰাকীৰ পৰিচয় শীঘ্ৰেই নিশ্চিত কৰিব পৰা যাব আৰু ঘটনাটোৰ প্ৰকৃত কাৰণো পোহৰলৈ আহিব।

# বৰপেটা-বজালীত ২৮ জুনত ৰাষ্ট্ৰীয় টিকাকৰণ দিৱস পালন

**অসম বাৰ্তা, বৰপেটা সদৰ, ২৮ জুন ঃ** ৰাষ্ট্ৰীয় টিকাকৰণ দিৱস উপলক্ষে ২৮ জুনত বৰপেটা আৰু বজালী জিলাত পলিঅ' টিকাকৰণ অভিযান অনুষ্ঠিত হয়। এই অভিযানত ৫ বছৰৰ তলৰ মুঠ ২,৭৯,৫৬৩ জন শিশুক মৌখিক পলিঅ' প্ৰতিষেধক (OPV) খুৱোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। অভিযান সফলভাৱে ৰূপায়ণৰ বাবে ১,২২৫টা বুথ, ৫৯টা ট্ৰানজিট কেন্দ্ৰ, ১০টা মেলা-বজাৰ কেন্দ্ৰ, ২৩টা মোবাইল দল আৰু ৩৫টা ইটা ভাটাত বিশেষ ব্যৱস্থা কৰা হৈছে। ৪,৭৩১জন স্বাস্থ্যকৰ্মী-স্বেচ্ছাসেৱক আৰু ২৭০জন তদাৰককাৰী নিয়োজিত থাকিব। ২৯ আৰু ৩০ জুনত ঘৰে ঘৰে গৈ বাদ পৰা শিশুক টিকাকৰণ কৰা হ'ব। জিলা স্বাস্থ্য বিভাগে সকলো অভিভাৱকক ৫ বছৰৰ তলৰ শিশুক ওচৰৰ পলিঅ' বুথলৈ আনি টোপাল খুৱাবলৈ আহ্বান জনাইছে। পূৰ্বে টোপাল গ্ৰহণ কৰা শিশুসকলেও এইবাৰ পুনৰ টোপাল খাব লাগিব বুলি বিভাগে জনাইছে।

**১,০০,৮৮৮টা শিশুক প্ৰতিষেধক প্ৰদানৰ লক্ষ্য**

# নলবাৰীত ৰাষ্ট্ৰীয় পলিঅ' প্ৰতিষেধক প্ৰদান অভিযানৰ শুভাৰম্ভ

**অসম বাৰ্তা, নলবাৰী, ২৮ জুন ঃ** নলবাৰী জিলাৰ স্বহীদ মুকুন্দ কাকতি চিকিৎসালয়ত আজি ৰাষ্ট্ৰীয় পলিঅ' প্ৰতিষেধক প্ৰদান অভিযান-২০২৬ৰ শুভ উদ্বোধন অনুষ্ঠিত হয়। DEMO মুকুল আলীয়ে আঁত ধৰা অনুষ্ঠানৰ শুভ উদ্বোধন কৰে সহকাৰী আয়ুক্ত অভিজিৎ কুণ্ডুৱে। ৰাজ্যিক পৰ্যবেক্ষক ডাঃ হেমেন দাসৰ উপস্থিতিত অনুষ্ঠিত সভাত অতিৰিক্ত জিলা আয়ুক্ত (স্বাস্থ্য) শিল্পী শিখা ঠাকুৰীয়া, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ মানৱ কুমাৰ চৌধুৰী, স্বহীদ মুকুন্দ কাকতি চিকিৎসালয়ৰ অধীক্ষক ডাঃ বীৰেন মেধী, জিলা টীকাকৰণ বিষয়া (DIO) ডাঃ মনোজ কুমাৰ কাকতি, জিলা জনস্বাস্থ্য নাৰ্চ (DPHN) ৰঞ্জনা সিনহা, LHS বীণাপাণি ডেকা, UDA উৎপল মজুমদাৰ, DMO অনিমা দাস, জিলা আঁচনি প্ৰবন্ধক মিনাক্ষী বৰপূজাৰী, জিলা গণমাধ্যম বিশেষজ্ঞ পলাশ জ্যোতি বৰা, সামূহিক সমন্বয়ক সোণমণি ডেকা শৰ্মা, মামনি বৰ্মন, শিখা শৰ্মা, গুনীন শৰ্মা, শ্যামল কলিতাৰ লগতে স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। অনুষ্ঠানত বক্তাসকলে কয় যে, ভাৰত ২০১৪ চনৰ পৰা পলিঅ'মুক্ত দেশ হিচাপে স্বীকৃত। বিশ্ব স্বাস্থ্য সংস্থাই (WHO) ভাৰতক পলিঅ'মুক্ত দেশ হিচাপে স্বীকৃতি দিলেও বিশ্বৰ কিছুমান দেশত এতিয়াও পলিঅ'ৰ উপস্থিতি থকাৰ বাবে এই ৰোগ পুনৰ ভাৰতলৈ প্ৰৱেশ কৰাৰ আশংকা নুই কৰিব নোৱাৰি। সেয়েহে ৫ বছৰৰ তলৰ প্ৰতিগৰাকী শিশুক পলিঅ' প্ৰতিষেধক প্ৰদান কৰি ৰোগমুক্ত অৱস্থা অক্ষুণ্ণ ৰখাৰ লক্ষ্যৰে এই বিশেষ অভিযান ৰূপায়ণ কৰা হৈছে। জিলা টীকাকৰণ বিষয়া ডাঃ মনোজ কুমাৰ কাকতিয়ে জনোৱা মতে, আজি ২৮ জুনত জিলাখনৰ ৫৪৬টা বুথত পলিঅ' প্ৰতিষেধক প্ৰদান কৰা হৈছে। অহা ২৯ আৰু ৩০ জুনত স্বাস্থ্যকৰ্মীসকলে ঘৰে ঘৰে গৈ ৫ বছৰৰ তলৰ প্ৰতিটো শিশুক পলিঅ' প্ৰতিষেধক প্ৰদান কৰিব। ইয়াৰ পিছতে LHS বীণাপাণি ডেকাই সংবাদ মাধ্যমক উদ্দেশ্যি প্ৰতিগৰাকী ০-৫ বছৰৰ ল'ৰা ছোৱালীক দুটোপাল প'লিঅ' খুৱাই শিশুটিৰ ভৱিষ্যতে প'লিঅ' মুক্ত কৰিবলৈ অভিভাৱক অভিভাৱিকা সকলক আহ্বান জনায়। এই অভিযানৰ জৰিয়তে নলবাৰী জিলাৰ মুঠ ১, ০০, ৮৮৮ গৰাকী ৫ বছৰৰ তলৰ শিশুক পলিঅ' প্ৰতিষেধক প্ৰদান কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। স্বাস্থ্য বিভাগে সকলো অভিভাৱকক নিজৰ সন্তানক অৱশ্যেই পলিঅ'ৰ টোপাল খুৱাই এই জনস্বাস্থ্য অভিযান সফল কৰি তুলিবলৈ আহ্বান জনাইছে।

# ১২ জুলাইত জাঁজী আঞ্চলিক ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন অনুষ্ঠানৰ আয়োজন

**অসম বাৰ্তা, জাঁজী, ২৮ জুন ঃ** শিৱসাগৰ জিলাৰ জাঁজী আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক কলা, বাণিজ্য, বিজ্ঞান শাখাৰ চূড়ান্ত পৰীক্ষাত কৃতিত্ব সহকাৰে উত্তিৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী সকলক অভিনন্দন জনোৱা উদ্দেশ্য বিগত বৰ্ষ সমূহৰ দৰে এইবাৰো অহা ১২ জুলাইত এক বিশেষ অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ লগতে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৬০ শতাংশ উৰ্দ্ধৰ নম্বৰ সহ উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী সকলক অভিনন্দন জনোৱা হ'ব। কাৰ্যসূচী অনুসৰি সভাৰ উদেশ্য ব্যাখ্যাৰ পাছতেই অভিনন্দন অনুষ্ঠান উদ্বোধন, বিশিষ্ট অতিথিৰ ভাষণ, অভিনন্দন আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। সেয়েহে জাঁজী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অংকুৰ শইকীয়া, সাধাৰণ সম্পাদক ৰোমান জ্যোতি বৰা, আৰু শিক্ষা সম্পাদক অবিনাশ বৰাই সকলো জাঁজীবাসী ৰাইজৰ সহযোগিতা কামনা কৰিছে।

**শিৱসাগৰ জিলাৰ ৰূপম শইকীয়া সহ-সম্পাদক হিচাপে নিৰ্বাচিত**

# সদৌ অসম বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থাৰ সাধাৰণ সভা

**অসম বাৰ্তা, নাজিৰা, ২৮ জুন ঃ** সদৌ অসম বিদ্যালয় সমূহৰ চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থাৰ এখন সাধাৰণ সভা আজি ৰঙিয়াত অনুষ্ঠিত হয়। সভাখনত অসমৰ প্ৰতিখন জিলাৰ পৰা প্ৰায় তিনি শতাধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। সভাত সভাপতিত্ব কৰে ধনেশ্বৰ কৈৱৰ্তই আৰু সভাখন আঁত ধৰে কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক অংকুৰ শৰ্মাই। সভাত সন্থাৰ নতুনকৈ কেইবাগৰাকী বিষয়ববীয়াক নিৰ্বাচিত কৰা হয়। ইয়াৰ ভিতৰত শিৱসাগৰ জিলাৰ নাজিৰাৰ ৰূপম শইকীয়াক সহ-সম্পাদক হিচাপে নিৰ্বাচিত কৰা হয়। আনহাতে প্ৰচাৰ সম্পাদক হিচাপে যুগল গগৈ আৰু ৰাজু কলিতাক নিৰ্বাচিত কৰা হয়। কাৰ্যনিৰ্বাহ সদস্য হিচাপে নিৰ্বাচিত হয় দ্বীপজ্যোতি লিকচন আৰু অনুজ বৰপাত্ৰগোহাঁই। সভাত চতুৰ্থ বৰ্গৰ কৰ্মচাৰী সকলৰ বিভিন্ন সমস্যা সমাধানৰ ওপৰত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

## সম্পাদকীয়

# ডিজি লকাৰ সংযুক্তিকৰণ; স্বচ্ছ নিযুক্তিৰ এক পদক্ষেপ

ভাৰত চৰকাৰৰ ডিজিটেল ইণ্ডিয়া অভিযানৰ অধীনত ডিজি লকাৰ (DigiLocker) হৈছে এক গুৰুত্বপূৰ্ণ ডিজিটেল প্লেটফৰ্ম, যি নাগৰিকসকলক তেওঁলোকৰ গুৰুত্বপূৰ্ণ দস্তাবেজসমূহ ক্লাউডভিত্তিক সুৰক্ষিত ব্যৱস্থাত সংৰক্ষণ কৰাৰ সুবিধা প্ৰদান কৰে। অসম চৰকাৰে এই প্লেটফৰ্মখনক ৰাজ্যৰ ৫০০ৰো অধিক সেৱাৰ সৈতে সংযুক্ত কৰিছে। তাৎপৰ্য্যণিকভাৱে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শেহতীয়াকৈ অসম লোকসেৱা আয়োগ (APSC)ক ডিজি লকাৰৰ সৈতে সম্পূৰ্ণৰূপে সংযুক্ত কৰাৰ কথা ঘোষণা কৰে। এই সিদ্ধান্তই ৰাজ্যৰ চৰকাৰী নিয়োগ প্ৰক্ৰিয়াত এক যুগান্তকাৰী পৰিৱৰ্তনৰ সূচনা কৰিছে বুলি ক'ব পাৰি।

ডিজি লকাৰৰ সৈতে APSCৰ সংযোগে প্ৰমাণপত্ৰ পৰীক্ষণ প্ৰক্ৰিয়াত বহু স্তৰত সুবিধা কঢ়িয়াই আনিছে। প্ৰথমতে, এই ব্যৱস্থাই কাগজ-পত্ৰৰ ওজন হ্ৰাস কৰি সম্পূৰ্ণৰূপে কাগজবিহীন (paperless) পৰীক্ষণ সম্ভৱ কৰি তুলিছে। পৰীক্ষাৰ্থীসকলে এতিয়া আয়োগত বহু সংখ্যক কাগজী প্ৰমাণপত্ৰ দাখিল কৰাৰ প্ৰয়োজন নাই; আয়োগে প্ৰত্যক্ষভাৱে ডিজি লকাৰত সংৰক্ষিত প্ৰমাণপত্ৰসমূহ সুৰক্ষিতভাৱে পৰীক্ষা কৰিব পাৰিব। দ্বিতীয়তে, এই ডিজিটেল পৰীক্ষণ ব্যৱস্থাই প্ৰমাণপত্ৰ জাল-জালিয়াতি আৰু পৰিচয় গোপন কৰি নিয়োগ লাভ কৰাৰ সম্ভাৱনা প্ৰায় শূন্যলৈ নামি আনিছে। ডিজি লকাৰত সংৰক্ষিত প্ৰমাণপত্ৰসমূহ চৰকাৰীভাৱে প্ৰামাণিকীকৃত (authenticated) আৰু ক্ৰিপ্ট'গ্ৰাফিকভাৱে সুৰক্ষিত, যাৰ বাবে ইয়াক নকল কৰা বা বিকৃত কৰা অসম্ভৱ প্ৰায়। তৃতীয়তে, এই ব্যৱস্থাই পৰীক্ষাৰ্থীসকলৰ মূল্যৱান সময় আৰু আৰ্থিক ব্যয় ৰাহি কৰাৰ লগতে প্ৰমাণপত্ৰ সম্পৰ্কীয় আইনী জটিলতা বহুলাংশে হ্ৰাস কৰিব। চতুৰ্থতে, সম্পূৰ্ণ ডিজিটেল প্ৰক্ৰিয়াটোৱে স্বচ্ছতা বৃদ্ধি কৰি নিয়োগ প্ৰক্ৰিয়াত ৰাইজৰ আস্থা সুদৃঢ় কৰাত সহায় কৰিব। ইয়াৰ লগতে, এই পদক্ষেপে অসম চৰকাৰৰ 'স্মাৰ্ট শাসন' প্ৰতিষ্ঠাৰ প্ৰতিশ্ৰুতিক প্ৰতিফলিত কৰে। ডিজিটেল প্ৰযুক্তিৰ শক্তিক কামত লগাই চৰকাৰী সেৱা প্ৰদান অধিক সুবিধাজনক, স্বচ্ছ আৰু নিৰ্ভৰযোগ্য কৰি তোলাৰ দিশত এই পদক্ষেপ এক উল্লেখনীয় অগ্ৰগতি।

তথাপি, যিকোনো ডিজিটেল ব্যৱস্থাৰ দৰে ইয়াৰো কিছু সম্ভাব্য চ্যালেঞ্জৰ প্ৰতি সজাগ থকা প্ৰয়োজন। ডিজি লকাৰ ব্যৱস্থাটো সম্পূৰ্ণৰূপে ইণ্টাৰনেট সংযোগ আৰু ডিজিটেল সাক্ষৰতাৰ ওপৰত নিৰ্ভৰশীল। ৰাজ্যৰ দূৰৱৰ্তী অঞ্চল বা প্ৰান্তিক জনগোষ্ঠীৰ পৰীক্ষাৰ্থীসকলৰ বাবে ইণ্টাৰনেট সুবিধা আৰু ডিজিটেল সাক্ষৰতা এতিয়াও এক গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান। চৰকাৰে এইসকল পৰীক্ষাৰ্থীক ডিজি লকাৰ ব্যৱহাৰৰ ক্ষেত্ৰত প্ৰয়োজনীয় প্ৰশিক্ষণ আৰু সহায় প্ৰদানৰ ব্যৱস্থা কৰাটো অত্যন্ত জৰুৰী। লগতে, ডিজিটেল প্লেটফৰ্মসমূহ সদায় চাইবাৰ সুৰক্ষা ভাবুকিৰ সন্মুখীন হয়; গতিকে APSC আৰু তথ্য প্ৰযুক্তি বিভাগে ডিজি লকাৰ ব্যৱস্থাটোৰ সুৰক্ষা আৰু গোপনীয়তা ৰক্ষাৰ বাবে নিৰন্তৰ প্ৰহৰা আৰু আধুনিকীকৰণ অব্যাহত ৰখাটো প্ৰয়োজনীয়।

এটা গুৰুত্বপূৰ্ণ দিশ হৈছে, ডিজি লকাৰৰ জৰিয়তে প্ৰমাণপত্ৰ পৰীক্ষণ সম্পূৰ্ণৰূপে স্বয়ংক্ৰিয় হ'লেও, প্ৰকৃত বুদ্ধিমত্তা আৰু যোগ্যতাৰ মূল্যায়ন এতিয়াও পৰীক্ষা আৰু সাক্ষাৎকাৰৰ ওপৰতেই নিৰ্ভৰশীল। সেয়েহে, প্ৰযুক্তিগত স্বচ্ছতাৰ লগতে নিয়োগ প্ৰক্ৰিয়াৰ অন্যান্য স্তৰসমূহো সমানভাৱে স্বচ্ছ আৰু ন্যায্য হোৱাটো নিশ্চিত কৰিব লাগিব। অসম লোকসেৱা আয়োগৰ সৈতে ডিজি লকাৰ সংযুক্তিকৰণে ৰাজ্যৰ নিয়োগ প্ৰক্ৰিয়াত এক নতুন অধ্যায়ৰ সূচনা কৰিছে। প্ৰমাণপত্ৰ জালিয়াতিৰ যি দীৰ্ঘদিনীয়া সমস্যা আছিল, তাৰ সমাধানৰ বাবে এই পদক্ষেপ অতি প্ৰশংসনীয়। অসমৰ মেধাৱী যুৱক-যুৱতীসকলৰ বাবে এখন স্বচ্ছ, নিৰ্ভৰযোগ্য আৰু সুবিধাজনক নিয়োগ প্ৰক্ৰিয়া নিশ্চিত কৰাৰ দিশত এই পদক্ষেপ এক মাইলৰ খুঁটি হিচাপে গণ্য হ'ব। ডিজিটেল শাসনৰ এই অগ্ৰযাত্ৰাই অসমক এক আধুনিক আৰু প্ৰযুক্তি-বান্ধৱী ৰাজ্য হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত এক উল্লেখযোগ্য অৱদান আগবঢ়াব বুলি আমি আশাবাদী।



# শিক্ষাত বিশ্বায়নৰ প্ৰভাৱ
## কিছু প্ৰাসংগিক চিন্তা

*বিশ্বায়নৰ ফলত শিক্ষাৰ্থীসকলে বিদেশত শিক্ষা গ্ৰহণৰ সুযোগ সহজে লাভ কৰিব পাৰিছে। উদাহৰণস্বৰূপে, ভাৰতৰ শিক্ষাৰ্থীসকলৰ মাজত আমেৰিকা, যুক্তৰাজ্য, কানাডা আৰু অষ্ট্ৰেলিয়াৰ বিশ্ববিদ্যালয়ত পঢ়াৰ প্ৰৱণতা বৃদ্ধি পাইছে। প্ৰতি বছৰে প্ৰায় ১০ লাখৰো অধিক ভাৰতীয় শিক্ষাৰ্থী উচ্চ শিক্ষাৰ বাবে বিদেশলৈ যায়। একেদৰে, শিক্ষকসকলেও বিভিন্ন দেশৰ শিক্ষা প্ৰতিষ্ঠানত কাম কৰাৰ সুযোগ লাভ কৰিছে। এই গতিশীলতাই শিক্ষাৰ্থী আৰু শিক্ষকসকলক বিভিন্ন সংস্কৃতি, শিক্ষণ পদ্ধতি আৰু জীৱনশৈলীৰ সৈতে পৰিচিত হোৱাৰ সুযোগ প্ৰদান কৰিছে। উদাহৰণস্বৰূপে, এজন ভাৰতীয় শিক্ষাৰ্থীয়ে আমেৰিকাত পঢ়ি সেই দেশৰ ব্যক্তিবাদী সংস্কৃতিৰ সৈতে পৰিচিত হ'ব পাৰে, আৰু এজন আমেৰিকান শিক্ষকে ভাৰতত কাম কৰি এই দেশৰ সমষ্টিবাদী সমাজৰ বিষয়ে জানিব পাৰে। এই প্ৰক্ৰিয়াই শিক্ষাৰ্থীসকলৰ মাজত আন্তঃসাংস্কৃতিক বুজাবুজি আৰু সহনশীলতা বৃদ্ধি কৰিছে।*

বিশ্বায়নৰ ধাৰণাটোৱে বিশ্বৰ বিভিন্ন অঞ্চলৰ মাজত অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু প্ৰযুক্তিগত সংযোগৰ বৃদ্ধিক বুজায়। এই সংযোগৰ ফলত শিক্ষাৰ ক্ষেত্ৰত নতুন দিগন্তৰ উন্মোচন ঘটিছে, একে সময়তে নতুন প্ৰত্যাহ্বানো সৃষ্টি কৰিছে। সম্প্ৰতি বিশ্বায়নৰ প্ৰভাৱৰ ফলত শিক্ষাৰ পাঠ্যক্ৰমৰ গঠন আৰু বিষয়বস্তুত এক যুগান্তকাৰী পৰিৱৰ্তন ঘটিছে। পূৰ্বৰ শিক্ষা ব্যৱস্থা প্ৰধানকৈ স্থানীয় সংস্কৃতি, ইতিহাস আৰু সমাজৰ ওপৰত নিৰ্ভৰশীল আছিল। উদাহৰণস্বৰূপে, ভাৰতৰ পৰম্পৰাগত শিক্ষা ব্যৱস্থাত বেদ, উপনিষদ, আৰু স্থানীয় ভাষাৰ সাহিত্যৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। কিন্তু বিশ্বায়নৰ আগমনৰ পিছত পাঠ্যক্ৰমৰ আন্তঃৰাষ্ট্ৰীয়কৰণৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হৈছে। এতিয়া শিক্ষাৰ্থীসকলক এনে এক শিক্ষা প্ৰদান কৰাৰ প্ৰয়াস কৰা হয় যিয়ে তেওঁলোকক বিশ্বৰ বিভিন্ন অঞ্চলৰ অৰ্থনৈতিক, সামাজিক আৰু পৰিৱেশগত বিষয়ৰ সৈতে সংযোগ স্থাপন কৰিবলৈ সক্ষম কৰে। বৰ্তমান সময়ত বিশ্ব ইতিহাস, জলবায়ু পৰিৱৰ্তন, আন্তঃৰাষ্ট্ৰীয় বাণিজ্য, আৰু ডিজিটেল প্ৰযুক্তিৰ দৰে বিষয়সমূহ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছে। এই পৰিৱৰ্তনে শিক্ষাৰ্থীসকলৰ দৃষ্টিভংগীক বিশ্বমুখী কৰি তুলিছে আৰু তেওঁলোকক বিশ্ব নাগৰিক হিচাপে গঢ়ি তুলিবলৈ সহায় কৰিছে। তদুপৰি, বিশ্বমুখী দৃষ্টিভংগীয়ে শিক্ষাৰ্থীসকলক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিযোগিতা কৰিবলৈ প্ৰস্তুত কৰে।

কিন্তু এই প্ৰক্ৰিয়াৰ সৈতে কিছুমান জটিলতাও আছে। পাঠ্যক্ৰমৰ আন্তঃৰাষ্ট্ৰীয়কৰণৰ ফলত স্থানীয় সংস্কৃতি আৰু ঐতিহ্যৰ প্ৰতি গুৰুত্ব হ্ৰাস পোৱাৰ আশংকা দেখা দিছে। বহু সময়ত পশ্চিমীয়া শিক্ষাৰ মডেলৰ প্ৰভাৱত স্থানীয় জ্ঞান আৰু মূল্যবোধৰ প্ৰতি অৱহেলা কৰা হয়। উদাহৰণস্বৰূপে, ভাৰতৰ শিক্ষা ব্যৱস্থাত ইংৰাজী সাহিত্য আৰু পশ্চিমীয়া দৰ্শনৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়, কিন্তু সংস্কৃত সাহিত্য বা ভাৰতীয় দৰ্শনৰ দৰে বিষয়বস্তু প্ৰায়ে পিছুৱাই পৰে। এই পৰিস্থিতিয়ে সাংস্কৃতিক স্বতন্ত্ৰতাৰ ক্ষয়ৰ সৃষ্টি কৰিছে। শিক্ষাৰ্থীসকলৰ মাজত নিজৰ সংস্কৃতিৰ প্ৰতি গৌৰৱৰ অভাৱ দেখা দিছে, আৰু তেওঁলোকৰ মনত পশ্চিমীয়া জীৱনশৈলী আৰু চিন্তাধাৰাৰ প্ৰতি আকৰ্ষণ বৃদ্ধি পাইছে। এই সমস্যাৰ সমাধানৰ বাবে পাঠ্যক্ৰমত স্থানীয় আৰু বিশ্বমুখী বিষয়ৰ মাজত ভাৰসাম্য ৰক্ষা কৰাৰ প্ৰয়োজন। শিক্ষাৰ্থীসকলে যাতে বিশ্বৰ বিভিন্ন বিষয়ৰ সৈতে পৰিচিত হ'ব পাৰে, কিন্তু একে সময়তে নিজৰ সাংস্কৃতিক শিপাৰ সৈতেও সংযুক্ত থাকিব পাৰে, তাৰ বাবে শিক্ষা নীতি নিৰ্ধাৰকসকলক সজাগ হ'ব লাগিব।

ইণ্টাৰনেটৰ উত্থানৰ ফলত শিক্ষাৰ প্ৰৱেশযোগ্যতা বৃদ্ধি পাইছে। এতিয়া শিক্ষাৰ্থীসকলে ঘৰত বহি থাকিয়েই বিশ্বৰ শীৰ্ষ শিক্ষা প্ৰতিষ্ঠানৰ পৰা জ্ঞান আহৰণ কৰিব পাৰে। উদাহৰণস্বৰূপে, কোৰ্চেৰা, ইডেস্ক, আৰু উডেমিৰ দৰে অনলাইন প্লেটফৰ্মে হাৰ্ভাৰ্ড, এমআইটি, বা অ'ক্সফৰ্ডৰ দৰে বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম সাধাৰণ মানুহৰ বাবে উপলব্ধ কৰি তুলিছে। এই প্ৰযুক্তিগত অগ্ৰগতিয়ে শিক্ষাৰ গণতান্ত্ৰিকৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।



হিমাংশু ৰঞ্জন ভূঞা

গ্ৰাম্য অঞ্চলৰ শিক্ষাৰ্থীসকলেও এতিয়া এনে শিক্ষাৰ সুবিধা লাভ কৰিব পাৰে, যিটো পূৰ্বতে কেৱল নগৰীয়া বা অৰ্থনৈতিকভাৱে সমৃদ্ধ শ্ৰেণীৰ বাবে সীমাবদ্ধ আছিল। উদাহৰণস্বৰূপে, ভাৰতৰ দূৰৱৰ্তী গ্ৰামাঞ্চলৰ এজন শিক্ষাৰ্থীয়ে ইণ্টাৰনেটৰ সহায়ত প্ৰোগ্ৰামিং বা ব্যৱসায় পৰিচালনাৰ দৰে বিষয় শিকিব পাৰে, যিটো পূৰ্বতে অকল্পনীয় আছিল। কিন্তু এই প্ৰযুক্তিগত বিপ্লৱৰ সৈতে কিছুমান গুৰুতৰ প্ৰত্যাহ্বানো আহিছে। ডিজিটেল ডিভাইড বা প্ৰযুক্তিৰ প্ৰৱেশৰ অসমতাই শিক্ষাৰ ক্ষেত্ৰত অসমতা বৃদ্ধি কৰিছে। উদাহৰণস্বৰূপে, উন্নত দেশসমূহত উচ্চ গতিৰ ইণ্টাৰনেট আৰু আধুনিক ডিভাইচৰ সহজ উপলব্ধতা থকাৰ বিপৰীতে, উন্নয়নশীল দেশৰ গ্ৰাম্য অঞ্চলত এই সুবিধা এতিয়াও সীমিত। ভাৰতৰ দৰে দেশত নগৰ আৰু গ্ৰামৰ মাজত ডিজিটেল সাক্ষৰতাৰ পাৰ্থক্য স্পষ্ট। এই অসমতাই শিক্ষাৰ সুযোগৰ বৈষম্য সৃষ্টি কৰিছে, যাৰ ফলত ধনী আৰু দৰিদ্ৰ শ্ৰেণীৰ মাজত শিক্ষাৰ মানৰ পাৰ্থক্য বৃদ্ধি পাইছে। ইয়াৰ উপৰিও, অনলাইন শিক্ষাৰ অত্যধিক নিৰ্ভৰশীলতাই শিক্ষক-শিক্ষাৰ্থীৰ মুখামুখি যোগাযোগৰ গুৰুত্ব হ্ৰাস কৰিব পাৰে। শিক্ষাৰ এটা গুৰুত্বপূৰ্ণ দিশ হৈছে শিক্ষকৰ পৰা প্ৰত্যক্ষ পথ প্ৰদৰ্শন আৰু সামাজিক মিথস্ক্ৰিয়া, যিটো অনলাইন শিক্ষাত সম্পূৰ্ণৰূপে প্ৰতিষ্ঠাপন কৰা সম্ভৱ নহয়। উদাহৰণস্বৰূপে, কোভিড-১৯ মহামাৰীৰ সময়ত অনলাইন শিক্ষাৰ ওপৰত নিৰ্ভৰ কৰা হৈছিল, কিন্তু বহু শিক্ষাৰ্থীয়ে শাৰীৰিক শ্ৰেণীকোঠাৰ অভিজ্ঞতাৰ অভাৱ অনুভৱ কৰিছিল। সেয়েহে প্ৰযুক্তিৰ সুবিধা গ্ৰহণ কৰাৰ লগতে ইয়াৰ সীমাবদ্ধতাৰ প্ৰতিও সচেতন হোৱাৰ প্ৰয়োজন।

বিশ্বায়নৰ ফলত শিক্ষাৰ বাণিজ্যিকৰণ তীব্ৰভাৱে বৃদ্ধি পাইছে, যিয়ে শিক্ষাৰ প্ৰকৃতি আৰু উদ্দেশ্যক পৰিৱৰ্তন কৰিছে। পূৰ্বতে শিক্ষাক জ্ঞানৰ বিনিময়ৰ এক পবিত্ৰ মাধ্যম হিচাপে গণ্য কৰা হৈছিল, কিন্তু এতিয়া ই এটা বৃহৎ ব্যৱসায়ৰ ৰূপ লৈছে। বহু দেশত ব্যক্তিগত শিক্ষা প্ৰতিষ্ঠানৰ সংখ্যা বৃদ্ধি পাইছে, আৰু আন্তঃৰাষ্ট্ৰীয় বিশ্ববিদ্যালয়সমূহে বিভিন্ন দেশত নিজৰ শাখা প্ৰতিষ্ঠা কৰিছে। উদাহৰণস্বৰূপে, আমেৰিকাৰ নিউয়ৰ্ক বিশ্ববিদ্যালয়ে আবুধাবিত আৰু চীনত কেম্পাছ স্থাপন কৰিছে। একেদৰে, অষ্ট্ৰেলিয়াৰ মোনাশ বিশ্ববিদ্যালয়ে মালয়েছিয়াত শাখা খুলিছে। এই প্ৰক্ৰিয়াই শিক্ষাৰ মান উন্নত কৰাৰ লগতে শিক্ষাৰ্থীসকলৰ বাবে অধিক বিকল্পৰ সৃষ্টি কৰিছে। ভাৰতৰ দৰে দেশতো ব্যক্তিগত বিশ্ববিদ্যালয় যেনে আমিটি আৰু আশোকা বিশ্ববিদ্যালয়ে আন্তঃৰাষ্ট্ৰীয় মানৰ শিক্ষা প্ৰদান কৰি শিক্ষাৰ বজাৰক সমৃদ্ধ কৰিছে। কিন্তু শিক্ষাৰ বাণিজ্যিকৰণৰ ফলত শিক্ষাৰ ব্যয় বৃদ্ধি পাইছে, যাৰ ফলত নিম্ন আৰু মধ্যবিত্ত শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ বাবে উচ্চ শিক্ষা গ্ৰহণ কৰা কঠিন হৈ পৰিছে। উদাহৰণস্বৰূপে, আমেৰিকাত কোনো কোনো ব্যক্তিগত বিশ্ববিদ্যালয়ৰ বাৰ্ষিক মাচুল ৫০, ০০০ ডলাৰৰ ওপৰত যিটো সাধাৰণ পৰিয়ালৰ বাবে অতি ব্যয়বহুল। ভাৰততো ব্যক্তিগত ইঞ্জিনিয়াৰিং বা মেডিকেল কলেজৰ মাচুল বহু পৰিয়ালৰ সাধ্যৰ বাহিৰত। ইয়াৰ ফলত শিক্ষা এটা বিলাসী সামগ্ৰীৰ ৰূপ ল'বলৈ আৰম্ভ কৰিছে, যিটো পূৰ্বতে সকলোৰে মৌলিক অধিকাৰ হিচাপে গণ্য কৰা হৈছিল। ইয়াৰ উপৰিও, বাণিজ্যিকৰণৰ ফলত শিক্ষাৰ মূল উদ্দেশ্য—জ্ঞানৰ বিকাশ আৰু ব্যক্তিত্বৰ গঠন—পিছুৱাই পৰিছে। বহু শিক্ষা প্ৰতিষ্ঠানে এতিয়া বজাৰৰ চাহিদা অনুসৰি পাঠ্যক্ৰম ডিজাইন কৰে। উদাহৰণস্বৰূপে, কম্পিউটাৰ বিজ্ঞান আৰু ব্যৱসায় পৰিচালনাৰ দৰে বিষয়ৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়, কিন্তু ইতিহাস, দৰ্শন বা সাহিত্যৰ দৰে মানবীয় বিজ্ঞানৰ বিষয়সমূহ প্ৰায়ে অৱহেলিত হয়। এই পৰিৱৰ্তনে শিক্ষাৰ সামগ্ৰিক দৃষ্টিভংগীক সংকীৰ্ণ কৰি তুলিছে আৰু ইয়াক কেৱল কৰ্মক্ষেত্ৰৰ প্ৰশিক্ষণৰ মাধ্যমলৈ পৰিণত কৰিছে।

বিশ্বায়নৰ ফলত শিক্ষাৰ্থীসকলে বিদেশত শিক্ষা গ্ৰহণৰ সুযোগ সহজে লাভ কৰিব পাৰিছে। উদাহৰণস্বৰূপে, ভাৰতৰ শিক্ষাৰ্থীসকলৰ মাজত আমেৰিকা, যুক্তৰাজ্য, কানাডা আৰু অষ্ট্ৰেলিয়াৰ বিশ্ববিদ্যালয়ত পঢ়াৰ প্ৰৱণতা বৃদ্ধি পাইছে। প্ৰতি বছৰে প্ৰায় ১০ লাখৰো অধিক ভাৰতীয় শিক্ষাৰ্থী উচ্চ শিক্ষাৰ বাবে বিদেশলৈ যায়। একেদৰে, শিক্ষকসকলেও বিভিন্ন দেশৰ শিক্ষা প্ৰতিষ্ঠানত কাম কৰাৰ সুযোগ লাভ কৰিছে। এই গতিশীলতাই শিক্ষাৰ্থী আৰু শিক্ষকসকলক বিভিন্ন সংস্কৃতি, শিক্ষণ পদ্ধতি আৰু জীৱনশৈলীৰ সৈতে পৰিচিত হোৱাৰ সুযোগ প্ৰদান কৰিছে। উদাহৰণস্বৰূপে, এজন ভাৰতীয় শিক্ষাৰ্থীয়ে আমেৰিকাত পঢ়ি সেই দেশৰ ব্যক্তিবাদী সংস্কৃতিৰ সৈতে পৰিচিত হ'ব পাৰে, আৰু এজন আমেৰিকান শিক্ষকে ভাৰতত কাম কৰি এই দেশৰ সমষ্টিবাদী সমাজৰ বিষয়ে জানিব পাৰে। এই প্ৰক্ৰিয়াই শিক্ষাৰ্থীসকলৰ মাজত আন্তঃসাংস্কৃতিক বুজাবুজি আৰু সহনশীলতা বৃদ্ধি কৰিছে।

কিন্তু ইয়াৰো কিছুমান নেতিবাচক দিশ আছে। উন্নয়নশীল দেশৰ প্ৰতিভাৱান শিক্ষাৰ্থী আৰু শিক্ষকসকলে প্ৰায়ে উন্নত দেশলৈ প্ৰব্ৰজন কৰে, যাৰ ফলত স্থানীয় শিক্ষা ব্যৱস্থাৰ ক্ষতি হয়। এই "ব্ৰেইন ড্ৰেইন" সমস্যা ভাৰতৰ দৰে দেশৰ বাবে এক গুৰুতৰ প্ৰত্যাহ্বান। উদাহৰণস্বৰূপে, ভাৰতৰ শ্ৰেষ্ঠ ইঞ্জিনিয়াৰ আৰু ডাক্তৰসকলৰ বহুতেই আমেৰিকা বা ইউৰোপত কাম কৰিবলৈ পছন্দ কৰে, যাৰ ফলত দেশৰ ভিতৰত প্ৰতিভাৰ অভাৱ দেখা দিয়ে। এই প্ৰব্ৰজনে উন্নয়নশীল দেশসমূহৰ শিক্ষাৰ মান আৰু অৰ্থনৈতিক উন্নয়নত বাধাৰ সৃষ্টি কৰিছে। এই সমস্যাৰ সমাধানৰ বাবে স্থানীয় শিক্ষা ব্যৱস্থাৰ উন্নতি আৰু প্ৰতিভাৰ প্ৰব্ৰজন ৰোধৰ বাবে প্ৰণোদনা প্ৰদানৰ প্ৰয়োজন।

ভাষাৰ ক্ষেত্ৰত শৈক্ষিক দিশত আহি পৰা বিশ্বায়নৰ প্ৰভাৱ এক গুৰুত্বপূৰ্ণ দিশ। ইংৰাজী ভাষা এতিয়া বিশ্বৰ বহু দেশৰ শিক্ষা ব্যৱস্থাৰ এক অপৰিহাৰ্য অংশ হৈ পৰিছে। ভাৰতৰ দৰে দেশত ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ সংখ্যা দিনক দিনে বৃদ্ধি পাইছে। উচ্চ শিক্ষাৰ ক্ষেত্ৰত ইংৰাজীৰ প্ৰাধান্য আৰু অধিক স্পষ্ট। ইংৰাজী জানিলে শিক্ষাৰ্থীসকলে আন্তঃৰাষ্ট্ৰীয় বজাৰত প্ৰতিযোগিতা কৰাৰ ক্ষেত্ৰত সুবিধা লাভ কৰে। উদাহৰণস্বৰূপে, ইংৰাজীত দক্ষ এজন শিক্ষাৰ্থীয়ে আন্তঃৰাষ্ট্ৰীয় কোম্পানীত চাকৰিৰ সুযোগ সহজে লাভ কৰিব পাৰে। কিন্তু এই প্ৰক্ৰিয়াত স্থানীয় ভাষা আৰু সংস্কৃতিৰ প্ৰতি অৱহেলাৰ আশংকা থাকে। ভাৰতত বহু শিক্ষাৰ্থীয়ে ইংৰাজী শিক্ষাৰ প্ৰতি অধিক গুৰুত্ব দিয়ে, আৰু তেওঁলোকৰ মাতৃভাষা যেনে হিন্দী, তামিল বা অসমীয়াৰ প্ৰতি আগ্ৰহ হ্ৰাস পায়। এই পৰিস্থিতিয়ে ভাষিক বৈচিত্ৰ্যৰ ক্ষয়ৰ সৃষ্টি কৰিব পাৰে। ইউনেস্কোৰ মতে, বিশ্বত প্ৰতি দুসপ্তাহৰ মূৰে মূৰে এটা ভাষা লুপ্ত হৈ গৈছে, আৰু বিশ্বায়নৰ এই প্ৰভাৱ তাৰ এটা কাৰণ। স্থানীয় ভাষাৰ প্ৰতি গুৰুত্ব হ্ৰাস পালে সাংস্কৃতিক ঐতিহ্যৰ এক গুৰুত্বপূৰ্ণ অংশ হেৰাই যোৱাৰ আশংকা থাকে। এই সমস্যাৰ সমাধানৰ বাবে শিক্ষা ব্যৱস্থাত বহুভাষিক শিক্ষাৰ প্ৰচলন কৰাৰ প্ৰয়োজন, যাতে শিক্ষাৰ্থীসকলে ইংৰাজীৰ লগতে নিজৰ মাতৃভাষাও শিকিব পাৰে।

এতিয়া শিক্ষা প্ৰতিষ্ঠানসমূহত বিভিন্ন সংস্কৃতিৰ শিক্ষাৰ্থী আৰু শিক্ষকৰ সংখ্যা বৃদ্ধি পাইছে। উদাহৰণস্বৰূপে, আমেৰিকাৰ বিশ্ববিদ্যালয়সমূহত এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধি পাইছে। ভাৰতৰ শীৰ্ষ শিক্ষা প্ৰতিষ্ঠান যেনে আইআইটি আৰু আইআইএমতো বিদেশী শিক্ষাৰ্থীৰ সংখ্যা ক্ৰমান্বয়ে বাঢ়িছে। এই বৈচিত্ৰ্যই শিক্ষাৰ্থীসকলক বিভিন্ন সংস্কৃতিৰ প্ৰতি সন্মান আৰু সহনশীলতা গঢ়ি তুলিবলৈ সহায় কৰিছে। উদাহৰণস্বৰূপে, এজন হিন্দু শিক্ষাৰ্থীয়ে মুছলমান সহপাঠীৰ পৰা তেওঁলোকৰ ধৰ্মীয় অনুষ্ঠানৰ বিষয়ে জানিব পাৰে, আৰু এজন চীনা শিক্ষাৰ্থীয়ে ভাৰতীয় সহপাঠীৰ পৰা ভাৰতীয় উৎসৱৰ বিষয়ে শিকিব পাৰে। এই আন্তঃসাংস্কৃতিক শিক্ষাই শিক্ষাৰ্থীসকলক বিশ্বৰ বিভিন্ন সমস্যাৰ প্ৰতি সংবেদনশীল কৰি তুলিছে। কিন্তু এই বৈচিত্ৰ্যৰ সৈতে সাংস্কৃতিক সংঘাতৰ সম্ভাৱনাও বৃদ্ধি পাইছে। উদাহৰণস্বৰূপে, বিভিন্ন ধৰ্মীয় বা সাংস্কৃতিক পটভূমিৰ শিক্ষাৰ্থীৰ মাজত মতভেদৰ সৃষ্টি হ'ব পাৰে। শিক্ষা প্ৰতিষ্ঠানসমূহে এই বৈচিত্ৰ্যৰ সৈতে মোকাবিলা কৰিবলৈ নতুন নীতি আৰু কৌশল গ্ৰহণ কৰিব লাগিব। শিক্ষকসকলক আন্তঃসাংস্কৃতিক শিক্ষণৰ প্ৰশিক্ষণ প্ৰদান কৰাৰ প্ৰয়োজনীয়তা বৃদ্ধি পাইছে। উদাহৰণস্বৰূপে, শিক্ষকসকলক বিভিন্ন সংস্কৃতিৰ শিক্ষাৰ্থীৰ মানসিকতা বুজি তেওঁলোকৰ সৈতে সংযোগ স্থাপন কৰিবলৈ প্ৰশিক্ষণ দিয়া হ'ব লাগে। ইয়াৰ উপৰিও, শিক্ষা প্ৰতিষ্ঠানসমূহে এনে পাঠ্যক্ৰম প্ৰৱৰ্তন কৰিব লাগে যিয়ে সাংস্কৃতিক সংবেদনশীলতা আৰু বৈচিত্ৰ্যৰ প্ৰতি সন্মানৰ শিক্ষা দিয়ে।

শিক্ষাত বিশ্বায়নৰ প্ৰভাৱৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হৈছে শিক্ষাৰ মানদণ্ডৰ আন্তঃৰাষ্ট্ৰীয়কৰণ। এতিয়া বহু দেশে আন্তঃৰাষ্ট্ৰীয় মানদণ্ডৰ ওপৰত ভিত্তি কৰি নিজৰ শিক্ষা ব্যৱস্থা গঢ়ি তুলিবলৈ চেষ্টা কৰিছে। উদাহৰণস্বৰূপে, PISA (Programme for International Student Assessment)ৰ দৰে পৰীক্ষাই বিভিন্ন দেশৰ শিক্ষাৰ্থীৰ দক্ষতাৰ তুলনা কৰে আৰু শিক্ষা ব্যৱস্থাৰ উন্নতিৰ বাবে নীতি প্ৰণয়নত সহায় কৰে। ভাৰততো NEP (National Education Policy) ২০২০ৰ জৰিয়তে শিক্ষাৰ মান আন্তঃৰাষ্ট্ৰীয় স্তৰলৈ উন্নীত কৰাৰ প্ৰয়াস কৰা হৈছে। এই প্ৰক্ৰিয়াই শিক্ষাৰ গুণগত মান বৃদ্ধি কৰাত সহায় কৰিছে। উদাহৰণস্বৰূপে, এতিয়া শিক্ষাৰ্থীসকলক সমালোচনাত্মক চিন্তাভাৱনা, সমস্যা সমাধান আৰু সৃজনশীলতাৰ দৰে দক্ষতা শিকোৱাৰ ওপৰত গুৰুত্ব দিয়া হয়, যিবোৰ আন্তঃৰাষ্ট্ৰীয় মানদণ্ডৰ অংশ। সমান্তৰালভাৱে এই প্ৰক্ৰিয়াই শিক্ষাৰ একৰূপীকৰণৰ আশংকাও সৃষ্টি কৰিছে। বহু দেশে নিজৰ স্থানীয় প্ৰয়োজনীয়তা আৰু পৰিস্থিতিৰ পৰিৱৰ্তে আন্তঃৰাষ্ট্ৰীয় মানদণ্ডৰ প্ৰতি অধিক গুৰুত্ব দিয়ে। উদাহৰণস্বৰূপে, ভাৰতৰ গ্ৰাম্য অঞ্চলৰ শিক্ষাৰ্থীৰ বাবে কৃষি বা স্থানীয় হস্তশিল্পৰ শিক্ষা অধিক প্ৰাসংগিক হ'ব পাৰে, কিন্তু আন্তঃৰাষ্ট্ৰীয় পাঠ্যক্ৰমত এই বিষয়সমূহৰ প্ৰতি গুৰুত্ব কম দিয়া হয়। ইয়াৰ ফলত স্থানীয় সমস্যাৰ প্ৰতি শিক্ষাৰ মনোযোগ হ্ৰাস পায়। এই সমস্যাৰ সমাধানৰ বাবে শিক্ষা ব্যৱস্থাত স্থানীয় আৰু বিশ্বমুখী মানদণ্ডৰ মাজত ভাৰসাম্য ৰক্ষা কৰাৰ প্ৰয়োজন।

বিশ্বায়নৰ প্ৰভাৱৰ ফলত শিক্ষাৰ উদ্দেশ্যৰো আমূল পৰিৱৰ্তন হৈছে। পূৰ্বতে শিক্ষাৰ মূল লক্ষ্য আছিল ব্যক্তিৰ বৌদ্ধিক আৰু নৈতিক বিকাশ। উদাহৰণস্বৰূপে, প্ৰাচীন ভাৰতত গুৰুকুল ব্যৱস্থাত শিক্ষাৰ্থীসকলক জ্ঞান, ধৰ্ম আৰু নৈতিকতাৰ শিক্ষা দিয়া হৈছিল। কিন্তু বিশ্বায়নৰ যুগত শিক্ষাৰ প্ৰধান উদ্দেশ্য হৈ পৰিছে শিক্ষাৰ্থীসকলক বিশ্ব বজাৰৰ প্ৰতিযোগিতাৰ বাবে প্ৰস্তুত কৰা। এতিয়া দক্ষতা-ভিত্তিক শিক্ষাৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়। উদাহৰণস্বৰূপে, শিক্ষাৰ্থীসকলক প্ৰোগ্ৰামিং, ডাটা এনালাইছিছ, আৰু যোগাযোগ দক্ষতাৰ দৰে বিষয় শিকোৱা হয়, যিবোৰ আধুনিক কৰ্মক্ষেত্ৰত অতি প্ৰয়োজনীয়। এই পৰিৱৰ্তনে শিক্ষাৰ্থীসকলক কৰ্মক্ষেত্ৰত সফলতা লাভ কৰাত সহায় কৰিছে, কিন্তু ইয়াৰ ফলত শিক্ষাৰ সামগ্ৰিক দৃষ্টিভংগী সংকীৰ্ণ হৈ পৰাৰ আশংকা থাকে। শিক্ষা এতিয়া কেৱল চাকৰিৰ প্ৰশিক্ষণৰ মাধ্যমলৈ পৰিণত হৈছে, আৰু ইয়াৰ মানৱীয় আৰু সাংস্কৃতিক দিশসমূহ পিছুৱাই পৰিছে।

বিশ্বায়নৰ প্ৰভাৱৰ সৈতে জড়িত নৈতিক প্ৰশ্নসমূহৰ বিষয়েও আমি চিন্তা কৰিব লাগিব। বিশ্বায়নৰ ফলত শিক্ষাৰ সুযোগ বৃদ্ধি পাইছে, কিন্তু ইয়াৰ সৈতে অসমতা, সাংস্কৃতিক ক্ষয়, আৰু বাণিজ্যিকৰণৰ দৰে সমস্যাও সৃষ্টি হৈছে। উদাহৰণস্বৰূপে, ধনী শ্ৰেণীয়ে উচ্চমানৰ শিক্ষাৰ সুবিধা লাভ কৰিব পাৰে, কিন্তু দৰিদ্ৰ শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ বাবে এই সুযোগ সীমিত হৈয়ে থাকে। একেদৰে, পশ্চিমীয়া শিক্ষাৰ প্ৰভাৱত স্থানীয় সংস্কৃতি আৰু ভাষাৰ ক্ষয় ঘটিছে। ইয়াৰ উপৰিও, শিক্ষাৰ বাণিজ্যিকৰণৰ ফলত ইয়াৰ মূল উদ্দেশ্য—মানৱীয় মূল্যবোধৰ বিকাশ আৰু সমাজৰ কল্যাণ—পিছুৱাই পৰাৰ আশংকা আছে। এই পৰিস্থিতিত শিক্ষা নীতি নিৰ্ধাৰকসকলৰ ওপৰত এটা গুৰুত্বপূৰ্ণ দায়িত্ব আহি পৰিছে। তেওঁলোকে বিশ্বায়নৰ সুবিধা গ্ৰহণ কৰাৰ লগতে ইয়াৰ নেতিবাচক প্ৰভাৱৰ পৰা স্থানীয় সমাজক ৰক্ষা কৰাৰ বাবে ভাৰসাম্যপূৰ্ণ পদ্ধতি গ্ৰহণ কৰিব লাগিব। উদাহৰণস্বৰূপে, স্থানীয় ভাষা আৰু সংস্কৃতিৰ শিক্ষাৰ ওপৰত গুৰুত্ব দিয়াৰ লগতে আন্তঃৰাষ্ট্ৰীয় দক্ষতাৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগিব।

সামৰণিত ক'ব পাৰি যে শিক্ষাৰ ক্ষেত্ৰত বিশ্বায়নৰ প্ৰভাৱ বহুমুখী আৰু জটিল। ই শিক্ষাৰ প্ৰৱেশযোগ্যতা, গুণগত মান আৰু বৈচিত্ৰ্য বৃদ্ধি কৰিছে, কিন্তু একে সময়তে অসমতা, সাংস্কৃতিক ক্ষয় আৰু বাণিজ্যিকৰণৰ দৰে প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। শিক্ষাৰ ক্ষেত্ৰত বিশ্বায়নৰ সুবিধা আৰু অসুবিধাৰ মাজত ভাৰসাম্য ৰক্ষা কৰি এনে এক শিক্ষা ব্যৱস্থা গঢ়ি তোলাৰ প্ৰয়োজন, যিয়ে শিক্ষাৰ্থীসকলক বিশ্ব নাগৰিক হিচাপে গঢ়ি তুলিবলৈ সক্ষম হয় আৰু একে সময়তে স্থানীয় সংস্কৃতি, ভাষা আৰু মূল্যবোধৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰে। এই ভাৰসাম্য ৰক্ষা কৰিব পাৰিলেহে শিক্ষাৰ প্ৰকৃত উদ্দেশ্য-মানৱতাৰ বিকাশ- সম্ভৱ হ'ব।

# ভ্ৰাম্যমাণৰ কিছু স্মৃতি আৰু কিছু অভিজ্ঞতা

## বিপুল চন্দ্ৰ দাস

সম্পাদক ডাঙৰীয়া

আমাৰ নহিৰা গাঁৱত সৰুতে ভ্ৰাম্যমাণ থিয়েটাৰ এখন নাটক চাইছিলো। নাটক খনৰ নাম কি তাকো ভালদৰে মনত নাই। সেই সময়ত আমাৰ হাতত পইচা নাছিল। গতিকে সৰু সৰু ল'ৰা বোৰে গেটৰ সন্মুখত এনেয়ে থিয় দি থাকো। নাটকৰ সংলাপ শুনি থাকো। নাটকৰ কিছু দৃশ্য যোৱাৰ পিছত দুই এজন কমিতিৰ মানুহে আমাক সোমাব দিয়ে। যিখিনি চাবলৈ পাওঁ তাকে চাওঁ। সেইখিনি চায়ে বহুত ফুৰ্তি। তেনে এটা কাহিনী বাৰুকৈয়ে মনত পৰি থাকে। সেইটো হ'ল তিনিজন বুঢ়া মানুহ বাটেৰে গৈ থাকে। এনেতে এজন মানুহে আগুচি ধৰে। হাতত যি আছে তাকে লাগে। একো দিব নোৱাৰাত সিহঁতক বন্দী কৰি থয়। বুঢ়া কেইজনে কিবাকিবি ভগৱানৰ নাম কৈ থাকে। ঘটনা হ'ল এয়া প্ৰায় ত্ৰিশ বছৰ আগৰ কথা। সিমানখিনি মনত নাই। অৱশেষত সিহঁতে স্বয়ং ভগৱান ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ বুলি চিনাকি দিয়ে। তেওঁ যে দৈস্যু হয় স্বীকাৰ কৰে। অটোদিনে এই পৃথিৱীত যে বেয়া কাম কৰি আছে। তাৰ পাপৰ ভাগ কোনে ল'ব। তেওঁ লোকে সুধিলে। যেতিয়া গম পালে। কোনোৱে নলয় বুলি জানিলে। তেতিয়া সেই বুঢ়া মানুহ কেইজন সদৃশ ভগৱানক সুধিলে কি কৰিলে মুক্তি পাব। তেতিয়া তেওঁ লোকে ক'লে - সেই হাবিৰ মাজত থকা গছজোপাৰ তলত বহি ৰাম ৰাম বুলি মাতি থাকা। প্ৰথমতে তেওঁ ৰাম বুলি মাতিব পৰা নাছিল। কাৰণ তেওঁৰ বহুত পাপ হৈছিল। সেয়ে ৰাম শব্দ অহা নাছিল। বাৰে বাৰে আম আম বুলি আহিছিল। পাছত তেওঁ তাতেই নোহোৱা হৈ গৈছিল। এটি উইহাফলু সৃষ্টি হৈছিল। এওঁৰ নামে আছিল ৰত্নাকৰ দৈস্যু। অৱশেষত তেওঁই বাল্মিকী হৈ ৰামায়ণ ৰচনা কৰিছিল। ইয়াৰ কিছুবছৰ পিছত ৰামপুৰ খেল পথাৰত হেমন্ত দত্তৰ ঘৃণা নামৰ এখন নাটক চাইছিলো। শ্ৰীমন্ত শংকৰদেৱ থিয়েটাৰ মঞ্চত। নাটকৰ মুল বিষয় আছিল - এটা পৰিয়ালে উকিলক ঘৃণা কৰিছিল। নাম শুনিলে খং উঠে আৰু দেখিলেই ঘৃণ কৰিছিল। কাৰণ তেওঁলোকে সঁচাক মিছা কৰে আকৌ মিছাক সঁচা কৰে। যাৰ বাবে তেওঁ লোকে গোটেই জীৱন এক অভিশপ্ত দিন মানি লৈছিল। সেই সৰুকালৰ নাটকৰ স্মৃতি বোৰে বৰ বেয়াকৈ শিপাইছিল। সেই সময়তে মনত ভাৱ লৈছিল। এদিন নাটকৰ ঘৰৰ লৈ যাম। এই বোৰ কেনেকৈ কৰে চাম। কিছু বছৰ পাছত সময়ে আনিলে সুযোগ। হেঁপাহৰ শ্ৰীমন্ত শংকৰদেৱ থিয়েটাৰ আখাৰা গৃহ পাই গলো। এজন মঞ্চ শিল্পী হিচাপে কাম কৰিলোঁ। এখন নতুন পৃথিৱী। নতুন মানুহ। কাম চাই দৰমহা দিব। মই বেছি ওজৰ আপত্তি নকৰিলোঁ। জানাৰ বাবে বুজাৰ বাবে থাকি গলো। ভ্ৰাম্যমাণ জগতৰ বলিষ্ঠ অভিনেতা অভিনেত্ৰী বোৰ দেখি বৰ ভাল লাগিছিল। নিচেই ওচৰৰ পৰা চম্পক শৰ্মা, মৃদুল ভূঞা, বিৰাজ বল্লভ, অৰ্চনা বৰা, কবিতা চুতীয়া, পৰাগ শৰ্মা, প্ৰাণজিৎ দাস আদি বহুতো ন পুৰণি ন বছৰে বহু শিল্পী লগ পালোঁ। ইয়াৰ লগতে একে লগে কাম বন্ধু হ'ল বঙাইগাঁও সিদলসতীৰ সঞ্জীৱ ফৌজদাৰ, পদ্মৰাম ৰয়। বিজনীৰ জয়ন্ত ৰয়, প্ৰশান্ত সিংহ আৰু বহু বন্ধু আছে। য'ত থিয়েটাৰৰ বাদ দিয়া কুৰি বছৰ পাৰ হৈ গ'ল। তথাপি ফোনৰ দ্বাৰা যোগাযোগ হৈ থাকে। মনৰ কথা বতৰা পাতি থাকো।

আমি শদিয়ালৈ নাটক কৰিব গৈছিলো। সেয়া আমাৰ বাবে শিহৰণ কাৰী কাহিনী। বালিয়ে বালিয়ে গৈ দুখন নাওত প্ৰকাণ্ড লোডিঙট্ৰাকখন আৰু প্ৰায় পঁচিশজন কৰ্মচাৰী। এদিনীয়া মানুহৰ বাবে কেনেকুৱা দৃশ্য হয়নে? তেনেদৰে ধেমাজি লৈ গ'লে বালিয়ে বালি গৈ থাক। মানুহৰ ঘৰবোৰ বালিৰে পুতা। মানুহে খান্দি খান্দি উলিয়াই লোৱা দৃশ্য চাই ভালো লাগে বেয়া ও লাগে। থিয়েটাৰ জগতত থাকিলে বয়স বোৰ গমেই পোৱা নাযায়। কিয় জানে? দিন ৰাতি বোৰ মনোৰঞ্জন মাজেৰে পাৰ হৈ থাকে। বহুত ভাল লাগে। অসমৰ গোটেই জিলাৰ গাৱে ভূঞে চহৰে নগৰে ঘূৰি ফুৰা যায়। কতো মানুহৰ লগত যে চিনাকি বন্ধুত্ব স্থাপন হয়। বহুত ভাল লাগে। আজি কালি তিনিদিন বা দুদিন শ্বো হয়। আগতে চাৰিদিন আৰু তিনিদিন শ্বো হৈছিল। তাতো তিনিদিনীয়া বছৰটোত ছয় / সাতটা পেণ্ডেল আছিল। নলবাৰী ৰাস মহোৎসৱৰ ছয় / সাতদিন নাটক হৈছিল। তাতে ছয় / সাতখন থিয়েটাৰ নাটক হৈছিল। নাটকো প্ৰতিখন থিয়েটাৰে এখনেকে প্ৰতিদিনে প্ৰদৰ্শন কৰিছিল। মানুহো তামাম হৈছিল। সকলো দুই শ্বো শ্বো হৈছিল। কেতিয়াবা কেতিয়াবা তিনি শ্বো তিনি শ্বো কৰিছিল। কোনে কিমান ভাল কৰিব পাৰে। অভিনেতা বোৰে অভিনয়ৰ প্ৰতিযোগিতা। আকৌ কৰ্মচাৰী বোৰে নাটকৰ ঘৰ পেণ্ডেল কোনে ধুনীয়াকৈ সাজিব পাৰে, তাৰেই জেদাজেদি। আকৌ সকলোৱে নলবাৰী ৰাসতে দেখা দেখি হয়। ইখন থিয়েটাৰৰ মানুহ সিখন থিয়েটাৰ সৈতে চা চিনাকি হয়। বহুত ভাল লগা পৰিৱেশ। মনত পৰিলে কিবা কিবা লাগি যায়। ঠিক তেনেদৰে নলবাৰী চামতাত দুৰ্গা পূজাত কেইবাখনো থিয়েটাৰৰ হয়। বিজনীৰ লক্ষ্মীপূজাত বহু কেইখন থিয়েটাৰ হৈছিল। নাটকৰ ক্ষেত্ৰত আগেয়ে সামাজিক নাটক প্ৰাধান্য দিছিল। কাৰিকৰী নাটক এখন আছিল। এতিয়া ব্যৱসায়িক দিশটোক অলপ বেছি গুৰুত্ব দিয়া দেখা যায়। অৱশ্যে দিব লাগিব ও। কাৰণ আগতকৈ খৰচ মাত্ৰা অধিক। ই এটা ভাল মাধ্যম। সামাজিক দায়বদ্ধতা লগতে কলা-সংস্কৃতি ধৰি ৰাখি আছে। মানুহ সজাগ সচেতন হৈ পৰে। ইয়াৰ পৰা মানুহে মনোৰঞ্জন পাইছিল। নাটকত কমেডি চৰিত্ৰ এটা আছিলেই। যিয়েই মানুহক হাঁহিৰ খোৰাক দিছিল। অভিজ্ঞতা হিচাপে ডাঙৰ ডাঙৰ শিল্পীসকলক লগ পায় ভাল লাগিছিল। হয়তো অসমখন এনেদৰে ঘূৰি ফুৰিব নোৱাৰিলোঁ হেঁতেন। কাৰণ টকা-পইচাৰ কথা আছে। পোন প্ৰথমবাৰৰ বাবে মই লিখা কবিতা থিয়েটাৰৰ আলোচনীত উঠিছিল। সেই লোভতে প্ৰতিবছৰে থিয়েটাৰক যাওঁ। বহুতৰ এটি কবিতা আলোচনীত উঠিব।

## গড়কাপ্তানী পথলৈও ভাবুকি, গৰাখহনীয়া ৰোধত অনতিপলমে ব্যৱস্থাৰ দাবীত ক্ষতিগ্ৰস্ত ৰাইজ

# গংগাধৰ নৈৰ কালৰূপ; বিলীন হোৱাৰ দিশে পূব গাইখোৱা

**অসম বাৰ্তা, গোলকগঞ্জ, ২৮ জুন ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ বিধানসভা সমষ্টিৰ অন্তৰ্গত পূব গাইখোৱা দ্বিতীয় খণ্ড গাঁৱত গংগাধৰ নৈৰ গৰাখহনীয়াই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। প্ৰতিদিনে নৈখনৰ বুকুত বৃহৎ পৰিমাণৰ মাটি খহি পৰাৰ ফলত গাঁওখনৰ অস্তিত্বই সংকটৰ সন্মুখীন হৈছে। ইতিমধ্যে শ শ পৰিয়াল গৃহহাৰা হোৱাৰ লগতে হাজাৰ হাজাৰ বিঘা কৃষিভূমি নৈত বিলীন হোৱাত অঞ্চলটোত তীব্ৰ উদ্বেগ আৰু আতংকৰ সৃষ্টি হৈছে। স্থানীয় বাসিন্দাসকলৰ অভিযোগ অনুসৰি, গৰাখহনীয়াই এতিয়া গোলকগঞ্জ-শৌলমাৰী সংযোগী গড়কাপ্তানী পথৰ একেবাৰে কাষ চাপি আহিছে। আৰু মাথোঁন এচপৰা মাটি খহিলেই পথটো বিচ্ছিন্ন হৈ পৰাৰ আশংকা আছে। তেনে অৱস্থা হ'লে অঞ্চলটোৰ যোগাযোগ ব্যৱস্থাৰ ওপৰত গুৰুতৰ প্ৰভাৱ পৰিব বুলি আশংকা প্ৰকাশ কৰিছে ৰাইজে। ক্ষতিগ্ৰস্তসকলে কয় যে, বছৰে বছৰে গংগাধৰ নৈৰ গৰাখহনীয়াৰ ফলত বহু পৰিয়ালে নিজৰ ভিটামাটি এৰি অন্য ঠাইলৈ স্থানান্তৰিত হ'বলৈ বাধ্য হৈছে। বহু কৃষকে কৃষিভূমি হেৰুৱাই জীৱন-জীৱিকাৰ সংকটত পৰিছে। তথাপিও সমস্যাটোৰ স্থায়ী সমাধান এতিয়াও বাস্তৱায়িত হোৱা নাই বুলি তেওঁলোকৰ অভিযোগ। স্থানীয় ৰাইজে ৰাজ্য চৰকাৰ, জলসম্পদ বিভাগ আৰু গোলকগঞ্জ সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰৰ ওচৰত অতি শীঘ্ৰে গৰাখহনীয়া প্ৰতিৰোধৰ স্থায়ী ব্যৱস্থা গ্ৰহণৰ আহ্বান জনাইছে। ৰাইজৰ ভাষ্য অনুসৰি, অনতিপলমে সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণ নকৰিলে পূব গাইখোৱা গাঁওখন সম্পূৰ্ণৰূপে গংগাধৰ নৈৰ বুকুত বিলীন হোৱাৰ আশংকা আছে। স্থানীয় বাসিন্দাসকলে চৰকাৰক অতি সোনকালে প্ৰতিৰোধমূলক কাম আৰম্ভ কৰি গাঁওখন, কৃষিভূমি আৰু গোলকগঞ্জ-শৌলমাৰী সংযোগী গড়কাপ্তানী পথ সুৰক্ষিত কৰাৰ বাবে ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰিবলৈ জোৰ দাবী জনাইছে। অঞ্চলটোৰ পৰিস্থিতিৰ প্ৰতি কেবিনেট মন্ত্ৰী অশ্বিনী ৰায় চৰকাৰে অগ্ৰাধিকাৰ ভিত্তিত দৃষ্টি দিব বুলি আশা প্ৰকাশ কৰিছে ক্ষতিগ্ৰস্ত ৰাইজে।

# উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ত সাতদিনীয়া ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিশেষ শিবিৰ সফলতাৰে সমাপ্ত

**অসম বাৰ্তা, উজনী মাজুলী, ২৮ জুন ঃ** উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি (NSS) গোটৰ উদ্যোগত ২১ জুনৰ পৰা ২৭ জুন, ২০২৬লৈ সাতদিনীয়া বিশেষ শিবিৰ সফলতাৰে অনুষ্ঠিত হয়। শিবিৰৰ কাৰ্যসূচীৰ বিষয়ে এন এছ এছ গোটৰ কাৰ্যসূচী বিষয়া দীপাংক শইকীয়াই জনোৱা মতে, প্ৰথম দিনা উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জাহ্নৱী লহকৰ বৰুৱাই আদৰণি ভাষণ আগবঢ়ায়। ইয়াৰ পিছত মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° উপেন বৰাই বিশেষ শিবিৰৰ লক্ষ্য আৰু তাৎপৰ্য সম্পৰ্কে বক্তব্য আগবঢ়ায়। শিবিৰৰ দ্বিতীয় দিনা স্বেচ্ছাসেৱকসকলে মহাবিদ্যালয় চৌহদত পৰিষ্কাৰ-পৰিচ্ছন্নতা অভিযান চলায়। পিছত অনুষ্ঠিত বিশেষ বক্তৃতা অনুষ্ঠানত মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক দুৰ্লভ বৰাই সমল ব্যক্তি হিচাপে ভাষণ প্ৰদান কৰে। তৃতীয় দিনা স্বেচ্ছাসেৱকসকলে ৰতনপুৰ একাডেমী উচ্চ বিদ্যালয় আৰু নয়া বজাৰ আয়ুষ্মান আৰোগ্য মন্দিৰত পৰিষ্কাৰ-পৰিচ্ছন্নতা অভিযান চলোৱাৰ লগতে দুয়োটা স্থানত বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। চতুৰ্থ দিনা কুলি চাপৰিত বাল্যবিবাহৰ বিৰুদ্ধে সজাগতা সভা অনুষ্ঠিত হয়। সভাত মাণিক চন্দ্ৰ পায়েঙে সমল ব্যক্তি হিচাপে বক্তব্য আগবঢ়ায়। অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ, জেংৰাইমুখ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া, নয়া বজাৰ আৰক্ষী চকীৰ বিষয়ববীয়া, বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ৰ অধ্যক্ষ আৰু স্থানীয় বহু লোক উপস্থিত থাকে। পঞ্চম দিনা




স্বেচ্ছাসেৱকসকলে মহাবিদ্যালয়ৰ শ্ৰেণীকোঠাসমূহ পৰিষ্কাৰ কৰে। ইয়াৰ লগতে অনুষ্ঠিত বিশেষ আলোচনা অনুষ্ঠানত টংকেশ্বৰ পাঠক আৰু দেবাশীষ দাসে সমল ব্যক্তি হিচাপে বক্তব্য আগবঢ়ায়। ষষ্ঠ দিনা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিশ্চয়তা কোষ (IQAC) আৰু এন এছ এছ গোটৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় মাদক দ্ৰব্যৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস উপলক্ষে সজাগতা সভা অনুষ্ঠিত হয়। সভাত মাজুলীৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ৰাজশ্ৰী ধাণ্ডিয়াই মাদকাসক্তিৰ কুফল আৰু সমাজত ইয়াৰ প্ৰভাৱ সন্দৰ্ভত বিশদ ভাষণ প্ৰদান কৰে। সপ্তম তথা অন্তিম দিনা শিবিৰৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত এন এছ এছ গোটৰ কাৰ্যসূচী বিষয়া দীপাংক শইকীয়াই আদৰণি ভাষণ আগবঢ়ায়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জাহ্নৱী লহকৰ বৰুৱাই সাতদিনীয়া বিশেষ শিবিৰৰ সাফল্য, সামাজিক তাৎপৰ্য আৰু স্বেচ্ছাসেৱকসকলৰ ভূমিকা সম্পৰ্কে ভাষণ প্ৰদান কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সঞ্জিৱ দত্ত উপস্থিত থাকে। ড° উপেন বৰাই অনুষ্ঠান পৰিচালনা কৰে। সামৰণি অনুষ্ঠানত এন এছ এছৰ স্বেচ্ছাসেৱকসকলে মনোজ্ঞ সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰি শিবিৰৰ সফল সামৰণি ঘটায়।

# ঢকুৱাখনাৰ সমাজ হিতৈষী, লেখক, সাংস্কৃতিক কৰ্মী, শিক্ষক মৃদুল শইকীয়ালৈ 'স্বৰ্ণ মেদেল বঁটা ২০২৬' প্ৰদান

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ২৮ জুন ঃ** লখিমপুৰ জিলাৰ ঢকুৱাখনাৰ বিশিষ্ট সমাজ হিতৈষী, লেখক, সাংস্কৃতিক কৰ্মী তথা প্ৰাক্তন অধ্যক্ষ মৃদুল শইকীয়াক নীতি আয়োগৰ অনুমোদিত মহাব্যঙ্গ সাহিত্য পৰিষদ সংস্থাই কলিকতাত ইংৰাজী ২৭ জুন তাৰিখে কেইবাখনো ৰাজ্যৰ লগতে অসমৰ হৈ Gold medal award ২০২৬ বঁটা প্ৰদান কৰে। সংস্থাটিয়ে মৃদুল শইকীয়াক শিক্ষাৰ ক্ষেত্ৰত ভেটি নিৰ্মাণকে ধৰি সাহিত্য, সাংস্কৃতিক আৰু অসমৰ অগ্ৰণী সংস্থা শিক্ষক প্ৰকাশন সংস্থা অসমৰ মুখ্য সম্পাদকৰ দৰে গুৰু দায়িত্ব পালন কৰা বিশেষ অৱদানৰ বাবে উক্ত বঁটা প্ৰদান কৰা হৈছেবুলি এক প্ৰেছ বিজ্ঞপ্তিত জানিবলৈ দিয়ে। বঁটা প্ৰাপক মৃদুল শইকীয়াই অসমত বিভিন্ন সংস্থা, অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা বিভিন্ন বঁটা, পুৰস্কাৰ আদিৰে বিভূষিত হৈ ঢকুৱাখনালৈ গৌৰৱ কঢ়িয়াই আনিছে। এই বছৰ তেখেতে লাভ কৰা উক্ত বঁটাৰ বাবে নিৰ্বাচিত হৈ বঁটা গ্ৰহণৰ বাতৰিয়ে শিক্ষক প্ৰকাশন সংস্থা অসম, মেধাৰী বিদ্যাপীঠ, অসমৰ শিক্ষক গোটৰ লগতে বিভিন্ন সংস্থাৰ সমিতিয়ে তেখেতলৈ অভিনন্দন জনাইছে।

# মাকুম উন্নয়ন এনজিঅ'ৰ উদ্যোগত বিনামূলীয়া পাঠদান কাৰ্যসূচীৰ শুভ উদ্বোধন

**অসম বাৰ্তা, মাকুম, ২৮ জুন ঃ** শিক্ষাৰ মানদণ্ড আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক উৎকৃষ্ট ফলাফল অৰ্জনত সহায় কৰাৰ লক্ষ্যৰে তিনিচুকীয়া জিলাৰ আগশাৰীৰ বেচৰকাৰী সংস্থা মাকুম উন্নয়ন এনজিঅয়ে বিগত বৰ্ষ সমূহৰ দৰে এইবাৰো তিনিচুকীয়া জিলাৰ অন্তৰ্গত ১১খন বিদ্যালয়ত বিনামূলীয়া পাঠদান কাৰ্যসূচী আৰম্ভ কৰাৰ প্ৰতিশ্ৰুতি দিছিল। সেই প্ৰতিশ্ৰুতি বাস্তৱায়নৰ অংশ হিচাপে আজি মহাকালী গ্ৰাণ্ট হাই স্কুলত বিনামূলীয়া পাঠদানৰ কাৰ্যসূচীৰ শুভ উদ্বোধন সফলতাৰে অনুষ্ঠিত হয়। অহা ইংৰাজী ১ জুলাই তাৰিখৰ পৰা আৰম্ভ হবলগীয়া এই বিনামূলীয়া পাঠদান কাৰ্যসূচীৰ শুভ উদ্বোধন কৰে উন্নয়ন এন জি অৰ প্ৰতিষ্ঠাপক তথা সাধাৰণ সম্পাদক কমল মালীয়ে। আজিৰ এই অনুষ্ঠানত বিশেষ অতিথি হিচাপে উপস্থিত থাকে অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য ৰাজু কুৰ্মী, মহাকালী গ্ৰাণ্ট হাই স্কুলৰ প্ৰতিষ্ঠাপক চন্দ্ৰধৰ মালাকাৰ, বিদ্যালয়খনৰ প্ৰধান শিক্ষয়ত্ৰী স্বপ্না ডেকা মালাকাৰ, উন্নয়নৰ এন জি অ কাৰ্যনিৰ্বাহক সদস্য মানস প্ৰতিম দাস, মনেশ্বৰ কুৰ্মী, ৰঞ্জিত কুৰ্মি। অনুষ্ঠানত উপস্থিত থকা সকলো অতিথিয়ে এই মহান পদক্ষেপক আন্তৰিকভাৱে শলাগ লোৱাৰ লগতে ইয়াৰ সফলতা কামনা কৰে। এই বিনামূলীয়া পাঠদান কাৰ্যসূচীৰ জৰিয়তে গণিত, ইংৰাজী, ইংৰাজী গ্ৰামাৰ, বিজ্ঞান আদি বিষয়ৰ নিয়মীয়া পাঠদানৰ লগতে এডুকেশ্যন কাউন্সেলিং আৰু কেৰিয়াৰ কাউন্সেলিংও সম্পূৰ্ণ বিনামূলীয়াকৈ প্ৰদান কৰা হ'ব। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাগত দিশত অধিক দক্ষতা লাভ কৰাৰ উপৰিও ভৱিষ্যতৰ কেৰিয়াৰ নিৰ্বাচনত সঠিক দিশ লাভ কৰিব বুলি সংস্থাই আশাবাদ ব্যক্ত কৰে। উন্নয়ন সংস্থাই আগন্তুক দিনবোৰত শিক্ষাৰ বিকাশ আৰু সমাজৰ কল্যাণৰ বাবে এনে জনহিতকৰ পদক্ষেপ অব্যাহত ৰাখিব বুলি প্ৰতিশ্ৰুতি প্ৰকাশ কৰিছে। শিক্ষাই পৰিৱৰ্তনৰ উৎস, জ্ঞানেই উজ্জ্বল ভৱিষ্যতৰ দিশ স্পষ্ট কৰে।

## গোৰেশ্বৰৰ ৩ নং ডোঙাৰগাঁৱত বিনামূলীয়া চিকিৎসা আৰু পশু চিকিৎসা শিবিৰ

# এছএছবিৰ জনকল্যাণমূলক পদক্ষেপ

**অসম বাৰ্তা, গোৰেশ্বৰ, ২৮ জুন ঃ** তামোলপুৰ জিলাৰ গোৰেশ্বৰৰ ৩নং ডোঙাৰগাঁৱৰ মিলনজ্যোতি প্ৰাথমিক বিদ্যালয় প্ৰাঙ্গণত আজি ২৪ বেটেলিয়ন এছএছবি, ৰঙিয়াৰ উদ্যোগত এক বিনামূলীয়া চিকিৎসা আৰু পশু চিকিৎসা শিবিৰ সফলতাৰে অনুষ্ঠিত হয়। জানিবপৰা মতে, ২৪ বেটেলিয়ন এছএছবি, ৰঙিয়াৰ কমাণ্ডেণ্ট ডাঃ এইচ. কে. গুপ্তাৰ নেতৃত্বত আয়োজিত এই শিবিৰত উপ-কমাণ্ডেণ্ট তথা চিকিৎসক ডাঃ বন্দনা দেৱীয়ে স্থানীয় ৰোগীসকলক স্বাস্থ্য পৰীক্ষা, প্ৰয়োজনীয় ঔষধ বিতৰণ আৰু স্বাস্থ্য সম্পৰ্কীয় পৰামৰ্শ আগবঢ়ায়। আনহাতে, এফটিআৰ হেডকোৱাৰ্টাৰ এছএছবি, গুৱাহাটীৰ পশু চিকিৎসক ডাঃ ই. চাওবা সিঙে গাঁৱৰ পশুধনৰ স্বাস্থ্য পৰীক্ষা, চিকিৎসা আৰু বিনামূলীয়াকৈ প্ৰয়োজনীয় ঔষধ বিতৰণ কৰে। শিবিৰখনৰ সফল ৰূপায়ণত ২৪ বেটেলিয়ন এছএছবি, ৰঙিয়াৰ গুৱাবাৰী কেম্পৰ সহকাৰী কমাণ্ডেণ্ট বিকাশ গুপ্তাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেখেতৰ তত্ত্বাৱধানত সমগ্ৰ কাৰ্যসূচী সু-শৃংখলাভাৱে সম্পন্ন হয় বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে। উল্লেখযোগ্য যে, ইয়াৰ পূৰ্বেও একেই স্থানত দুবাৰ একেধৰণৰ বিনামূলীয়া চিকিৎসা আৰু পশু চিকিৎসা শিবিৰ আয়োজন কৰা হৈছিল। এই ধাৰাবাহিক জনকল্যাণমূলক পদক্ষেপৰ ফলত স্থানীয় ৰাইজৰ লগতে পশুপালকসকল বিশেষভাৱে উপকৃত হৈছে। স্থানীয় লোকে আশা প্ৰকাশ কৰে যে ভৱিষ্যতেও এছএছবিয়ে এনে জনসেৱামূলক কাৰ্যসূচী অব্যাহত ৰাখিব, যাৰ জৰিয়তে অঞ্চলটোৰ জনসাধাৰণ আৰু পশুপালকসকল অধিক উপকৃত হ'ব।

# বৰপেটাত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ মুখপাত্ৰ মহচিন খানৰ সংবাদমেল

**অসম বাৰ্তা, বৰপেটাসদৰ, ২৮ জুন ঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ মুখপাত্ৰ মহচিন খানে ৰবিবাৰে বৰপেটা ৰাজীৱ ভৱনত অনুষ্ঠিত এক সংবাদ মেলত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ শিক্ষা নীতি আৰু পৰীক্ষা ব্যৱস্থাক তীব্ৰ সমালোচনা কৰে। ৰাহুল গান্ধীৰ নেতৃত্বত দেশজুৰি চলি থকা "ছাত্ৰৰ কথা শুনো" শীৰ্ষক ৰাষ্ট্ৰীয় অভিযানৰ অংশ হিচাপে অসমৰ বিভিন্ন জিলাৰ লগতে বৰপেটাতো এই সংবাদ মেলৰ আয়োজন কৰা হয়। মহচিন খানে কয় যে যোৱা কেইবছৰমান ধৰি NEET, SSC, UPSC আদি বিভিন্ন ৰাষ্ট্ৰীয় পৰ্যায়ৰ পৰীক্ষাত কেলেংকাৰী, পেপাৰ লিক আৰু ব্যৱস্থাপনাগত বিফলতা সংঘটিত হৈ আহিছে। তেওঁ অভিযোগ কৰে যে ২০১৬ চনৰ পৰা বৰ্তমানলৈকে NEET পৰীক্ষা সুকলমে পৰিচালনা কৰাত চৰকাৰ ব্যৰ্থ হৈছে, যাৰ ফলত লাখ লাখ শিক্ষাৰ্থীৰ ভৱিষ্যৎ অনিশ্চয়তাৰ সন্মুখীন হৈছে। তেওঁ কয়, শিক্ষা ব্যৱস্থাৰ এই সংকট চৰকাৰৰ এক বৃহৎ প্ৰতিষ্ঠানগত বিফলতাৰ পৰিচায়ক। কংগ্ৰেছে শিক্ষাৰ্থীসকলৰ মতামত আৰু সমস্যাসমূহ শুনি দেশজুৰি এক গণ আন্দোলনৰ ৰূপ দিছেবুলি উল্লেখ কৰি তেওঁ শিক্ষা খণ্ডত স্বচ্ছতা আৰু জবাবদিহিতা নিশ্চিত কৰাৰ দাবী জনায়। সংবাদ মেলত কংগ্ৰেছে তিনিটা মুখ্য দাবী উত্থাপন কৰে। ইয়াৰ ভিতৰত শিক্ষা ব্যৱস্থাৰ বিফলতাৰ দায়িত্ব গ্ৰহণ কৰি সংশ্লিষ্ট কৰ্তৃপক্ষৰ পদত্যাগ, পেপাৰ লিকৰ ঘটনাসমূহৰ নিৰপেক্ষ তদন্ত আৰু পৰীক্ষা ব্যৱস্থাৰ সম্পূৰ্ণ স্বচ্ছতা নিশ্চিত কৰা, লগতে পৰীক্ষা, ফলাফল আৰু নিযুক্তিৰ সময়সূচী উল্লেখ কৰি এক একাডেমিক বাৰ্ষিক কেলেণ্ডাৰ প্ৰস্তুত কৰাৰ দাবী অন্তৰ্ভুক্ত কৰে। মহচিন খানে অসমৰ শিক্ষা ব্যৱস্থাৰ অৱস্থাক লৈও উদ্বেগ প্ৰকাশ কৰি কয় যে বহু বিদ্যালয় বন্ধ কৰা হৈছে, বিশ্ববিদ্যালয় সমূহত বিভিন্ন বিভাগ বন্ধ হোৱাৰ আশংকা দেখা দিছে আৰু শিক্ষাৰ ব্যয় ক্ৰমাৎ বৃদ্ধি পাইছে। চৰকাৰৰ শিক্ষা খণ্ডৰ প্ৰতি গুৰুত্বহীন মনোভাৱৰ ফলত শিক্ষাৰ্থীসকল ক্ষতিগ্ৰস্ত হৈছে বুলিও তেওঁ অভিযোগ কৰে। উক্ত সংবাদ মেলত বৰপেটা জিলা কংগ্ৰেছৰ সভাপতিৰ লগতে দলটোৰ কেইবাজনো জ্যেষ্ঠ নেতা আৰু কৰ্মকৰ্তা উপস্থিত থাকে।

# গোসাঁইগাঁৱৰ জয়ন্ত কুমাৰ নাথৰ অকাল বিয়োগ

**অসম বাৰ্তা, গোসাঁইগাঁও, ২৮ জুন ঃ** গোসাঁইগাঁও চহৰৰ ৩ নং ৱাৰ্ড নিবাসী গোসাঁইগাঁও ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ অৱসৰী কৰ্মচাৰী প্ৰয়াত বীৰেন্দ্ৰ চন্দ্ৰ নাথৰ মাজু পুত্ৰ জয়ন্ত কুমাৰ নাথ (৫৮)ৰ যোৱা বুধবাৰে ষ্ট্ৰোকত আক্ৰান্ত হৈ চিকিৎসাধীন অৱস্থাত শেষ নিশ্বাস ত্যাগ কৰে। পৰিয়াল সূত্ৰই জনোৱা মতে বুধবাৰে বিয়লিৰ ভাগত নাথে গোসাঁইগাঁও বজাৰৰ পৰা বজাৰ কৰি আহি থাকোঁতে বাটতে হঠাৎ অসুস্থ হৈ পৰে। চিনাকি শুভাকাংক্ষীয়ে তেওঁক ঘৰলৈ পঠিয়াই দিয়ে। পিছত শাৰীৰিক অৱস্থাৰ অৱনতি ঘটাত তেওঁক পৰিয়ালে গোসাঁইগাঁও অসামৰিক চিকিৎসালয়লৈ লৈ যায়। তাৰ পৰা তেওঁক কোচবিহাৰলৈ উন্নত চিকিৎসাৰ বাবে নিয়ে যদিও শাৰীৰিক অৱস্থাৰ উন্নতি নঘটাত তেওঁক কোকৰাঝাৰ মেডিকেল কলেজ হস্পিতাললৈ প্ৰেৰণ কৰা হয়। কিন্তু ক্ৰমাৎ তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটে আৰু চিকিৎসাধীন অৱস্থাত তাতে তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। এগৰাকী সহজ- সৰল, নিৰ্জু তথা স্বল্প ভাষী স্বভাৱৰ ব্যক্তি হিচাপে পৰিচিত নাথ গোসাঁইগাঁৱৰ বিভিন্ন সামাজিক, ধৰ্মীয় অনুষ্ঠানৰ সৈতে জড়িত হৈ আছিল। মৃত্যুৰ দিনলৈকে তেখেত ২ নং গোসাঁইগাঁও শ্মশান শ্ৰীশ্ৰীশিৱ মন্দিৰ পৰিচালনা সমিতিৰ সম্পাদকৰ পদতো অধিষ্ঠিত হৈ আছিল। তেখেতৰ অকাল আৰু আকস্মিক বিয়োগত শিৱ মন্দিৰ পৰিচালনা সমিতিৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰিছে। পত্নী তথা একমাত্ৰ বিবাহিতা কন্যাক এৰি থৈ যোৱা নাথৰ অন্তিম সংস্কাৰ সিদিনাই নিশা স্থানীয় শ্মশানত অগণন গুণমুগ্ধৰ উপস্থিতিত সম্পন্ন কৰা হয়।

## মৈৰাবাৰী গাৰে হাৰা জামে মছজিদত ইমাম সভাপতি সকলৰ বৈঠক

# মদ-জুৱা-ড্ৰাগছৰ বিৰুদ্ধে কঠোৰ স্থিতি ধিং সমষ্টিৰ বিধায়ক মেহবুব মুক্তাৰৰ

**অসম বাৰ্তা, মৈৰাবাৰী, ২৮ জুন ঃ** ধিং সমষ্টিত সমাজবিৰোধী কাৰ্যকলাপ নিৰ্মূলৰ লক্ষ্যৰে ধিং সমষ্টিৰ বিধায়ক মেহবুব মুক্তাৰে পুনৰ এবাৰ কঠোৰ স্থিতি গ্ৰহণ কৰিছে। মদ, জুৱা, ড্ৰাগছকে ধৰি সমাজৰ বাবে ক্ষতিকাৰক সকলো ধৰণৰ অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধেজন সচেতনতা বৃদ্ধি আৰু সামাজিক প্ৰতিৰোধ গঢ়ি তোলাৰ উদ্দেশ্যে আজি মধ্য অসমৰ সৰ্ববৃহৎ গাৰে হাৰা জামে মছজিদত এক গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ধিং আৰু লাহৰীঘাট সমষ্টিৰ মুঠ ১৫৬খন মছজিদ পৰিচালনা সমিতিৰ ইমাম, সভাপতি আৰু সম্পাদকসকলে অংশগ্ৰহণ কৰে। অঞ্চলটোৰ সামাজিক পৰিৱেশ সুস্থ আৰু সুৰক্ষিত কৰি ৰখাৰ লক্ষ্যৰে অনুষ্ঠিত এই বৈঠকত বিভিন্ন দিশ সামৰি বিস্তৃত আলোচনা কৰা হয়। বৈঠকত উপস্থিত থাকি বিধায়ক মেহবুব মুক্তাৰে মৈৰাবাৰী, হাঁহচৰা, লেংৰীবড়ী আদি অঞ্চলকে ধৰি বৃহত্তৰ অঞ্চলটোত চলি থকা ড্ৰাগছ, মদ, জুৱা আৰু অন্যান্য অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সকলোকে আহ্বান জনায়। তেওঁ কয়, সমাজখনক ধ্বংসৰ পথলৈ ঠেলি নিয়া এনে অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে প্ৰতিজন সচেতন নাগৰিকে আগবাঢ়ি আহিব লাগিব। যদি এই ক্ষেত্ৰত কিবা অসুবিধা বা বাধাৰ সন্মুখীন হয়, সেই দায়িত্ব আমি লম। বিধায়কগৰাকীয়ে লগতে উল্লেখ কৰে যে, মই বিধায়ক হোৱাৰ আগৰ পৰাই অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে কাম কৰি আহিছোঁ। এতিয়াও সেই সংগ্ৰাম অব্যাহত ৰাখিছোঁ আৰু ভৱিষ্যতেও একেই দৃঢ়তাৰে চলাই যাম। মোৰ বিধায়কৰ কাৰ্যকালত ধিং সমষ্টিত কোনো ধৰণৰ অসামাজিক কাৰ্যকলাপৰ স্থান নাই। তেওঁৰ এই দৃঢ় বক্তব্যই সভাত উপস্থিত ইমাম, আলিম-উলামা আৰু মছজিদ পৰিচালনা সমিতিৰ বিষয়ববীয়া সকলৰ মাজত ইতিবাচক সঁহাৰি লাভ কৰে। সমাজখনক ড্ৰাগছমুক্ত, অপৰাধমুক্ত আৰু সুস্থ-সবল কৰি গঢ়ি তোলাত ধৰ্মীয় অনুষ্ঠানসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি সকলোৱে মত প্ৰকাশ কৰে। উল্লেখযোগ্য যে, আজিৰ এই বিশেষ পৰ্যালোচনা সভাত ধিং সমষ্টিৰ ৰাইজৰ দলৰ সভাপতি বাবুল শ্বৰিফকে ধৰি মৈৰাবাৰী অঞ্চলৰ বহু সংখ্যক বিশিষ্ট আলিম, মৌলানা আৰু সমাজৰ গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল। সমাজৰ পৰা ড্ৰাগছ, মদ, জুৱা আদি অসামাজিক ব্যাধি উচ্ছেদ কৰাৰ ক্ষেত্ৰত জনপ্ৰতিনিধি, ধৰ্মীয় নেতা আৰু সাধাৰণ ৰাইজৰ সমন্বিত প্ৰচেষ্টাই ইতিবাচক পৰিৱৰ্তন আনিব বুলি সভাত আশা প্ৰকাশ কৰা হয়।

## শিৱসাগৰৰ ৰূপম শইকীয়া সহ-সম্পাদক হিচাপে নিৰ্বাচিত

# ৰঙিয়াত সদৌ অসম বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থাৰ সাধাৰণ সভা

**অসম বাৰ্তা, ৰঙিয়া, ২৮ জুন ঃ** সদৌ অসম বিদ্যালয় সমূহৰ চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থাৰ এখন সাধাৰণ সভা আজি ৰঙিয়াত অনুষ্ঠিত হয়। ৰঙিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত সভাখনত অসমৰ প্ৰতিখন জিলাৰ পৰা প্ৰায় তিনি শতাধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। সভাত সভাপতিত্ব কৰে ধনেশ্বৰ কৈৱৰ্তই আৰু সভাখন আঁত ধৰে কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক অংকুৰ শৰ্মাই। সভাত সন্থাৰ নতুনকৈ কেইবাগৰাকী বিষয়ববীয়াক নিৰ্বাচিত কৰা হয়। ইয়াৰ ভিতৰত শিৱসাগৰ জিলাৰ নাজিৰাৰ ৰূপম শইকীয়াক সহ-সম্পাদক হিচাপে নিৰ্বাচিত কৰা হয়। আনহাতে প্ৰচাৰ সম্পাদক হিচাপে যুগল গগৈ আৰু ৰাজু কলিতাক নিৰ্বাচিত কৰা হয়। কাৰ্যনিৰ্বাহ সদস্য হিচাপে নিৰ্বাচিত হয় দ্বীপজ্যোতি লিকচন আৰু অনুজ বৰপাত্ৰগোহাঁই। সভাত চতুৰ্থ বৰ্গৰ কৰ্মচাৰী সকলৰ বিভিন্ন সমস্যা সমাধানৰ ওপৰত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। শেহতীয়াকৈ চৰকাৰে এই কৰ্মচাৰী সকলক নৈশ দ্বায়িত্ব পালনৰ বাবে ব্যৱহাৰ কৰিবলৈ বিচৰা কাৰ্য্যত দুখ প্ৰকাশ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুক এই সিদ্ধান্ত পুনৰ বিবেচনাৰ বাবে কাতৰ অনুৰোধ জনাই। প্ৰশিক্ষণ অথবা সুৰক্ষা কৱচ, মাৰণাস্ত্ৰ অবিহনে এই দ্বায়িত্ব পালন কৰাত যথেষ্ট অসুবিধা হ'ব বুলিও আক্ষেপ প্ৰকাশ কৰি কয় যে বৰ্তমান অতি চতুৰ তথা চোকা অস্ত্ৰৰে সুসজ্জিত দুৰ্বৃত্তৰ লগত মোকাবিলা কৰা অনুন্নত বিদ্যালয়ৰ আন্তঃগাঁথনিৰ বাবে এই দ্বায়িত্ব পালন কৰা সহজ কাম নহয় বুলিও জনাই কৰ্মচাৰী সকলে। প্ৰয়োজনত চৰকাৰে নৈশ দ্বায়িত্ব পালনৰ বাবে নতুনকৈ যুৱক যুৱতীক নিযুক্তি দিবলৈ অনুৰোধ জনাই।

## কেইবাটাও মহিলা আত্মসহায়ক গোটৰ অংশগ্ৰহণ

# পাৰৈ মুখ জনজাতি মধ্য ইংৰাজী বিদ্যালয়ত "পথাৰ আৰু বাৰী উন্নয়ন" প্ৰশিক্ষণ অনুষ্ঠিত হয়

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ২৮ জুন ঃ** আজি মাৰ্ঘেৰিটা সমজিলাৰ ভিতৰ পাৰৈ গাঁও পঞ্চায়তৰ অন্তৰ্গত, পাৰৈ মুখ জনজাতি মধ্য ইংৰাজী বিদ্যালয়ত "পথাৰ আৰু বাৰী উন্নয়ন" প্ৰশিক্ষণ অনুষ্ঠিত হয়। প্ৰশিক্ষক হিচাপে উপস্থিত থাকে অশোকা ফ্লেৱৰৰ কৃষক সমীৰ বৰদলৈ। ২৮ আৰু ২৯ জুন, দুদিনীয়া কাৰ্য্যসূচীৰ প্ৰশিক্ষণ অনুষ্ঠানটোৰ উদ্যোগতা UCO বেংকৰ সহযোগত ডিগবৈ S.O.I.L নামৰ NGO। আজিৰ এইঅনুষ্ঠানৰ মূল উদ্দেশ্য হ'ল কিদৰে পূৰ্বৰ জৈৱিক কৃষি পদ্ধতিৰে খেতি কৰিব পাৰি আৰু কিদৰে লাভন্বিত হ'ব পাৰি তাৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰে সমীৰ বৰদলৈয়ে। অতীতৰ জৈৱিক খেতি আছিল সু-সোৱাদ আৰু পুষ্টিকৰ খাদ্য, যি মানুহৰ স্বাস্থ্যৰ বাবে উপকাৰীতা। কিন্তু বৰ্তমান প্ৰযুক্তি বিজ্ঞানৰ যোগত ৰাসায়নিক সাৰ, কীটনাশক দ্ৰব্য ব্যৱহাৰে মানুহৰ স্বাস্থ্যৰ বাবে উপযোগী বা পুষ্টিকৰ নহয়। গতিকে UCO বেংকৰ সহযোগত S.O.I.L নামৰ প্ৰতিষ্ঠানটোৱে মাৰ্ঘেৰিটাৰ পাৰৈ মুখ জনজাতি মধ্য ইংৰাজী বিদ্যালয়ত প্ৰথমটো কাৰ্যসূচী হাতত লৈছে। আজি এই প্ৰশিক্ষণ অনুষ্ঠানত অংশগ্ৰহণ কৰা শতিক মহিলা সকলক অতিৰ জৈৱিক খেতিৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ প্ৰয়াস চলোৱা হৈছে তদুপৰি ঘৰতে কি দৰে জৈৱিক সাৰ আৰু জৈৱিক কীটনাশক দ্ৰব্য প্ৰস্তুত কৰিব পাৰি তাৰো প্ৰশিক্ষণ প্ৰদান কৰে। আজিৰ এই প্ৰশিক্ষণ অনুষ্ঠানত অংশগ্ৰহণ কৰে ভিতৰ পাৰৈ গাঁও পঞ্চায়তৰ অন্তৰ্গত কেইবাটাও মহিলা আত্মসহায়ক গোটে। আজিৰ "পথাৰ আৰু বাৰী উন্নয়ন" প্ৰশিক্ষণ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সমাজ কৰ্মী চৌপান চাওচং, সমীৰ বৰদলৈ, S.O.I.L নামৰ NGOৰ বিষয়ববীয়া আৰু মাৰ্ঘেৰিটা UCO বেংকৰ শাখা সঞ্চালক প্ৰধান।

# নামতি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ত পথ সুৰক্ষা সজাগতা সভা সম্পন্ন

**অসম বাৰ্তা, চেলেংহাট, ২৮ জুন ঃ** শিৱসাগৰ জিলাৰ নামতি শ্বহিদ পিয়লি ফুকন মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ উদ্যোগত শিৱসাগৰ জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয় আৰু জিলা পথ সুৰক্ষা সমিতিৰ সহযোগত যোৱা শনিবাৰে এক পথ সুৰক্ষা সজাগতা সভা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ আলোচনা কক্ষত অনুষ্ঠিত হোৱা পথ সুৰক্ষা সম্পৰ্কীয় সজাগতামূলক সভাত শুভেচ্ছামূলক বক্তব্যৰে শুভাৰম্ভ কৰে শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধ্ৰুৱজ্যোতি নাথে। ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ স্বেচ্ছাসেৱক অচ্যুৎ কুমাৰ শৰ্মাই আঁত ধৰা অনুষ্ঠানটোত উপস্থিত থাকি জিলা পৰিবহণ নিয়ন্ত্ৰণ পৰিদৰ্শক জাহ্নু হাজৰিকাৰ লগতে দীপ কুমাৰ দত্ত, দিগন্ত গায়ন, মাধৱ নেওগ আৰু পদুম ভৰালীয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত পথ সুৰক্ষাৰ বিষয়ে সচেতনতা বৃদ্ধিৰ লক্ষ্যৰে পথ দুৰ্ঘটনা প্ৰতিৰোধ, যান-বাহন চলোৱাৰ নিয়ম-কানুন আৰু সুৰক্ষামূলক ব্যৱস্থা সম্পৰ্কে বহুমূলীয়া ভাষণ প্ৰদান কৰে। বিষয়া সকলে ছাত্ৰ-ছাত্ৰীসকলক পথ সুৰক্ষাৰ বিভিন্ন দিশৰ বিষয়ে অৱগত কৰাৰ লগতে হেলমেট ব্যৱহাৰ, ছিট বেল্ট বাধ্যতামূলকভাৱে ব্যৱহাৰ, অতিৰিক্ত গতিত যান-বাহন চলোৱাৰ কু-ফল আৰু ম'বাইল ফোন ব্যৱহাৰ কৰি গাড়ী চলোৱাৰ বিপদৰ বিষয়ে বুজাই দিয়ে। বিশেষকৈ সভাত উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক দায়িত্বশীল পথ ব্যৱহাৰকাৰী হিচাপে গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। লগতে সুৰক্ষিত যাতায়াত নিশ্চিত কৰিবলৈ সকলোকে যান-বাহন আইন মানি চলিবলৈ আহ্বান জনায়। আনহাতে, নামতি আৰক্ষী থানাৰ বিষয়া মাণিক গগৈ, মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ কাৰ্য্যক্ৰম বিষয়া ড০ পাপু কুমাৰ গুটে, মহাবিদ্যালয়ৰ ভালেকেইজনাকী শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ ছাত্ৰী উপস্থিত থকা সভাখনত পথ দুৰ্ঘটনা হ্ৰাস কৰাৰ লক্ষ্যৰে আয়োজিত এনে সজাগতা কাৰ্যসূচীয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত পথ সুৰক্ষাৰ বিষয়ে ইতিবাচক বাৰ্তা কঢ়িয়াই নিয়াৰ লগতে সচেতন সমাজ গঢ়ি তোলাত সহায়ক হ'ব বুলি আশা প্ৰকাশ কৰে আয়োজকসকলে।

# বৰপেটাৰোডত আৰক্ষীৰ সফল অভিযান

## ৩২ কাৰ্টন ভূটানৰ সুৰা জব্দ; তিনিজনক আটক

**অসম বাৰ্তা, বৰপেটাৰোড, ২৮ জুন ঃ** ৰপেটাৰোডত আৰক্ষীৰ এক বিশেষ অভিযানত যোৱা নিশা বৃহৎ পৰিমাণৰ অবৈধ সুৰা জব্দ কৰে। বৰপেটাৰোড থানাৰ ভাৰপ্ৰাপ্ত বিষয়া শ্যামল জ্যোতি শইকীয়াৰ নেতৃত্বত চলোৱা এই অভিযানত ৩২ কাৰ্টন ভূটানৰ সুৰা জব্দ কৰিবলৈ সক্ষম হয় আৰক্ষীৰ দলটো। প্ৰাপ্ত তথ্যমতে, এক গোপন সূত্ৰৰ পম খেদি আৰক্ষীৰ দলটোৱে খৈৰাবাৰীত এই অভিযান চলাইছিল। এখন ই-ৰিস্কাৰ জৰিয়তে মৈৰাঝাৰৰ পৰা সুৰাখিনি সৰবৰাহ কৰি থকাৰ সময়তে আৰক্ষীয়ে অভিযান চলাই সুৰাখিনি উদ্ধাৰ কৰে। জব্দকৃত সুৰাখিনি চুবুৰীয়া দেশ ভূটানৰ বুলি আৰক্ষীয়ে নিশ্চিত কৰিছে। আৰক্ষীয়ে ই-ৰিস্কাখনৰ লগতে ইয়াৰ চালক মণ্টি সাহাক আটক কৰাৰ লগে আৰু দুজনক আটক কৰে সঞ্জয় দাস আৰু জামাল উদ্দিন। ইৰিস্কা চালকে দীৰ্ঘদিন ধৰি এনে অবৈধ কাৰ্যৰ সৈতে জড়িত আছিল নেকি, সেই সন্দৰ্ভত আৰক্ষীয়ে বৰ্তমান তদন্ত অব্যাহত ৰাখিছে। অঞ্চলটোত অবৈধ সুৰাৰ প্ৰচলন ৰোধ কৰিবলৈ আৰক্ষীৰ এনে কঠোৰ পদক্ষেপক স্থানীয় ৰাইজে আদৰণি জনাইছে।

## ভয়ংকৰ বিপদৰ দিশে উত্তৰ অসম

এজন লোক। আনজন ব্যক্তিজনে কোনোমতে সাঁতুৰি প্ৰাণ ৰক্ষা কৰিবলৈ সক্ষম হয় যদিও সুদামা যাদৱ আৰু কালু দাস এতিয়ালৈকে নিখোঁজ হৈ আছে। তেওঁলোকৰ সন্ধানত উদ্ধাৰকাৰী দলসমূহে তীব্ৰ অনুসন্ধান চলাই আছে। ঘটনাটোৰ কেইমিনিটমানৰ পাছতেই চিমেন নদীৰ ওপৰত নিৰ্মিত ৰেলৱে দলঙৰ এটা খুঁটা ভাঙি পৰাৰ ফলত দলঙখনৰ একাংশ ধ্বংস হৈ যায়। এই দুৰ্ঘটনাই ৰেল যোগাযোগ সম্পূৰ্ণৰূপে বিচ্ছিন্ন কৰি পেলায়। ফলত দেওবাৰে মুৰ্কংচেলেক অভিমুখী আৰু গুৱাহাটী অভিমুখী সকলো ৰেল সেৱা বাতিল কৰিবলগীয়া হয়। ৰেল বিভাগৰ কৰ্তৃপক্ষই জনসাধাৰণক এই বিষয়ে অৱগত কৰি বিকল্প ব্যৱস্থা গ্ৰহণৰ পৰামৰ্শ দিয়ে। ধেমাজিৰ মাজেৰে বৈ যোৱা গাই নদীৰ উৎপত্তিস্থলতও ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। গাই নদীৰ উৎপত্তিস্থল নামনি চিয়াং জিলাৰ চিজিত ভূমিস্খলনৰ ফলত জলস্তৰ আংশিকভাৱে আৱদ্ধ হৈ পৰিছে, যাৰ বাবে নদীখনৰ জলস্তৰ ব্যাপক হাৰত বৃদ্ধি পাইছে। ইয়াৰ ফলত চিচিবৰগাঁও বিধানসভা সমষ্টিৰ বৰলুং, আমগুৰি, চিচিবৰগাঁও, বেতনিপাম, শ্ৰীপাণি, নিলখ, মৰিধল আৰু গোহাঁইগাঁও গাঁও পঞ্চায়তৰ কিছু অংশ বানত ডুব যোৱাৰ সম্ভাৱনা আছে বুলি প্ৰশাসনে সতৰ্কবাণী জাৰি কৰিছে। সমগ্ৰ পৰিস্থিতিৰ সফল মোকাবিলাৰ বাবে ধেমাজি জিলা প্ৰশাসন, ভাৰতীয় সেনা, এনডিআৰএফ আৰু এছডিআৰএফে সমন্বিতভাৱে সক্ৰিয় ভূমিকা গ্ৰহণ কৰি পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা অব্যাহত ৰাখিছে। সংশ্লিষ্ট অঞ্চলসমূহৰ ৰাইজক সতৰ্কতা অৱলম্বন কৰি নিৰাপদ স্থানলৈ স্থানান্তৰিত হ'বলৈ আৰু প্ৰয়োজনীয় সহায়-সহযোগিতাৰ বাবে প্ৰশাসনৰ সৈতে যোগাযোগ ৰাখিবলৈ বিনম্ৰ অনুৰোধ জনাইছে।

## ৪ হাজাৰ কোটিৰ মহাপ্ৰকল্প ঃ নতুন

কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে আৰম্ভ হোৱা এই বৃহৎ প্ৰকল্পৰ কাম-কাজ পৰ্যালোচনা কৰি তেওঁ নিৰ্মাণৰ নক্সাত কিছু সালসলনিৰো নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰী শৰ্মাই পৰিদৰ্শন কালত নিৰ্মাণকাৰী সংস্থা এনচিচিৰ কৰ্তৃপক্ষৰ সৈতে কামৰ অগ্ৰগতি সম্পৰ্কে বিস্তাৰিত আলোচনা কৰে আৰু চিকিৎসালয়খনৰ ভৱিষ্যত ৰূপ সম্পৰ্কে প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়ায়। তেওঁ নিৰ্মীয়মান অট্টালিকাসমূহ প্ৰত্যক্ষভাৱে পৰ্যবেক্ষণ কৰে আৰু নিৰ্মাণ কাৰ্যৰ মানদণ্ড কঠোৰভাৱে পালন কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ প্ৰদান কৰে। পৰিদৰ্শনৰ সময়ছোৱাত মুখ্যমন্ত্ৰীগৰাকীয়ে চিকিৎসালয় চৌহদত উপস্থিত থকা সাধাৰণ ৰাইজৰ সৈতেও বাৰ্তালাপ কৰে আৰু তেওঁলোকৰ বিভিন্ন সমস্যাৰ কথা শুনে। কোনো ৰোগীয়ে চিকিৎসা সাহায্যৰ দৰকাৰী কথা উত্থাপন কৰে, আন কোনো অভাৱগ্ৰস্থই ৰেচন কাৰ্ডৰ বিষয়ত আৰ্জি দিয়ে- বিভিন্ন সমস্যাৰ সমাধান বিচাৰি ৰাইজে মুখ্যমন্ত্ৰীৰ ওচৰত নিজৰ দুখ-কষ্টৰ কথা দাঙি ধৰে। জিএমচিএইচৰ অধ্যক্ষ ডাঃ অচ্যুত চন্দ্ৰ বৈশ্যই সংবাদ মাধ্যমৰ আগত কয় যে মুখ্যমন্ত্ৰী শৰ্মাই চিকিৎসালয়খনৰ নিৰ্মীয়মান ভৱনসমূহ পৰিদৰ্শন কৰি নিৰ্মাণৰ কামৰ অগ্ৰগতি সম্পৰ্কে সন্তোষ প্ৰকাশ কৰাৰ লগতে নক্সাৰ কিছু গুৰুত্বপূৰ্ণ সালসলনি বিচাৰে। তেওঁ কয় যে অহা আগষ্ট আৰু ছেপ্টেম্বৰ মাহৰ ভিতৰত এমএমচিএইচ (প্ৰাগজ্যোতিষপুৰ মেডিকেল কলেজ) মুকলি কৰি দিয়া হ'ব আৰু ইয়াৰ ফলত জিএমচিএইচৰ ৰোগীৰ বোজা যথেষ্ট পৰিমাণে হ্ৰাস পাব। এমএমচিএইচত ৠৠ বিছনাৰ ব্যৱস্থা থাকিব আৰু ইয়াৰ লগতে জিএমচিএইচৰ ১৮০০ বিছনাৰ সুবিধাও উপলব্ধ থাকিব। লগতে দুই-তিনি মাহৰ ভিতৰত প্ৰাগজ্যোতিষপুৰ মেডিকেল কলেজখনো কাৰ্যক্ষম হৈ উঠিব, য'ত ৠৠ বিছনাৰ ব্যৱস্থা থাকিব। ফলত দুয়োখন চিকিৎসালয় মিলি মুঠ ৠৠ বিছনাৰে ৰোগী সেৱা আগবঢ়াব পৰা যাব, যাৰ জৰিয়তে ৰাইজৰ কোনো ধৰণৰ অসুবিধা নোহোৱাকৈ কাম চলাই নিব পৰা যাব। ডাঃ বৈশ্যই লগতে কয় যে এমএমচিএইচ মুকলি হোৱাৰ পাছত ইয়ালৈ জিএমচিএইচৰ কিছু সংখ্যক ৰোগী স্থানান্তৰ কৰিব পৰা যাব আৰু ইতিমধ্যে প্ৰয়োজনীয় সা-সৰঞ্জামৰ বাবে প্ৰস্তুতি চলি আছে। জিএমচিএইচখনৰ সমগ্ৰ নিৰ্মাণ কাৰ্য ৪২ মাহৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে। পৰিদৰ্শন শেষ কৰি মুখ্যমন্ত্ৰী শৰ্মাই সামাজিক মাধ্যমযোগে জিএমচিএইচ আৰু প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ অগ্ৰগতি সম্পৰ্কে দুটা পৃথক পোষ্ট প্ৰকাশ কৰে। প্ৰথম পোষ্টত তেওঁ উল্লেখ কৰে যে ২০২২ চনত যি সপোনেৰে প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ আধাৰশিলা স্থাপন কৰা হৈছিল, আজি সেই সপোন খোজে খোজে বাস্তৱায়নৰ দিশে আগবাঢ়িছে। বৰ্তমান নিয়মীয়া অ' পি ডি আৰু বিভিন্ন ৰোগ পৰীক্ষণ সেৱা আৰম্ভ হৈছে আৰু অতি সোনকালে পূৰ্ণ পৰিসৰত চিকিৎসা সেৱাও আৰম্ভ হ'ব বুলি তেওঁ কয়। অসমৰ স্বাস্থ্যখণ্ডত চলি থকা এই বৃহৎ আন্তঃগাঁথনি বিপ্লৱে প্ৰতিগৰাকী নাগৰিকৰ বাবে সুলভ, আধুনিক আৰু গুণগত চিকিৎসা সেৱাৰ অধিকাৰক অধিক শক্তিশালী কৰি তুলিছে আৰু ৰাজ্যজুৰি এক নতুন স্বাস্থ্য অসম গঢ়ি তোলাৰ যি যাত্ৰা আৰম্ভ হৈছে, সেয়া এতিয়া দৃশ্যমান বাস্তৱত পৰিণত হৈছে। অন্য পোষ্টত মুখ্যমন্ত্ৰীগৰাকীয়ে জিএমচিএইচৰ পুনৰ্নিৰ্মাণ কাৰ্য সম্পৰ্কে কয় যে অসমৰ স্বাস্থ্য খণ্ডক অধিক শক্তিশালী আৰু ভৱিষ্যৎমুখী ৰূপ দিয়াৰ লক্ষ্যৰে আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত উপস্থিত হৈ চলিত পুনৰ্নিৰ্মাণ তথা ভূমি জৰীপৰ কাম-কাজ পৰ্যালোচনা কৰা হৈছে। ৪ হাজাৰ কোটি টকাতকৈ অধিক বিনিয়োগেৰে প্ৰস্তাৱিত এই চিকিৎসালয় ভৱনটি ভূমি+৭ মহলাযুক্ত আৰু প্ৰায় ৫০০০ ৰোগীক একে সময়তে সেৱা আগবঢ়াব পৰাকৈ ক্ষমতাসম্পন্ন। এই বৃহৎ পদক্ষেপে উন্নত চিকিৎসা শিক্ষা, গৱেষণা, অত্যাধুনিক চিকিৎসা সুবিধা আৰু ৰোগীসকলৰ বাবে অধিক সুলভ আৰু মানসম্পন্ন স্বাস্থ্যসেৱা নিশ্চিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। জনসাধাৰণক বিশ্বমানৰ চিকিৎসা সুবিধা প্ৰদান আৰু অসমক স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত দেশৰ অন্যতম অগ্ৰণী ৰাজ্য হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে চৰকাৰ দৃঢ়তাৰে আগবাঢ়ি আছে বুলি তেওঁ উল্লেখ কৰে। ইফালে জিএমচিএইচ পৰিদৰ্শনৰ পাছতে মুখ্যমন্ত্ৰী শৰ্মা বিৰুবাৰী অঞ্চলত অৱস্থিত প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয়লৈ যায় আৰু তাতো নিৰ্মাণ কাৰ্য পৰ্যবেক্ষণ কৰে। এই পৰিদৰ্শনকালতে এগৰাকী মহিলাই মুখ্যমন্ত্ৰীৰ ওচৰত সহায় বিচাৰি আহে। কান্দি কান্দি মহিলাগৰাকীয়ে মুখ্যমন্ত্ৰীৰ ভৰিত ধৰি কয় যে তেওঁ চলাই থকা কেণ্টিনখন কোনো ধৰণৰ জাননী নিদিয়াকৈ জিএমডিএই (গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণ) উচ্ছেদ কৰিছে আৰু তেওঁৰ দোকানখন ভাঙি দিয়া হৈছে। তেওঁ মুখ্যমন্ত্ৰীক 'মামা' সম্বোধন কৰি কয় যে তেওঁ দুখীয়া মানুহ আৰু তেওঁৰ দোকানত মুখ্যমন্ত্ৰীয়ে চাহ খাইছিল বুলি উল্লেখ কৰি সহায় বিচাৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে মহিলাগৰাকীৰ অভিযোগ মনোযোগেৰে শুনে আৰু প্ৰয়োজনীয় সাহায্য প্ৰদানৰ আশ্বাস দিয়ে। জিএমচিএইচৰ পুনৰ্নিৰ্মাণ কাৰ্যই অসমৰ স্বাস্থ্যসেৱা ব্যৱস্থাত এক নতুন অধ্যায়ৰ সূচনা কৰিব বুলি আশা কৰা হৈছে।

## প্ৰধানমন্ত্ৰী মোদীৰ 'মন কী বাত'ত অসম কন্যা

সংৰক্ষণৰ ক্ষেত্ৰত তেওঁৰ অৱদানক স্বীকৃতি দি প্ৰধানমন্ত্ৰীগৰাকীয়ে গোটেই দেশৰ সন্মুখত অসমীয়া মহিলাগৰাকীৰ কামক তুলি ধৰে। প্ৰধানমন্ত্ৰী মোদীয়ে অনুষ্ঠানটোত কয়, "অসমত হাঞ্জগিলা নামৰ এবিধ চৰাই পোৱা যায়। এই চৰাইবিধে পৰিৱেশ পৰিষ্কাৰ কৰাৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কিন্তু অসমৰ বিভিন্ন প্ৰান্তত এই চৰাইবিধক অশুভ বুলি বিশ্বাস কৰা হয়। কিছুমান অঞ্চলত হাড়গিলাৰ বাসস্থান হোৱা ওখ ওখ গছবোৰ কাটি পেলোৱা হৈছিল।" প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে পৰিৱেশৰ বাবে উপকাৰী এই চৰাইবিধ কিছু লোকৰ বাবে ভয়ৰ কাৰণ হৈ পৰিছিল। এই পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত পূৰ্ণিমা দেৱী বৰ্মনে ৰাইজক হাড়গিলাৰ বিষয়ে সজাগ কৰিবলৈ সংকল্পবদ্ধ হয়। তেওঁৰ নিৰন্তৰ প্ৰচেষ্টাৰ ফলত ক্ৰমান্বয়ে ৰাইজৰ লগতে মহিলাসকলৰ মাজত হাড়গিলা চৰাই সম্পৰ্কে সজাগতা বৃদ্ধি পায়। প্ৰধানমন্ত্ৰী মোদীয়ে লগতে কয়, "পূৰ্ণিমা দেৱী বৰ্মনে গ্ৰহণ কৰা হাড়গিলা সজাগতা অভিযানত হাজাৰ হাজাৰ মহিলা জড়িত হৈ পৰিল। বৰ্তমান এই দলটোক আমি 'হাড়গিলা আৰ্মী' বুলি কওঁ। হাড়গিলা আৰ্মীয়ে লোৱা পদক্ষেপৰ বাবে ৰাইজৰ মাজত সজাগতা আহিল আৰু চৰাইবিধৰ ওপৰত থকা অন্ধবিশ্বাসসমূহ দূৰ হ'ল।" প্ৰধানমন্ত্ৰীগৰাকীৰ এই উক্তিয়ে পূৰ্ণিমা দেৱী বৰ্মনৰ দীৰ্ঘদিনীয়া পৰিশ্ৰমক ৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি প্ৰদান কৰিলে। তেওঁৰ এই অভিযানে অসমৰ পৰিৱেশ তথা জৈৱবৈচিত্ৰ্যৰ সংৰক্ষণত এক নতুন মাত্ৰা যোগালে। প্ৰধানমন্ত্ৰী মোদীৰ প্ৰশংসাৰ পাছতে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে পূৰ্ণিমা দেৱী বৰ্মনক অভিনন্দন জ্ঞাপন কৰে। তেওঁ নিজৰ পোষ্টত উল্লেখ কৰে, "দেশবাসীক সম্বোধন কৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জনপ্ৰিয় অনাতাঁৰ অনুষ্ঠান 'মন কী বাত'ত অসমৰ কন্যা পূৰ্ণিমা দেৱী বৰ্মনৰ হাড়গিলা চৰাই সংৰক্ষণৰ বাবে কৰা অনন্য প্ৰচেষ্টা আৰু পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত তেখেতৰ অৱদানৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰাটো সমগ্ৰ অসমৰ বাবে এক গৌৰৱৰ বিষয়।" মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, "অসমৰ গৌৰৱ পূৰ্ণিমা দেৱী বৰ্মনে নিষ্ঠা আৰু একাগ্ৰতাৰে দেখুৱাই দিছে যে সমাজৰ ইতিবাচক পৰিৱৰ্তনৰ বাবে এগৰাকী ব্যক্তিৰ প্ৰচেষ্টায়ো কিমান ডাঙৰ ভূমিকা ল'ব পাৰে। প্ৰধানমন্ত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপনৰ লগতে বৰ্মনলৈও অভিনন্দন আৰু ভৱিষ্যৎ যাত্ৰাৰ বাবে শুভকামনা জ্ঞাপন কৰিলো।"

## ধেমাজিৰ পৰিস্থিতিৰ বুজ ল'বলৈ

ধৰণৰ সমস্যাৰ সন্মুখীন নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনক যথোচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰে। মুখ্যমন্ত্ৰী শৰ্মাই লগতে কয় যে ক্ষতিগ্ৰস্ত সকলো পৰিয়ালৰ তাৎক্ষণিক সুৰক্ষা ব্যৱস্থাক অগ্ৰাধিকাৰ দিয়াৰ বাবে নিৰ্দেশ দিয়া হৈছে। এই ক্ষেত্ৰত তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ বাবে তেওঁ জলসম্পদ মন্ত্ৰী সুশান্ত বুঢ়াগোহাঁই আৰু ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তক জিলাখনলৈ তৎক্ষণাৎ ৰাওনা হৈ জিলা প্ৰশাসনৰ সৈতে সমন্বয় ৰাখি উদ্ধাৰ, সাহায্য আৰু পুনৰ্বাসন কাৰ্য তদাৰক কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে। এই দুগৰাকী মন্ত্ৰী বানপীড়িত অঞ্চললৈ যাত্ৰা কৰি পৰিস্থিতিৰ প্ৰত্যক্ষভাৱে বুজ ল'ব আৰু প্ৰয়োজনীয় সহায়-সহযোগিতা প্ৰদানৰ বাবে প্ৰশাসনক পথ-নিৰ্দেশনা দিব। উল্লেখযোগ্য যে অসম—অৰুণাচল সীমান্তৱৰ্তী অঞ্চলত অব্যাহত থকা ধাৰাসাৰ বৰষুণৰ ফলত খৰস্ৰোতা কেমি নদীৰ জলস্তৰ বিপজ্জনকভাৱে বৃদ্ধি পাইছে। নদীখনৰ জলস্তৰ অস্বাভাৱিকভাৱে বৃদ্ধি পোৱাৰ পাছতে কেমি নদীৰ ওপৰত নিৰ্মিত কেমি—জেলম সংযোগী লোহাৰ দলংখন নৈৰ তীব্ৰ সোঁতে উটুৱাই নিয়ে। দলংখন উটুৱাই নিয়াৰ লগে লগে কেমি—পুৰণা জেলম অঞ্চলৰ সৈতে জোনাই সদৰৰ যোগাযোগ সম্পূৰ্ণৰূপে বিচ্ছিন্ন হৈ পৰে। ফলস্বৰূপে অঞ্চলটোৰ সাধাৰণ জনজীৱন সম্পূৰ্ণৰূপে বিপৰ্যস্ত হৈ পৰাৰ লগতে যাতায়াত ব্যৱস্থাও সম্পূৰ্ণৰূপে ব্যাহত হয়। ইফালে জোনাইৰ ৫১৫ নম্বৰ চাৰি লেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেদিও পানী বাগৰি যোৱাত যান-বাহনৰ চলাচল সম্পূৰ্ণৰূপে ব্যাহত হৈছে। একে সময়তে অসম—অৰুণাচল সীমান্তৱৰ্তী দুয়োখন ৰাজ্যৰ কেইবাটাও পৰিয়ালৰ ঘৰ-বাৰী পানীত ডুব যায়। ধাৰাসাৰ বৰষুণ অব্যাহত থকাৰ বাবে লেকু নদীৰ জলস্তৰ এতিয়াও বৃদ্ধি পাই থাকিব বুলি আশংকা কৰা হৈছে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশ অনুসৰি জিলা প্ৰশাসন আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে উদ্ধাৰ অভিযান জোৰকৈ চলাই আছে আৰু বানপীড়িত লোকসকলক নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰাৰ কাম অব্যাহত আছে।

## কন্দলীত ভূঁই ৰুলে কৃষিমন্ত্ৰী পীযূষ

শৰ্মা, নগাঁও জিলা কৃষি বিষয়া নিখিল নাৰায়ণ বৰুৱা তথা বিভাগীয় কৰ্তৃপক্ষ লগত পৰ্যালোচনা কৰে। তেওঁ নগাঁও জিলা কৃষি বিভাগ আৰু নগাঁও কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত নৈনে কৃষি চক্ৰৰ অন্তৰ্গত বৰকছাৰী গাঁৱত বিধায়ক, বিভাগীয় বিষয়ববীয়া তথা কৃষক ৰাইজৰ উপস্থিতিত নাৰিকলৰ পুলি ৰোপণ কাৰ্যসূচীতো অংশ লয়। মন্ত্ৰী গৰাকীয়ে বিধায়ক জিতু গোস্বামী, জিলা আয়ুক্ত, জিলা কৃষি বিষয়াৰ লগতে কৃষক ৰাইজৰ সৈতে একেলগে কন্দলীৰ বৰকছাৰী গাঁৱৰ পথাৰত নামি টেক্টৰ চলোৱাৰ লগতে ভূঁই ৰোৱাতো অংশগ্ৰহণ কৰে।

## ৰাম মন্দিৰৰ অনুদান আত্মসাতকাৰীৰ

উদ্ধাৰ হোৱা ধনৰ পৰিমাণ প্ৰায় ৮০ লাখ টকাত উপনীত হৈছে। উল্লেখ্য যে, বিগত চ্ছ জুনত ৰাম জন্মভূমি থানাত এই সম্পৰ্কে গোচৰ ৰুজু কৰাৰ পাছতে আঠজন অভিযুক্তক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰে অযোধ্যা আৰক্ষীয়ে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ প্ৰত্যক্ষ নিৰ্দেশত গঠন হোৱা বিশেষ অনুসন্ধান দল (SIT) ৰ প্ৰাথমিক প্ৰতিবেদন লাভ কৰাৰ পাছত আৰক্ষীয়ে তদন্তৰ গতি তীব্ৰতৰ কৰি তোলে। ইতিমধ্যে অভিযুক্তসকলৰ ঘৰৰ পৰা উদ্ধাৰ হোৱা ধনৰ লগতে আন আন গুৰুত্বপূৰ্ণ দলিল-পত্ৰসমূহো জব্দ কৰা হৈছে বুলি আৰক্ষী সূত্ৰই জানিবলৈ দিয়ে। গোচৰত জড়িত অভিযুক্ত আঠজন হৈছে- ৰামশংকৰ যাদৱ (ওৰফে তিন্নু), অনুকল্প মিশ্ৰ, লাভকুশ মিশ্ৰ, সুভাষ চন্দ্ৰ শ্ৰীবাস্তৱ, কৰুণেশ পাণ্ডে, মনীষ যাদৱ, অবিনাশ শুক্লা আৰু ৰামাশংকৰ মিশ্ৰ। আৰক্ষীয়ে দাখিল কৰা এজাহাৰ অনুসৰি এই আঠজনকে মন্দিৰৰ অনুদানৰ টকা আত্মসাৎ কৰাৰ মূল অভিযুক্ত হিচাপে চিহ্নিত কৰা হৈছে। অভিযুক্ত প্ৰতিজনৰ ভিন্ন ভিন্ন দায়িত্ব আছিল আৰু সেই দায়িত্বৰ সুযোগ লৈ তেওঁলোকে দীৰ্ঘদিন ধৰি এই আত্মসাৎ কাৰ্য চলাই গৈছিল বুলি প্ৰাথমিক তদন্তত পোহৰলৈ আহিছে। অযোধ্যা ধামৰ স্বৰ্গ দ্বাৰৰ বাসিন্দা ৰামশংকৰ যাদৱৰ দায়িত্ব আছিল দানপাত্ৰবোৰ চোৰাচিতা কৰি বেছমেণ্টলৈ প্ৰেৰণ কৰা। তেওঁৰ বিৰুদ্ধে দানপাত্ৰৰ পৰা কোটি কোটি টকা আত্মসাৎ কৰি অযোধ্যা আৰু ইয়াৰ আশে-পাশে থকা কেইবাখনো জিলাত বৃহৎ পৰিমাণৰ সম্পত্তি ক্ৰয় কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। আনহাতে কোতৱালী নগৰ থানাৰ মানস ডেণ্টালৰ কাষতে থকা কৌশলপুৰী কলনীৰ বাসিন্দা অনুকল্প মিশ্ৰৰ দায়িত্ব আছিল গণনা কক্ষত টকা গণনা কৰা। তেওঁৰ বিৰুদ্ধে কেৱল অনুদানৰ ধনেই নহয়, মন্দিৰৰ প্ৰসাদো চুৰি কৰি বাথৰুমত লুকুৱাই ৰখাৰ অভিযোগ আছে আৰু তেওঁ ইতিমধ্যে লাখ লাখ টকাৰ সম্পত্তি গঢ়ি তুলিছে বুলি তদন্তত পোহৰলৈ আহিছে। ৰুদৌলি থানাৰ ঠাকুৰাইন খগোশোলিৰ বাসিন্দা লৱকুশ মিশ্ৰ ধন গণনা কৰা কৰ্মচাৰী আছিল আৰু ভক্তই মন্দিৰলৈ দিয়া অনুদানৰ ধন আত্মসাৎ কৰি কোটি কোটি ধন সঞ্চয় কৰাৰ অভিযোগত তেওঁ অভিযুক্ত। তেওঁৰ ঘৰৰ পৰা আৰক্ষীয়ে ৰচ লাখ টকা উদ্ধাৰ কৰিছে। ইফালে বেংক কলনী, অঞ্জনীপুৰম, কোতৱালি নগৰৰ বাসিন্দা সুভাষ চন্দ্ৰ শ্ৰীবাস্তৱ বেংকৰ চাকৰিৰ পৰা অৱসৰ লোৱাৰ লগতে ইউনিয়নৰ এগৰাকী নেতা হিচাপেও কাম কৰিছিল আৰু ধন গণনা কৰা কৰ্মচাৰীসকলক তদাৰক কৰাৰ দায়িত্ব তেওঁৰ আছিল। তেওঁৰ বিৰুদ্ধে নগদ ধন নিৰীক্ষণত গাফিলতি কৰাৰ লগতে ধন চুৰিৰ সৈতে জড়িত থকাৰ অভিযোগ উত্থাপন হৈছে। তিন্নু যাদৱৰ ভতিজা মনীষ যাদৱ স্বৰ্গদ্বাৰত থাকে আৰু দানপাত্ৰত জমা হোৱা ধন গণনাৰ দায়িত্বত আছিল। মন্দিৰৰ প্ৰসাদ চুৰি কৰাৰ অভিযোগ উঠা এই অভিযুক্তজনৰ ঘৰৰ পৰা আৰক্ষীয়ে ছ লাখ টকা উদ্ধাৰ কৰে, যি এতিয়ালৈকে সৰ্বাধিক উদ্ধাৰ কৰা ধনৰ পৰিমাণ। জয়ৰাজপুৰৰ খান্দাছা থানাৰ বাসিন্দা কৰুণেশ পাণ্ডে আৰু কোতৱালি নগৰ থানাৰ মধুবন ডেইৰীৰ সমীপৰ কৌশলপুৰীৰ বাসিন্দা অবিনাশ শুক্লা- দুয়োৰে দায়িত্ব আছিল দানৰ টকাখিনি কোঠাটোলৈ আনি গণনা কৰা। তেওঁলোকৰ বিৰুদ্ধেও প্ৰৱঞ্চনাৰে অযোধ্যাৰ আশে-পাশে বহু সম্পত্তি ক্ৰয় কৰাৰ অভিযোগ দাখিল হৈছে। অযোধ্যাৰ প্ৰাচীন সীতাৰাম মন্দিৰৰ বাসিন্দা ৰামাশংকৰ মিশ্ৰই গণনা কক্ষলৈ দানৰ বাকচ আনি নিৰীক্ষণ কৰাৰ দায়িত্ব পালন কৰিছিল আৰু তেওঁ অন্যান্য অভিযুক্তৰ সৈতে গোপন বুজাবুজি কৰি ভক্তই মন্দিৰলৈ দিয়া ধন আত্মসাৎ কৰাৰ অভিযোগত জড়িত। আৰক্ষী সূত্ৰে জানিবলৈ দিয়া মতে, অভিযুক্তসকলৰ ঘৰৰ পৰা উদ্ধাৰ হোৱা ধন আৰু সম্পত্তিৰ সম্পূৰ্ণ তালিকা প্ৰস্তুত কৰাৰ লগতে কিবা নথি-পত্ৰ নষ্ট কৰা হৈছেনে সেই বিষয়েও তদন্ত অব্যাহত আছে। পৰিয়ালৰ সদস্যসকলক জেৰা কৰি অধিক প্ৰমাণ সংগ্ৰহৰ বাবে গুৰুত্বপূৰ্ণ তথ্য সংগ্ৰহ কৰাৰ লগতে আগন্তুক দিনবোৰত আন কেইবাগৰাকীও লোকক সোধা- পোছা কৰিব পাৰে বুলি সূত্ৰই উল্লেখ কৰিছে।

## ধুবুৰীত পলিঅ' টীকাকৰণ

কেন্দ্ৰীয়ভাৱে আয়োজন কৰা এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে কেবিনেট মন্ত্ৰী তথা ধুবুৰী জিলাৰ অভিভাৱক মন্ত্ৰী অশোক সিংহলে। পলিঅ' মুক্ত ভাৰত গঠনৰ সংকল্পেৰে আয়োজিত এই কাৰ্যসূচীত ভাষণ দি মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ স্বাস্থ্য বিভাগে লাভ কৰা অভূতপূৰ্ব সফলতাৰ বিষয়ে অৱগত কৰে। মন্ত্ৰী অশোক সিংহলে উল্লেখ কৰে যে সমগ্ৰ ৰাজ্যৰ ২৪ হাজাৰ স্বাস্থ্য কেন্দ্ৰত আজি প্ৰায় ৫২ হাজাৰ স্বাস্থ্য কৰ্মীয়ে সক্ৰিয়ভাৱে এই টীকাকৰণ অভিযান ৰূপায়ণ কৰি আছে। তেওঁ গুৰুত্ব দি কয় যে পলিঅ' নিৰ্মূলৰ এই ৰাষ্ট্ৰীয় যুঁজখনত অসমেও সমগ্ৰ দেশৰ সৈতে সমানে ভৰি মিলাইছে। শিশু আৰু মাতৃক বিভিন্ন মাৰাত্মক ৰোগৰ পৰা সুৰক্ষিত কৰি ৰাখিবলৈ চৰকাৰে এনেধৰণৰ স্বাস্থ্যমূলক সেৱাসমূহ নিৰন্তৰভাৱে চলাই যাব বুলিও তেওঁ আশ্বাস প্ৰদান কৰে। আজি অসমত টীকাকৰণ কাৰ্যসূচীৰ ৯৯ শতাংশৰো অধিক ডিজিটেল হৈ পৰিছে আৰু সমগ্ৰ ব্যৱস্থাটো এতিয়া আধুনিক টেকন'ল'জিৰ দ্বাৰা পৰিচালিত হয় বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে স্বাস্থ্য বিভাগৰ নিষ্ঠাবান কৰ্মীসকলৰ অশেষ প্ৰচেষ্টাৰ ফলতে আজি অসমত ৯৫ শতাংশ মাতৃ আৰু শিশুক সফলতাৰে টীকাকৰণ কৰিবলৈ সক্ষম হোৱা গৈছে। তেওঁ লগতে ভাষণ প্ৰসংগত কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বলিষ্ঠ নেতৃত্বৰ বাবেই আজি ৰাজ্যৰ স্বাস্থ্য বিভাগে এই অভূতপূৰ্ব সফলতা অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। ধুবুৰী মেডিকেল কলেজত অনুষ্ঠিত আজিৰ এই কেন্দ্ৰীয় কাৰ্যসূচীত ধুবুৰী স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ জ্যোতি কুমাৰ দাস, ধুবুৰী মেডিকেল কলেজ আৰু চিকিৎসালয়ৰ অধ্যক্ষ ডাঃ অংকুমণি শইকীয়াৰ লগতে স্বাস্থ্য বিভাগৰ কেইবাগৰাকীও শীৰ্ষ বিষয়া আৰু ভালেসংখ্যক আশাকৰ্মী তথা স্বাস্থ্য কৰ্মী উপস্থিত থাকে। এই টীকাকৰণ অভিযানৰ জৰিয়তে ৰাজ্যখনত পলিঅ' নিৰ্মূলৰ লক্ষ্য অতি সোনকালে সম্পূৰ্ণ কৰিব পৰা যাব বুলি আশা প্ৰকাশ কৰে উপস্থিত বিষয়াসকলে। পালছ পলিঅ' কাৰ্যসূচী উপলক্ষে ধুবুৰী মেডিকেল কলেজ চৌহদত শিশু তথা মাতৃসকলৰ বাবে বিশেষ স্বাস্থ্য শিবিৰৰো ব্যৱস্থা কৰা হয়, য'ত অভিভাৱকসকলে নিজ নিজ শিশুক টীকাকৰণৰ বাবে লৈ আহে। মন্ত্ৰী সিংহলেও কেইবাগৰাকীও শিশুৰ মুখত পলিঅ' টীপ দি এই অভিযানৰ শুভাৰম্ভ কৰে আৰু অভিভাৱকসকলক সন্তানৰ স্বাস্থ্যৰ প্ৰতি সজাগ হ'বলৈ আহ্বান জনায়। ধুবুৰী জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগে আগন্তুক দিনবোৰতো এনেধৰণৰ স্বাস্থ্য সজাগতা আৰু টীকাকৰণ কাৰ্যসূচী অব্যাহত ৰাখিব বুলি জনায়।

## 'মন কী বাত'ত অসম তথা উত্তৰ-পূবৰ

১৩৫তম খণ্ডত প্ৰধানমন্ত্ৰীগৰাকীয়ে অসমৰ হাড়গিলা সংৰক্ষণ, নাগালেণ্ডৰ ক্ৰীড়া প্ৰতিভা আৰু মেঘালয়ৰ জীৱন্ত শিপাৰ দলং- এই তিনিটা বিষয়ক শলাগ লৈ উত্তৰ-পূবৰ অনন্য বৈচিত্ৰ্য বিশ্ববাসীৰ সন্মুখত তুলি ধৰে। কলিয়াবৰৰ জখলাবন্ধা গাঁও পঞ্চায়তত এই অনুষ্ঠান উপলক্ষে এক বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হয়, য'ত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু স্থানীয় বিধায়ক তথা মন্ত্ৰী কেশৱ মহন্তই বিশেষ অতিথি হিচাপে উপস্থিত থাকে। ১৬১ আৰু ১৬৩ নং বুথৰ অগপ আৰু বিজেপিৰ বিষয়ববীয়া আৰু কৰ্মীসকলৰ উপস্থিতিত অনুষ্ঠিত এই কাৰ্যসূচীত শিক্ষামন্ত্ৰী ডাঃ পেগুৱে প্ৰধানমন্ত্ৰীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয়, "প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনক অষ্টলক্ষ্মী অভিধা দি অঞ্চলটোৰ উন্নয়ন আগুৱাই নিছে। আজি 'মন কী বাত' অনুষ্ঠানটোৰে উত্তৰ-পূৰ্বাঞ্চলক গোটেই বিশ্ববাসীৰ সন্মুখত চিনাকি কৰাই দিছে। অসমৰ হাঞ্জগিলা সংৰক্ষণ, নাগালেণ্ডৰ ফুটবল আৰু মেঘালয়ৰ ৰুটব্ৰীজ- এই তিনিটা বিষয়ক উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে উত্তৰ-পূবৰ প্ৰতি থকা নিজৰ গভীৰ মৰম আৰু চিন্তা প্ৰকাশ কৰিছে। ইয়াৰ বাবে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ হৈ মই প্ৰধানমন্ত্ৰীক ধন্যবাদ জনাইছো।" প্ৰধানমন্ত্ৰী মোদীয়ে 'মন কী বাত'ত অসমৰ দুৰ্লভ আৰু বিলুপ্তপ্ৰায় পক্ষী হাড়গিলাৰ সংৰক্ষণ সম্পৰ্কে বিশেষভাৱে আলোকপাত কৰে। 'হাড়গিলা বাইদেউ' নামেৰে পৰিচিত পৰিৱেশ কৰ্মী ডাঃ পূৰ্ণিমা দেৱী বৰ্মন আৰু তেওঁৰ 'হাড়গিলা আৰ্মী'ৰ প্ৰচেষ্টাৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে এসময়ত অশুভ বুলি গণ্য কৰা এই চৰাইবিধক স্থানীয় মহিলাসকলে কেনেকৈ সজাগতাৰে সুৰক্ষা দি আহিছে, সেয়া অতি অনুপ্ৰেৰণাদায়ক। লগতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত অনুষ্ঠিত চৰাই গণনা প্ৰক্ৰিয়াকো প্ৰধানমন্ত্ৰীয়ে প্ৰশংসা কৰে আৰু বন্যপ্ৰাণী সংৰক্ষণত জনসাধাৰণৰ অংশগ্ৰহণৰ ই এক উৎকৃষ্ট উদাহৰণ বুলি অভিহিত কৰে। আনহাতে মেঘালয়ৰ পৰিচিত জীৱন্ত শিপাৰ দলং বা 'লিভিং ৰুটব্ৰীজ' সম্পৰ্কেও প্ৰধানমন্ত্ৰীয়ে 'মন কী বাত'ত উল্লেখ কৰে। মেঘালয়ৰ স্থানীয় লোকসকলে ১২০তকৈও অধিক জীৱন্ত শিপাৰ দলং কেনেকৈ সংৰক্ষণ আৰু চোৰাচিতা কৰি এক সুন্দৰ পৰিস্থিতিতন্ত্ৰ গঢ়ি তুলিছে, সেই বিষয়ে তেওঁ শ্ৰোতাসকলক অৱগত কৰে। নাগালেণ্ডৰ ক্ৰীড়া প্ৰতিভাৰ বিষয়েও প্ৰধানমন্ত্ৰীয়ে আলোকপাত কৰি কয় যে নাগালেণ্ডৰ 'বেবী লীগ' আৰু 'মহিলা ফুটবল লীগ'ৰ জৰিয়তে তৃণমূল পৰ্যায়ত ক্ৰীড়াৰ কেনে বিকাশ ঘটিছে, সেয়া সমগ্ৰ দেশৰ বাবে এক অনুপ্ৰেৰণা। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী মোদীয়ে বিভিন্ন সময়ত 'মন কী বাত'ৰ জৰিয়তে অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ অনন্য সংস্কৃতি, জৈৱ বৈচিত্ৰ্য, ক্ৰীড়া আৰু স্থানীয় প্ৰচেষ্টাসমূহক বিশেষভাৱে প্ৰশংসা কৰি আহিছে। এইবাৰো ১৩৫তম খণ্ডত তিনিটা গুৰুত্বপূৰ্ণ বিষয়ক স্থান দি উত্তৰ-পূবৰ প্ৰতি থকা নিজৰ আগ্ৰহ আৰু মৰম পুনৰ প্ৰকাশ কৰিলে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু স্থানীয় বিধায়ক কেশৱ মহন্তৰ উপস্থিতিত কলিয়াবৰত অনুষ্ঠিত এই অনুষ্ঠানে অসমবাসীৰ মাজত বিশেষ সঁহাৰি লাভ কৰে।

## বিধ্বস্ত সূৰ্যোদয়ৰ ৰাজ্য ! সাত জিলা

নিশ্চিত কৰা হৈছে। তথাপি এজন পুৰুষকে ধৰি আন তিনিজন লোক এতিয়াও নিৰুদ্দেশ হৈ আছে আৰু তেওঁলোকৰ সন্ধানত উদ্ধাৰ অভিযান অব্যাহত আছে। নেৰানেপেৰা বৰষুণৰ মাজতো উদ্ধাৰকাৰী দলসমূহে নিজৰ কাম অব্যাহত ৰাখিছে যদিও বহুকেইখন জিলাত সংঘটিত ভূমিস্খলনে পথ-ঘাট সম্পূৰ্ণৰূপে ক্ষতিগ্ৰস্ত কৰাত উদ্ধাৰ কাৰ্য যথেষ্ট প্ৰত্যাহ্বানমূলক হৈ পৰিছে। বিশেষকৈ ভাৰত-চীন সীমান্তৱৰ্তী ৰাজ্যখনৰ সাতখন জিলা এতিয়াও সম্পূৰ্ণৰূপে সংযোগ বিচ্ছিন্ন হৈ আছে, যাৰ বাবে তাত থকা ৰাইজ অত্যন্ত সঙ্কটজনক পৰিস্থিতিৰ সন্মুখীন হৈছে। মধ্য আৰু উচ্চ অৰুণাচল প্ৰদেশক সংযোগ কৰা এক গুৰুত্বপূৰ্ণ ঘাইপথ হোজ-পটিন ৰোড (এনএইচ-১৩/এনএইচ-৭১৩এ) ত ভূমিস্খলন সংঘটিত হৈ সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছে। আকস্মিকভাৱে অহা বাঢ়নী পানীৰ ঢলে পথটোৰ একাংশ খহাই নিয়াৰ ফলত এই অঞ্চলৰ যোগাযোগ সম্পূৰ্ণৰূপে বিচ্ছিন্ন হৈ পৰে। ঘাইপথটো বন্ধ হোৱাৰ ফলত কেয়ী পানীয়ৰ, ল'ৱাৰ সোৱণশিৰি, কুৰুং কুমে, ক্ৰা দাদী, কামলে, আপাৰ সোৱণশিৰি আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলসমূহৰ যোগাযোগ সম্পূৰ্ণৰূপে বিচ্ছিন্ন হোৱাত জনসাধাৰণৰ চলাচল আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগানত ব্যাপক প্ৰভাৱ পৰিছে। স্থানীয় প্ৰশাসনে যাত্ৰীসকলৰ বাবে বিশেষ পৰামৰ্শ জাৰি কৰি ভূমিস্খলনৰ আশংকা ব্যক্ত কৰি হোজ-পটিন পথত অনাৱশ্যক সকলো যাত্ৰা পৰিহাৰ কৰিবলৈ আহ্বান জনাইছে। পাপুম পাৰে জিলাৰ আয়ুক্ত লবছাং চেৰিঙে দেওবাৰে হোজ-পটিন পথৰ মেৰামতিৰ কাম পৰিদৰ্শন কৰে আৰু পথটোৰ কেইবাঠাইতো ক্ষতিসাধন হোৱা বুলি উল্লেখ কৰি এই পথ পুনৰ মুকলি হ'বলৈ এসপ্তাহতকৈও অধিক সময়ৰ প্ৰয়োজন হ'ব বুলি অনুমান ব্যক্ত কৰে। লোক নিৰ্মাণ বিভাগৰ ৰাষ্ট্ৰীয় ঘাইপথ ডিভিজনৰ কনিষ্ঠ অভিযন্তা নাগেশ কুমাৰ সিঙে কয় যে পথ মেৰামতিৰ কামৰ বাবে কেইবাটাও মেচিন ব্যৱহাৰ কৰা হৈছে যদিও ইন্ধনৰ নাটনিৰ বাবে কামত বাধাৰ সৃষ্টি হৈছে। পথটোৰ কিছুমান অংশত প্ৰায় ৪০-৫০ মিটাৰ পৰ্যন্ত ডাঙৰ গাঁতৰ সৃষ্টি হৈছে আৰু এনেবোৰ অঞ্চলত সম্পূৰ্ণ মেৰামতি কৰিবলৈ এমাহতকৈও অধিক সময়ৰ প্ৰয়োজন হ'ব বুলি তেওঁ স্পষ্টীকৰণ দিয়ে। যুদ্ধংদেহী প্ৰস্তুতিৰে বিভাগীয় বিষয়াসকলে পথ নিৰ্মাণৰ কাম চলাই আছে যদিও অঞ্চলটোত অব্যাহত বৰষুণৰ বাবে কামৰ গতি লেহেমীয়া হৈ পৰিছে। প্ৰশাসনে দুৰ্যোগ মোকাবিলাৰ বাবে আৰক্ষী, সেনা আৰু উদ্ধাৰকাৰী দলসমূহক সজাগ কৰি ৰখাৰ লগতে ক্ষতিগ্ৰস্ত পৰিয়ালবোৰলৈ প্ৰয়োজনীয় সাহায্য প্ৰেৰণৰ কামো চলাই আছে।

## ছেচেলছৰ সংসদত ঐতিহাসিক

লগতে কয় যে ছেচেলছৰ স্বাধীনতাৰ ৫০ বছৰ পূৰ্তি উপলক্ষে এই ঐতিহাসিক ক্ষণত তেওঁলোকৰ সৈতে মিলিত হ'ব পৰাটো তেওঁৰ বাবে আনন্দ আৰু গৌৰৱৰ কথা। তেওঁ লগতে উল্লেখ কৰে যে সেউজ হাইড্ৰ'জেন খণ্ডত দুয়োখন দেশৰ মাজত সহযোগিতা উল্লেখযোগ্যভাৱে বৃদ্ধি পাইছে, যি ভৱিষ্যতৰ শক্তি সহযোগিতাৰ বাবে এক সুদৃঢ় ভিত্তি প্ৰদান কৰিব। নিজৰ পুৰণি ভ্ৰমণৰ স্মৃতি সজীৱ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ২০১৫ চনত প্ৰধানমন্ত্ৰী হোৱাৰ পিছত ভাৰত মহাসাগৰীয় অঞ্চললৈ তেওঁৰ প্ৰথম বিদেশ ভ্ৰমণ আছিল ছেচেলছ। সেই সময়তো তেওঁৰ বাবে ছেচেলছ অতি বিশেষ আছিল আৰু ভাৰতৰ ভাৰত মহাসাগৰীয় অঞ্চলক লৈ থকা দৃষ্টিভংগীত ছেচেলছৰ সদায়ে এক বিশেষ স্থান আছে। সেইবাবেই তেওঁ নিজৰ প্ৰাৰম্ভিক ভ্ৰমণৰ তালিকাত ছেচেলছক অগ্ৰাধিকাৰ দিছিল বুলি তেওঁ উল্লেখ কৰে। এটা দশকৰ পিছত যেতিয়া তেওঁ পুনৰ ছেচেলছলৈ আহিছে, তেতিয়া তেওঁৰ এই বিশ্বাস পূৰ্বতকৈও অধিক শক্তিশালী হৈ পৰিছে বুলি কৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে গুৰুত্ব দিয়ে যে ভাৰত আৰু ছেচেলছৰ সম্পৰ্ক নিৰন্তৰভাৱে শক্তিশালী হৈ আহিছে আৰু দুয়োখন দেশৰ মাজত আস্থা আৰু সহযোগিতা আগতকৈ বহু পৰিমাণে বৃদ্ধি পাইছে। তেওঁ স্পষ্টভাৱে কয় যে ভাৰত আৰু ছেচেলছ কেৱল দুখন বন্ধু ৰাষ্ট্ৰই নহয়, বৰঞ্চ দুয়োখন দেশৰ মাজত গভীৰ বিশ্বাস, সহযোগিতা আৰু অংশীদাৰিত্বৰ এক অনন্য সম্পৰ্ক আছে যাৰ মূল শিপা ইতিহাস আৰু সংস্কৃতিৰ মাজত গভীৰভাৱে সোমাই আছে। ছেচেলছৰ ৰাষ্ট্ৰীয় বিধানসভাত ভাষণ দিয়া প্ৰথম ভাৰতীয় প্ৰধানমন্ত্ৰী হিচাপে তেওঁ এই মুহূৰ্তটোক অতি বিশেষ বুলি অভিহিত কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে আশা প্ৰকাশ কৰে যে অনাগত দিনত দুয়োখন দেশৰ মাজৰ এই বিশেষ সম্পৰ্ক আৰু অধিক শক্তিশালী হ'ব আৰু ই আঞ্চলিক উন্নয়ন, নিৰাপত্তা আৰু সমৃদ্ধিৰ ক্ষেত্ৰত এক অনুকৰণীয় দৃষ্টান্ত হিচাপে পৰিগণিত হ'ব। ইফালে ছেচেলছৰ সাংসদসকলে প্ৰধানমন্ত্ৰী মোদীক উষ্ম সম্বৰ্ধনা জনায় আৰু ভাৰতৰ সৈতে থকা সম্পৰ্কক অধিক সুদৃঢ় কৰাৰ প্ৰত্যয় প্ৰকাশ কৰে।

## সাম্ভাৱ্য বান পৰিস্থিতি মোকাবিলাৰ

যাৰ পাছত বিভাগটোৱে অধিক সতৰ্ক আৰু সজাগ হৈ আছে। প্ৰথমবাৰৰ বাবে মন্ত্ৰিত্ব লাভ কৰা সুশান্ত বৰগোহাঁয়ে দায়িত্ব গ্ৰহণ কৰাৰ পাছতেই বিশেষভাৱে তৎপৰ হৈ পৰে আৰু বিভিন্ন অঞ্চল পৰিদৰ্শন কৰি সাম্ভাৱ্য বান পৰিস্থিতিৰ প্ৰত্যক্ষভাৱে বুজ লয়। দেওবাৰে দিছপুৰত সংবাদ মাধ্যমৰ আগত মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্যত নতুনকৈ ৮৩০ কিলোমিটাৰ মথাউৰিৰ কাম ইতিমধ্যেই সম্পূৰ্ণ হৈ গৈছে আৰু জিঅ' বেগ আৰু জিঅ' টিউবৰ কামও বহু ঠাইত সম্পন্ন হৈছে। ইয়াৰ লগতে ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত এতিয়াও ১৩০ কিলোমিটাৰ মথাউৰি নিৰ্মাণ কৰিবলৈ বাকী আছে বুলি তেওঁ স্পষ্টীকৰণ দিয়ে। মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে যে তিনি-চাৰি দশক পূৰ্বে নিৰ্মাণ কৰা বহু মথাউৰি এতিয়া পুনৰ নিৰ্মাণ কৰিবলগীয়া হৈ পৰিছে আৰু বাৰিষা মৌসুম শেষ হোৱাৰ লগে লগে এই কামবোৰ আৰম্ভ কৰা হ'ব। বিগত পাঁচ বছৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বানমুক্ত অসমৰ পৰিকল্পনা অনুসৰি জলসম্পদ বিভাগে বহুকেইটা মথাউৰি নিৰ্মাণ কৰিছে, যাৰ ফলত ৰাজ্যই যথেষ্ট পৰিমাণে বানৰ প্ৰকোপৰ পৰা ৰক্ষা পাইছে বুলি তেওঁ কয়। খহনীয়া সম্পৰ্কে মন্তব্য কৰি মন্ত্ৰীগৰাকীয়ে কয় যে অসমত খহনীয়া যথেষ্ট পৰিমাণে হয় যদিও স্পৰ্শকাতৰ তথা জনবসতি অঞ্চলত খহনীয়া ৰোধৰ বাবে প্ৰয়োজনীয় কাম চলি আছে। বিভিন্ন অঞ্চল পৰিদৰ্শন কৰি লাভ কৰা অভিজ্ঞতাৰ প্ৰসংগত তেওঁ কয় যে অসমখন চাৰিওফালে পাহাৰেৰে বেৰি থকা এখন ৰাজ্য আৰু বাৰিষা মৌসুমত পাহাৰীয়া নদীসমূহৰ পানী ভয়ংকৰ ৰূপত নামি আহে, যাৰ ফলত ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হয়। মন্ত্ৰী বৰগোহাঁয়ে কয় যে আগতে নদীসমূহৰ গতিপথ সম্পৰ্কে কোনো গুৰুত্বপূৰ্ণ অধ্যয়ন নাছিল, কিন্তু বিগত সময়ছোৱাত বহুকেইটা প্ৰতিষ্ঠানৰ যোগেদি এই ক্ষেত্ৰত গৱেষণা চলাইছে আৰু এই গৱেষণাৰ ভিত্তিতে কাম কৰি আগবাঢ়ি যোৱাত সক্ষম হোৱা গৈছে। বৰ্তমান ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত ১৩০ কিলোমিটাৰ মথাউৰি নিৰ্মাণৰ লগতে পুৰণি মথাউৰি সমূহ পুনৰ নিৰ্মাণৰ বাবে চিনাক্তকৰণৰ কাম শেষ হৈছে আৰু কোনবোৰ স্থানত কাম আৰম্ভ কৰিব লাগিব সেয়া নিৰ্ধাৰণ কৰা হৈছে বুলি জানিবলৈ দিয়ে। নীপকো শক্তি উৎপাদন কেন্দ্ৰৰ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে কয় যে নীপকো হৈছে এটি শক্তি উৎপাদন কেন্দ্ৰ আৰু যেতিয়া কেন্দ্ৰটোত পৰিমাণতকৈ বেছি পানী আহে তেতিয়া পানী এৰি দিবলগীয়া হয়। পানী এৰি দিয়াৰ পূৰ্বে তেওঁলোকে সময়মতে সতৰ্কবাণী দিয়ে যদিও কেতিয়াবা ডাৱৰ বিস্ফোৰণ হ'লে পৰিস্থিতি বেয়া হৈ পৰে। প্ৰকৃতিৰ লগত যুঁজাটো কঠিন বুলি স্বীকাৰ কৰিও তেওঁ কয় যে চৰকাৰে যিকোনো বান পৰিস্থিতি মোকাবিলা কৰিবলৈ সম্পূৰ্ণৰূপে সজাগ আৰু সাজু হৈ আছে আৰু নামনি অঞ্চলৰ ব্যৱস্থাসমূহ আগতকৈ উন্নত কৰা হৈছে। জলসম্পদ বিভাগে বান প্ৰতিৰোধ আৰু পৰিচালনাৰ বাবে প্ৰতিটো স্তৰতে কাম কৰি আছে বুলি মন্ত্ৰীগৰাকীয়ে স্পষ্টভাৱে উল্লেখ কৰে।

## প্ৰধানমন্ত্ৰী মোদীলৈ ছিচেলছৰ

'গাৰ্ডিয়ান অৱ দ্য ব্লু হৰাইজন' (নীল দিগন্তৰ অভিভাৱক) উপাধিৰে বিভূষিত কৰে। তিনিদিনীয়া ছিচেলছ ভ্ৰমণসূচীৰ অংশ হিচাপে এই সন্মান গ্ৰহণ কৰাৰ সময়তে প্ৰধানমন্ত্ৰীগৰাকীয়ে এই বিশেষ উপাধি জলবায়ু পৰিৱৰ্তনৰ দৰে কঠিন প্ৰত্যাহ্বানৰ সৈতে যুঁজি থকা আৰু ভৱিষ্যত প্ৰজন্মৰ বাবে পৰিৱেশ সুৰক্ষাক জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰা প্ৰতিখন দেশলৈ উৎসৰ্গা কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা প্ৰতিক্ৰিয়াত কয়, "ছিচেলছৰ জনসাধাৰণ আৰু চৰকাৰৰ লগতে ৰাষ্ট্ৰপতি হাৰ্মিনিয়ে মোক 'গাৰ্ডিয়ান অৱ দ্য ব্লু হৰাইজন' উপাধিৰে সন্মান জনোৱাৰ বাবে মই আন্তৰিকভাৱে কৃতজ্ঞ। বিনম্ৰতাৰে মই এই সন্মান গ্ৰহণ কৰিছো আৰু জলবায়ু পৰিৱৰ্তনৰ দৰে বৈশ্বিক সমস্যাসমূহৰ সৈতে যুঁজি থকা আৰু পৰিৱেশ সুৰক্ষাক ভৱিষ্যত প্ৰজন্মৰ প্ৰতি দায়িত্ব হিচাপে গ্ৰহণ কৰা প্ৰতিখন দেশৰ বাবে এই সন্মান উৎসৰ্গা কৰিছো। এয়া এক জটিল প্ৰত্যাহ্বান, যিটো আমি একেলগে সন্মুখীন হৈ সমাধান কৰিব লাগিব।" প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে যে সূৰ্যই নিজৰ বাটত পৃথিৱীখনক অধিক সেউজীয়া আৰু বহনক্ষম কৰি তুলিবলৈ প্ৰয়োজনীয় কাম কৰিবলৈ সাজু থাকে আৰু এই দৃষ্টিভংগী ভাৰতৰ বিভিন্ন ঘৰুৱা নীতিত প্ৰতিফলিত হৈছে। বহনক্ষম ভৱিষ্যতৰ বাবে গ্ৰহণ কৰা এই দৃষ্টিভংগী আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰজোঁট আৰু দুৰ্যোগ স্থিতিস্থাপক আন্তঃগাঁথনিৰ বাবে মিত্ৰজোঁটৰ দৰে বিশ্বব্যাপী পদক্ষেপত স্পষ্টভাৱে প্ৰতিফলিত হৈছে বুলি তেওঁ কয়।

## শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ

তেওঁ অনশন কাৰ্যসূচী আৰম্ভ কৰিব। চৰকাৰী স্তৰৰ পৰা কোনো সঁহাৰি নাপালেই তেওঁ আজিৰ পৰা এই অনশন আৰম্ভ কৰে। জানিব পৰা মতে, সোণম ৱাংচুকৰ এই অনশন কাৰ্যসূচীত সৰ্বভাৰতীয় ছাত্ৰ সন্থাৰ কেইবাগৰাকীও ছাত্ৰ নেতাই যোগদান কৰিব। ইতিমধ্যে ক'কৰোচ্ছ জনতা পাৰ্টীৰ প্ৰতিবাদস্থলীত উপস্থিত হৈ ৱাংচুকে অনশন আৰম্ভ কৰাৰ লগে লগে সমগ্ৰ আন্দোলনক নতুন মাত্ৰা প্ৰদান কৰে। ছাত্ৰ-ছাত্ৰীৰ উপৰিও বিভিন্ন সামাজিক সংগঠনসমূহেও এই আন্দোলনৰ প্ৰতি সমৰ্থন জ্ঞাপন কৰিছে। ক'কৰোচ্ছ জনতা পাৰ্টীৰ মুখপাত্ৰ দীপক বালিয়ানে জনোৱা মতে, এই আন্দোলনে ইতিমধ্যে দেশৰ ৬৫০ তকৈও অধিক কৃষক সংগঠনৰ পৰা ব্যাপক সমৰ্থন লাভ কৰিছে। কৃষকসকলে নিজৰ সন্তানসকলৰ ভৱিষ্যতৰ সুৰক্ষাৰ বাবে এই যুঁজত অংশগ্ৰহণ কৰিবলৈ আগ্ৰহী বুলি তেওঁ উল্লেখ কৰে। এই পৰিপ্ৰেক্ষিতত আজি দিল্লীত এখন বৃহৎ খাপ পঞ্চায়ত অনুষ্ঠিত হ'ব, য'ত আগন্তুক দিনবোৰত আন্দোলন কেনেদৰে আগুৱাই নিব লাগে তাৰ কৌশল সম্পৰ্কে গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হ'ব। ক'কৰোচ্ছ জনতা পাৰ্টীৰ প্ৰতিষ্ঠাপক অভিজিৎ দীপকে সংবাদ মাধ্যমৰ সৈতে কথা পাতে আৰু কয় যে দিল্লীত আন্দোলন আৰম্ভ হোৱাৰ দিনাই সোণম ৱাংচুকে স্পষ্ট কৰি দিছিল যে শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে সাতদিনৰ ভিতৰত পদত্যাগ নকৰিলে অনশন কাৰ্যসূচী আৰম্ভ হ'ব। কিন্তু চৰকাৰী পক্ষই কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাত আজিৰ পৰা সেই অনশন আৰম্ভ কৰা হৈছে। এই আন্দোলন অব্যাহত থাকিব যেতিয়ালৈকে চৰকাৰে শিক্ষামন্ত্ৰীজনৰ বিষয়ে উপযুক্ত সিদ্ধান্ত নলয়। ক'কৰোচ্ছ জনতা পাৰ্টীয়ে এই প্ৰতিবাদৰ জৰিয়তে কেইবাটাও গুৰুত্বপূৰ্ণ দাবী উত্থাপন কৰিছে। তাৰ ভিতৰত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ, প্ৰশ্নকাকত ফাদিল গোচৰত অভিযুক্ত আটাইকেইজনক গ্ৰেপ্তাৰ কৰা, পৰীক্ষা ব্যৱস্থাত স্বচ্ছতা অনা, সামগ্ৰিকভাৱে শিক্ষাখণ্ডৰ সংস্কাৰ সাধন কৰা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত সুৰক্ষিত কৰা আদি মুখ্য দাবীসমূহ অন্তৰ্ভুক্ত। এই দাবীসমূহ পূৰণ নকৰালৈকে আন্দোলন তথা অনশন কাৰ্যসূচী অব্যাহত থাকিব বুলি আন্দোলনকাৰীসকলে স্পষ্টভাৱে উল্লেখ কৰিছে। উল্লেখযোগ্য যে এই আন্দোলনে এতিয়া ছাত্ৰ-ছাত্ৰী, কৃষক আৰু বিভিন্ন সামাজিক সংগঠনক একক মঞ্চত একত্ৰিত কৰিছে। ফলস্বৰূপে আন্দোলনৰ গতি আৰু তীব্ৰতা আগৰ তুলনাত বহুগুণে বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। কৃষক সংগঠনসমূহে নিজৰ সন্তানৰ শিক্ষাৰ সুৰক্ষাৰ বাবে এই যুঁজত অৱতীৰ্ণ হোৱা বুলি আন্দোলনৰ নেতৃত্বই জানিবলৈ দিয়ে। আগন্তুক দিনবোৰত চৰকাৰী পক্ষই এই দাবীসমূহৰ প্ৰতি কেনে সঁহাৰি দিয়ে তাৰ ওপৰেই আন্দোলনৰ ভৱিষ্যত গতিপথ নিৰ্ভৰ কৰিব।

## ৰাচীত সন্ত্ৰাসবাদীৰ আক্ৰমণত নিহত

অৱস্থিত সিন্ধ ৰেঞ্জাৰৰ স্থানীয় মুখ্য কাৰ্যালয়টোক লক্ষ্য কৰি চলোৱা এই আক্ৰমণে সমগ্ৰ চহৰখনত ততকালীন পৰিস্থিতিৰ সৃষ্টি কৰে আৰু ২০২৪ চনৰ অক্টোবৰ মাহৰ পাছত কৰাচীত সংঘটিত প্ৰথম বৃহৎ সন্ত্ৰাসবাদী আক্ৰমণ হিচাপে পৰিগণিত হয়। সিন্ধৰ আৰক্ষী মহাপৰিদৰ্শক জাভেদ আলম ওধোৱে সংবাদ মাধ্যমক জনোৱা মতে, উগ্ৰপন্থীসকলে তেওঁলোকৰ বাহনখন মূল গেটত খুন্দা মাৰি আক্ৰমণ আৰম্ভ কৰিছিল আৰু প্ৰথম অৱস্থাত বিস্ফোৰণ হৈছে নে নাই সেয়া স্পষ্ট নাছিল। আক্ৰমণৰ পাছতে আৰক্ষী আৰু বিশেষ নিৰাপত্তা ইউনিটৰ কমাণ্ডো, সন্ত্ৰাসবাদী বিৰোধী বাহিনী (ATF) আৰু ৰেঞ্জাৰছৰ জোৱানে অঞ্চলটো সম্পূৰ্ণৰূপে ঘেৰাও কৰে আৰু 'ক্লিয়াৰেন্স অপাৰেশ্বন' আৰম্ভ কৰে। আৰক্ষীৰ বিশেষজ্ঞ চুমাইয়া চৈয়দে পাকিস্তানৰ ইংৰাজী বাতৰি কাকত ডনক জনোৱা মতে, আক্ৰমণৰ সময়ত এজন অৰ্ধসামৰিক বাহিনীৰ জোৱানৰ ভৰিত গুলী লাগে আৰু তেওঁক আহত অৱস্থাতে চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। অঞ্চলটোত ধাৰাবাৰ বন্দুকৰ গুলী বৰ্ষণ আৰু বিস্ফোৰণৰ খবৰ পোৱাৰ পাছতে আৰক্ষী আৰু উদ্ধাৰকাৰী দলসমূহ দ্ৰুতগতিত ঘটনাস্থলীত উপস্থিত হয়। ৰেচকিউ ৰবচচ সিন্ধে জনোৱা মতে, ৪ নং গুলিস্তান-ই-জোহৰ ব্লকৰ ওচৰত বিস্ফোৰণৰ খবৰ পোৱাৰ লগে লগে তেওঁলোকৰ কেন্দ্ৰীয় কমাণ্ড আৰু কণ্ট্ৰল চেণ্টাৰৰ পৰা দলসমূহ ঘটনাস্থলীলৈ প্ৰেৰণ কৰা হয়। আল জাজিৰাৰ বাতৰি অনুসৰি এই আক্ৰমণৰ দায়িত্ব পাকিস্তানী তালিবান নামেৰে পৰিচিত তেহৰিক-ই-তালিবান পাকিস্তানৰ এটা বিভাজিত গোট জামাত-উল-আহৰাৰে স্বীকাৰ কৰিছে। গোটটোৱে জনোৱা মতে, এই আক্ৰমণত মুঠ ৯জন আক্ৰমণকাৰী জড়িত আছিল। পাকিস্তানৰ নিৰাপত্তা বাহিনীসমূহে সন্ত্ৰাসবাদী এই গোটটোৰ বিৰুদ্ধে বিশেষ সতৰ্কতা অৱলম্বন কৰি থকাৰ সময়তে এই আক্ৰমণ সংঘটিত হয়। উল্লেখযোগ্য যে ইয়াৰ কিছুদিন পূৰ্বে ৭ ফেব্ৰুৱাৰীত ইছলামাবাদৰ উপকণ্ঠ অঞ্চলৰ টাৰলাই কালান অঞ্চলৰ এখন ছিয়া মছজিদত আত্মঘাতী বোমা বিস্ফোৰণ ঘটিছিল, য'ত কমেও ৩১জন লোক নিহত আৰু ১৬৯জন আহত হৈছিল। এই বিস্ফোৰণটো শুকুৰবাৰৰ নামাজৰ সময়ত ইমাম্বৰগাহ খাদিজা-তুল-কুব্ৰাত সংঘটিত হৈছিল বুলি ডন কাকতে উল্লেখ কৰে। সেই বিস্ফোৰণৰ পাছতে পাকিস্তানত থকা আমেৰিকাৰ দূতাবাসে আমেৰিকাৰ নাগৰিকসকলৰ বাবে নিৰাপত্তা সতৰ্কবাণী জাৰি কৰিছিল। ইছলামবাদত সংবাদ মাধ্যমৰ আগত স্বৰাজ মন্ত্ৰী তালাল চৌধুৰীয়ে কয় যে আক্ৰমণকাৰীজন আফগান নহ'লেও কৰ্তৃপক্ষই ফৰেনছিক পৰীক্ষাৰ জৰিয়তে নিৰ্ণয় কৰিছে যে তেওঁ কিমানবাৰ আফগানিস্তান ভ্ৰমণ কৰিছিল। এই ঘটনাই পুনৰবাৰ পাকিস্তানৰ নিৰাপত্তা পৰিস্থিতিৰ ওপৰত গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত দেশখনৰ সন্ত্ৰাসবাদ বিৰোধী সক্ষমতা সম্পৰ্কে নতুনকৈ চিন্তাৰ সৃষ্টি কৰিছে।

"সংস্কাৰ আৰু পৰিৱেশে মানুহৰ মানসিকতা নিৰ্মাণত যথেষ্ট অৰিহণা যোগায়"

# গহপুৰত আটছাৰ কৃতি শিক্ষাৰ্থীৰ অভিনন্দন অনুষ্ঠানত বিধায়ক পল্লৱ লোচন দাস

**অসম বাৰ্তা, গহপুৰ, ২৮ জুন ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ বিশ্বনাথ জিলা সমিতিৰ উদ্যোগত আজি গহপুৰ নগৰৰ কনকলতা ভৱনত অনুষ্ঠিত হোৱা কৃতি ছাত্ৰ-ছাত্ৰীৰ এক অভিনন্দন অনুষ্ঠানত ২৫০ গৰাকী কৃতি ছাত্ৰ-ছাত্ৰীক আনুষ্ঠানিকভাৱে অভিনন্দন জ্ঞাপন কৰা হয়। আটছাৰ গহপুৰ, বিহালী, বিশ্বনাথ আৰু নদুৱাৰ শাখা সমিতিৰ সহযোগত অনুষ্ঠিত হোৱা এই অভিনন্দন অনুষ্ঠানত সদ্য ঘোষিত উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ফলাফলত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা জিলাখনৰ ২৫০ গৰাকী চাহ জনগোষ্ঠীয় কৃতি ছাত্ৰ-ছাত্ৰীক অভিনন্দন জ্ঞাপন কৰি তেওঁলোকক আগন্তুক শৈক্ষিক যাত্ৰাৰ বাবে অনুপ্ৰেৰণা জনোৱা হয়। সেই উপলক্ষে আজি দিনৰ প্ৰায় ১ঃ৩০ বজাৰ পৰা অনুষ্ঠিত হোৱা অভিনন্দন অনুষ্ঠানৰ মুকলি সভাখনত সভাপতিত্ব কৰে আটছাৰ বিশ্বনাথ জিলা সমিতিৰ সভাপতি মহেশ ছত্ৰীয়ে। জিলা সমিতিৰ সাধাৰণ সম্পাদক নিলোৎপল ৰৱিদাসে আদৰণি ভাষণ প্ৰদান কৰা সভাখনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি বিশ্বনাথ বিধানসভা সমষ্টিৰ বিধায়ক পল্লৱ লোচন দাসে কয় যে মানুহ সমাজ প্ৰিয় জীৱ। এখন সুস্থ সমাজ গঠনত মানুহৰ অৱদান অতুলনীয়। এখন সমাজক সঠিক দিশেৰে আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত প্ৰতিগৰাকী লোকৰ মন, চিন্তা শুদ্ধ আৰু পবিত্ৰ হ'ব লাগিব। ভাষণ প্ৰসংগত তেওঁ আৰু কয় যে সুস্থ সমাজ আৰু পৰিৱেশে মানুহৰ উপযুক্ত মানসিকতা নিৰ্মাণ কৰে। সু মানসিকতা গঢ়ি তুলিবলৈ প্ৰতিগৰাকী লোক সংস্কাৰী হ'ব লাগিব বুলি উল্লেখ কৰি তেওঁ ভাষণত কয় যে সংস্কাৰী শিক্ষাই মানৱ জীৱনত ইতিবাচক প্ৰভাৱ পেলায়। ভাষণ প্ৰসংগত তেওঁ সকলোৰে পৰাই সংস্কাৰী শিক্ষাৰে শিক্ষিত হৈ শৈক্ষিক ক্ষেত্ৰত আগুৱাই যাবলৈ উঠি অহা প্ৰজন্মৰ প্ৰতি আহ্বান জনায়। উক্ত অভিনন্দন অনুষ্ঠানৰ মুকলি সভাত কৃতি ছাত্ৰ-ছাত্ৰী সকলক স্মাৰক, ফাইল কভাৰ, অভিধান, কেৰিয়াৰ সম্পৰ্কীয় কিতাপেৰে অভিনন্দন জ্ঞাপন কৰা হয়। উক্ত সভাত বিশিষ্ট অতিথি হিচাপে অংশ গ্ৰহণ কৰি বিশিষ্ট সমাজকৰ্মী তথা শংকৰদেৱ শিক্ষা নিকেতন, গহপুৰৰ সভাপতি উদয় আদিত্য গোস্বামীয়ে ভাষণ প্ৰদান কৰি সুস্থ সমাজ গঠনত ছাত্ৰ-ছাত্ৰীৰ ভূমিকাৰ ওপৰত বহল বাখ্য আগবঢ়ায়। ইপিনে সদৌ অসম সাংবাদিক সন্থাৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক ভুৱন শইকীয়াই ভাষণ প্ৰদান কৰি আটছাৰ এই পদক্ষেপক শলাগ লৈ কয় যে এনেধৰণৰ অনুষ্ঠানে ছাত্ৰ-ছাত্ৰী সকলক অনুপ্ৰেৰণা যোগায়। উক্ত সভাত ছয়দুৱাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কিশোৰ সিং ৰাজপুত, যুৱ সমাজকৰ্মী প্ৰণৱজ্যোতি ভূঞা, আটছাৰ কেন্দ্ৰীয় সভাপতি জগদীশ বৰাইক, সাধাৰণ সম্পাদক সুনীল তিৰ্কী, ছাত্ৰ নেতা ধ্ৰুৱজ্যোতি বৰা, দিব্যজ্যোতি ভূঞা, কমলজিৎ দত্ত, লেনিন ব্ৰহ্ম, পংকজ মহানন্দ, শিক্ষক জিতেন মহানন্দ প্ৰমুখ্যে বহু বিশিষ্ট লোক উপস্থিত থাকে। সভাখনৰ আৰম্ভণিতে পুৱা আটছাৰ পতাকা উত্তোলন কৰে বিশ্বনাথ জিলা সমিতিৰ সভাপতি মহেশ ছত্ৰীয়ে। ছহিদ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ শুভাৰম্ভ কৰে সাধাৰণ সম্পাদক নিলোৎপল ৰৱিদাসে। উল্লেখযোগ্য যে উক্ত সভাত চাহ-জনগোষ্ঠীয় কৃষ্টি সংস্কৃতিৰ বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰি উপস্থিত ৰাইজক আপ্লুত কৰা হয়।

# মাজুলীত যুৱকৰ ৰহস্যজনক মৃত্যু

## পৰিকল্পিত হত্যাৰ সন্দেহ; হত্যাৰ দাবী পৰিয়ালৰ লোকৰ

**অসম বাৰ্তা, মাজুলী, ২৮ জুন ঃ** যোৱা ২৪ জুনত মাজুলীৰ শালমৰাত এক পথ দুৰ্ঘটনাক কেন্দ্ৰ কৰি সৃষ্টি হৈছে তীব্ৰ ৰহস্যৰ। দুৰ্ঘটনাত ৰাজু কলিতা নামৰ যুৱক জনৰ চিকিৎসাধীন অৱস্থাত কালি মৃত্যু হোৱাৰ পাছত ঘটনাক কেন্দ্ৰ তীব্ৰ উত্তেজনাৰ সৃষ্টি হৈছে শালমৰাত। অস্বাভাৱিক মৃত্যুৰ বাবে পৰিয়ালৰ লোকে যুৱক জনক পৰিকল্পিতভাৱে হত্যা কৰাৰ সন্দেহ প্ৰকাশ কৰিছে। ঘটনাৰ বিৱৰণী মতে দক্ষিণপাটৰ পৰা মাথাউৰী পথ হৈ সন্ধ্যা ঘৰলৈ অহা ৰাজু কলিতা(৩৪) নামৰ বিবাহিত যুৱকজনে পত্নী লৈ ফোন কৰি ভাত ৰান্ধিবৰ বাবে পৰামৰ্শ দিছিল। কিন্তু ফোন কৰাৰ বহু সময়ৰ পাছতো যুৱকজন ঘৰ আহি নোপোৱাত পুনৰ ফোন কৰে যদিও ফোনটো ধৰা নাছিল। কিছু সময়ৰ পাছত গাঁৱৰে গিৰিকান্ত শইকীয়া (দাদু) নামৰ যুৱকজনে ফোনটো ধৰি ২ নং শৈল বান্ধৰ ওচৰত ৰাজু কলিতাৰ দুৰ্ঘটনা হোৱা বুলি জানিবলৈ দিয়ে। পৰিয়াল লোক ঘটনা স্থলীত উপস্থিত হোৱাৰ সময়ত ৰাজু কলিতা অজ্ঞান হৈ পৰি থকাৰ বিপৰীতে গিৰিকান্ত শইকীয়াই ও নিজে সামান্য আঘাত পোৱা বুলি জানিবলৈ দিয়ে আৰু লগত থকা দীপক হাজৰিকা নামৰ আনজন যুৱক আঁতৰি যোৱা বুলি জানিবলৈ দিয়ে। পৰিয়ালৰ লোকে লগে লগে সংজ্ঞাহীন যুৱক জনক গড়মূৰ চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে উন্নত চিকিৎসাৰ প্ৰয়োজনত ডিব্ৰুগড়লৈ নিবলৈ পৰামৰ্শ দিয়াত ডিব্ৰুগড়লৈ লৈ যায়। কালি পুৱা ডিব্ৰুগড়ৰ চিকিৎসালয়ত সংজ্ঞাহীন অৱস্থাতে যুৱক জনৰ মৃত্যু হয়। যুৱক গৰাকীৰ দুৰ্ঘটনা হোৱা বুলিও নিজে কব পৰা অৱস্থাত নথকাৰ সময়ত গিৰিকান্ত বোলা যুৱকজনে কোৱা দুৰ্ঘটনা প্ৰসংগত সন্দেহ প্ৰকাশ কৰিছে পৰিয়ালৰ লোকে। কিয়নো দুৰ্ঘটনা হোৱা বুলি কোৱা যুৱক জনৰ মূৰৰ পিছ ফালৰ ডিঙিৰ ওচৰৰ অংশ কিছু আঘাতৰ এটা মাত্ৰ চিন স্পষ্ট হৈ থকাৰ বিপৰীতে যুৱকৰ শৰীৰৰ কোনো অংশত নাই আন কোনো আঘাতৰ চিন। এনে অৱস্থাত যুৱক জনৰ মৃত্যুক সহজ ভাৱে লব পৰা নাই গাঁওবাসী তথা পৰিয়ালৰ লোকে। পৰিয়ালৰ দাবী— এয়া কোনো সাধাৰণ পথ দুৰ্ঘটনা নহয়, কোনোবাই পৰিকল্পিতভাৱে ৰাজুক হত্যা কৰি দুৰ্ঘটনাৰ ৰূপ দিবলৈ চেষ্টা কৰিছে। ইফালে এই ঘটনাক কেন্দ্ৰ কৰি মৃত যুৱকজনৰ পৰিয়ালে মাজুলী থানাত এক এজাহাৰ দাখিল কৰিছে। পৰিয়ালৰ এজাহাৰৰ ভিত্তিত মাজুলী থানাত ২১৫/২৬ নম্বৰত এক গোচৰ ৰুজু কৰা হৈছে। আৰক্ষীয়ে ভাৰতীয় ন্যায় সংহিতাৰ ১০৬(১) আৰু ২৮১ ধাৰাৰ অধীনত গোচৰ ৰুজু কৰি ইতিমধ্যে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। আৰক্ষীয়ে দুয়োখন মটৰচাইকেল জব্দ কৰিছে যদিও মৰণোত্তৰ পৰীক্ষাৰ সম্পূৰ্ণ ৰিপৰ্ট অহাৰ পাছতহে মৃত্যুৰ প্ৰকৃত কাৰণ পোহৰলৈ আহিব বুলি জানিবলৈ দিছে। ইফালে গিৰিকান্ত শইকীয়া নামৰ যুৱকজন চিকিৎসাৰ বাবে মাজুলীৰ বাহিৰত আছে বুলি জানিবলৈ দিয়াৰ বিপৰীতে দীপক হাজৰিকা নামৰ যুৱক জনৰ লগত কোনো ধৰণৰ সম্পৰ্ক কৰিব পৰা নাই কোনো লোকে। ৰাইজৰ দাবী, এই ঘটনাৰ উচিত তদন্ত হব লাগে আৰু দোষীক কঠোৰতম শাস্তি দিব লাগে। মৃত যুৱকজনক কালি নিজ গাঁৱলৈ অনাৰ পাছত অগণন লোকৰ উপস্থিতিত শেষ কৃত্য সম্পন্ন কৰে গাঁওবাসীয়ে।

# উত্তৰ পূৰ্বাঞ্চল সংখ্যালঘু ছাত্ৰ সন্থা নেমছুৰ গোসাঁইগাঁও জিলা সমিতিৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা আৰু শিক্ষা সজাগতা সভা অনুষ্ঠিত

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ২৮ জুন ঃ** উত্তৰ পূৰ্বাঞ্চল সংখ্যালঘু ছাত্ৰ সন্থা (নেমছু)ৰ গোসাঁইগাঁও জিলা সমিতিৰ উদ্যোগত আজি গোসাঁইগাঁও প্ৰেছ ক্লাবত এক বৰ্ধিত কাৰ্যনিৰ্বাহক সভা তথা শিক্ষা সজাগতা সভা অনুষ্ঠিত হয়। সভাখনত সংগঠনটোৰ সাংগঠনিক দিশ শক্তিশালী কৰাৰ লগতে শিক্ষাৰ ক্ষেত্ৰত সজাগতা বৃদ্ধিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। অনুষ্ঠানত সংগঠনটোৰ সদস্য সংখ্যা বৃদ্ধি কৰাৰ উদ্দেশ্যে নতুনকৈ কেইবাজনো সদস্যক সদস্যপদ প্ৰদান কৰা হয়। সাপকাটা আঞ্চলৰ নুৰুল ইছলাম, ৰাহুল আলী, নিজামুদ্দিন শেখ আজি আনুষ্ঠানিকভাৱে নেমছুত যোগদান কৰে। সভাত সভাপতিত্ব কৰে গোসাঁইগাঁও জিলা সমিতিৰ সভাপতি ছাদ্দাম হুছেইনে সভাত নেমছুৰ কেন্দ্ৰীয় সভাপতি গোলাপ ৰাব্বাণী, বিটিআৰ সভাপতি হিফিজুৰ ইছলাম, উপ-সভাপতি ছাইফুল ইছলাম, সাধাৰণ সম্পাদক অলেবৰ আলি, কোকৰাঝাৰ জিলা সভাপতি মফিজুল হকৰ লগতে সংগঠনটোৰ বহু সদস্য উপস্থিত থাকে। সভাত ছাত্ৰ-ছাত্ৰীৰ শিক্ষা সমস্যা, সমাজত শিক্ষাৰ প্ৰসাৰ, সেইসমূহ সমাধানৰ বাবে গ্ৰহণ কৰিবলগীয়া পদক্ষেপৰ ওপৰত বিস্তৃত আলোচনা কৰা হয়। লগতে আগন্তুক দিনত সংগঠনটোৰ বিভিন্ন সাংগঠনিক আৰু সামাজিক কাৰ্যসূচী অধিক সক্ৰিয়ভাৱে ৰূপায়ণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# গেলেকী স্বৰ্ণ শাখা সাহিত্য সভাৰ বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু সজাগতা শিবিৰ সম্পন্ন

**অসম বাৰ্তা, চেলেংহাট, ২৮ জুন ঃ** শিৱসাগৰ জিলাৰ গেলেকী স্বৰ্ণ শাখা সাহিত্য সভাৰ উদ্যোগত আৰু ডিমৌ ৰজাবাৰীস্থিত ছ্যু-কাফা ছুপাৰ মাল্টিস্পেচিয়েলিতী চিকিৎসালয়ৰ সহযোগত যোৱা ২৭ জুন শনিবাৰে এক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু সজাগতা শিবিৰ অনুষ্ঠিত হয়। জিলাখনৰ দোলাকাষৰীয়া গাঁও পঞ্চায়ত প্ৰাঙ্গনত স্বাস্থ্য পৰীক্ষাৰ পূৰ্বে অনুষ্ঠিত হোৱা উক্ত সজাগতা শিবিৰৰ আঁত ধৰি গেলেকী স্বৰ্ণ শাখা সাহিত্য সভাৰ সম্পাদক নীলিমা গগৈয়ে স্বাস্থ্য সজাগতা আৰু চিকিৎসা শিবিৰৰ প্ৰয়োজনীয়তাৰ সম্পৰ্কে বিস্তৃত বিবৰণ দাঙি উপস্থিত ৰাইজক কৃতজ্ঞতা জ্ঞাপন কৰে। তাৰ পাছতে ডিমৌ ৰজাবাৰীস্থিত ছ্যু-কাফা ছুপাৰ মাল্টিস্পেচিয়েলিতী চিকিৎসালয় মেডিচিন বিভাগৰ চিকিৎসক সনদেস পালভে আৰু চিকিৎসালয়খনৰ সমন্বয়ক ৰাজেন্দ্ৰ কৈৰীয়ে চিকিৎসা সেৱা আগবঢ়োৱাৰ পূৰ্বে ৰাইজক উদ্দেশ্যি স্বাস্থ্য সম্পৰ্কীয় বিভিন্ন তথ্য দাঙি ধৰাৰ লগতে বিভিন্ন গঠনমূলক পৰামৰ্শ আগবঢ়ায়।



তদুপৰি বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু সজাগতা শিবিৰত শিৱসাগৰ জিলা সাহিত্য সভাৰ সম্পাদক মনোজ কুমাৰ গগৈ, সহঃ সম্পাদক দেৱযানী শইকীয়া গগৈ, চিন্তা জ্যোতি উপ-সমিতিৰ উপ-সভাপতি হেমন্ত ৰাজখোৱা, গেলেকী স্বৰ্ণ শাখা সাহিত্য সভাৰ সভাপতি ৰবীন বৰঠাকুৰ, সহঃসম্পাদক জ্যোতি ফুকন, বিদ্যাজ্যোতি গগৈ, সদস্যা মণি দীপা শইকীয়া, বুলি গগৈ, সদস্য প্ৰাঞ্জল বৰুৱাকে প্ৰমুখ্য কৰি ভালেকেইজন সদস্য-সদস্যা উপস্থিত থাকি অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ লগতে স্বাস্থ্য সজাগতা আৰু চিকিৎসা শিবিৰৰ প্ৰয়োজনীয়তাৰ সম্পৰ্কে বিস্তৃত বিবৰণ দাঙি ধৰে। আনহাতে, সজাগতা শিবিৰৰ পাছতেই দোলাকাষৰীয়া গাঁও পঞ্চায়ত এলেকাৰ বাম গাঁও, জাপিসজীয়া, নৈ-চুক, কলগাঁও আদি অঞ্চলৰ লোকসকলকে ধৰি জেষ্ঠ্যজনৰ পৰা কনিষ্ঠ জনলৈ প্ৰায় শতাধিক লোকক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা কৰে। চিকিৎসক সকলৰ লগতে ছ্যু-কাফা ছুপাৰ মাল্টি স্পেচিয়েলিতী চিকিৎসালয়ৰ নাৰ্চ ডিম্পল চেতিয়া আৰু নিলাক্ষী তেলীয়ে সহযোগিতা আগবঢ়োৱা বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু সজাগতা শিবিৰৰ শেষত গেলেকী স্বৰ্ণ শাখা সাহিত্য সভাৰ সম্পাদক নীলিমা গগৈয়ে শলাগৰ শৰাই আগবঢ়াই।

# বিশিষ্ট চিকিৎসক ডাঃ চফিকুৰ ৰহমান বৰবৰাৰ মৃত্যু

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৮ জুন ঃ** বিশিষ্ট চিকিৎসক ডাঃ চফিকুৰ ৰহমান বৰবৰাৰ যোৱা ২২ জুনত গুৱাহাটী মেডিকেল কলেজ হাস্পতালত ৮০ বছৰ বয়সত বাৰ্ধক্যজনিত কাৰণত মৃত্যু মুখত পৰে। পিতৃৰ কৰ্মসূত্ৰে ডিগবৈত থকা কালত ৰহমানে ডিগবৈত জন্মগ্ৰহণ কৰে ১৯৪৬ চনৰ এক মাৰ্চত। ডিগবৈতে পঢ়া শুনা কৰাৰ পাচত কটন কলেজৰ পৰা বিজ্ঞানত প্ৰি-ইউনিভাৰ্চিটি পাছ কৰি লৈ ১৯৬৩ চনত ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত নামভৰ্ত্তি কৰে আৰু সেইমৰ্মে তেওঁ এম বি বি এছ পাছ কৰাৰ পিচত অৰুণাচল প্ৰদেশলৈ যায় আৰু তাত চৰকাৰী চিকিৎসালয়ত পাঁচ বছৰ চাকৰি কৰাৰ পিছত ১৯৮১ চনত সেই চাকৰি এৰি থৈ আহি অসমৰ বিভিন্ন জিলাৰ চাহ বাগিচাত মেডিকেল বিষয়া হিচাপে ২০২২ চনলৈ সেৱা আগবঢ়ায়। ডাঃ চফিকুৰ ৰহমান বৰবৰাৰ পিতৃ প্ৰয়াত আতাউৰ ৰহমান বৰবৰা আছিল অসম অইল কোম্পানী ডিগবৈৰ এগৰাকী অভিযন্তা আৰু তেখেতে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিছত ডিব্ৰুগড়লৈ আহে আৰু ডিব্ৰুগড়ৰ মিলন নগৰতে স্থায়ী ভাৱে থাকিবলৈ লয়। তেখেতৰ পত্নী চৈফুন্নাহাৰ বেগমৰ মৃত্যু হয় ২০২২ চনত। চফিকুৰ ৰহমানে মৃত্যুৰ সময়ত পত্নী আশ্ৰফা ৰহমান, দুই পুত্ৰ জাহিদ হাচান বৰবৰা আৰু জুহেব হাচান বৰবৰা (দুয়ো বৰ্তমান আমেৰিকাত উচ্চ পদস্থ বিষয়া হিচাপে কৰ্মৰত অৰ্থাৎ বৰপুত্ৰ জাহিদ হাচান আমেৰিকাৰ ডালাছ, টেক্সাছৰ চিনিয়ৰ ফাইনান্সিয়েল কাৰ্য্যবাহী আৰু সৰু পুত্ৰ জুহেব হাচান বিখ্যাত মিনেচটা বিশ্ববিদ্যালয়ৰ পৰা এম এচ চি ইঞ্জিনিয়াৰিং আৰু কম্পিউটাৰ বিজ্ঞানত পি এইচ ডিগ্ৰী কৰি বৰ্তমানে এগৰাকী আৰটিফিচিয়াল ইণ্টেলিজেণ্টৰ বিখ্যাত বিজ্ঞানী হিচাপে কৰ্মৰত)। লগতে চাৰিজন ভাতৃ ইছফাকুৰ ৰহমান বৰবৰা, ডাঃ তৌফিকুৰ ৰহমান বৰবৰা, ৰফিকুৰ ৰহমান বৰবৰা, ৰাচিকুৰ ৰহমান বৰবৰা, এগৰাকী ভগ্নী তৈয়েবা খুৰশ্বিদা ৰহমান, দুজন নাতি, এজনী নাতিনীৰ লগতে পৰিয়ালৰ অনেক আত্মীয়ক ইহসংসাৰত এৰি থৈ যায়। তেওঁৰ জানাজা গুৱাহাটী ইছলামপুৰ কবৰস্থানৰ অনেক গুণমুগ্ধৰ উপস্থিতিত সম্পন্ন কৰা হয়।

যক্ষ্মা ৰোগীক সহায় কৰিবলৈ আগুৱাই আহিছে মানৱদৰদী

# ওদালগুৰিৰ হাতীগড় চাহ বাগিচাৰ ৩ যক্ষ্মা চেম্পিয়নক সম্বৰ্ধনা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৮ জুন ঃ** "যক্ষ্মা ৰোগী সকল অস্পৃশ্য নহয়, নহয় তেওঁলোক সমাজৰ বোজা। খালী চকুৰে নেদেখা আৰু বতাহত উৰি ফুৰা 'মাইক্ৰবেক্টেৰিয়াম টিউবাৰ কুলচিছ' নামৰ বিজাণু বিধ অজানিতে দেহৰ ভিতৰত প্ৰবেশ কৰাৰ ফলশ্ৰুতিত যক্ষ্মা ৰোগত আক্ৰান্ত হয়। এই ৰোগী সকলক আমি অলপ গুৰুত্ব দি বিনামূলীয়া ঔষধ নিয়মীয়াকৈ সেৱন কৰিবলৈ উৎসাহ দিলেই তেওঁলোক সম্পূৰ্ণ আৰোগ্য লাভ কৰাটো খাটাং।" - এই ভাষ্য ওদালগুৰি জিলাৰ হাতীগড় চাহ বাগিচা হাস্পতালৰ চিকিৎসা বিষয়া ডাঃ ধ্ৰুৱজ্যোতি শৰ্মাৰ। কালি সন্ধিয়া বাগিচাখনৰ হাস্পতালত তিনিজন যক্ষ্মা চেম্পিয়নক সম্বৰ্ধনা জ্ঞাপন কৰি তেওঁ এইদৰে কয়। বাগিচাখনৰ তিনিজন যক্ষ্মা ৰোগী ক্ৰমে- কুন্তি পাৰিগা, জীৱন্ত কুজুৰ আৰু পূৰ্ণ চিলিয়ে কোনো খেলিমেলি নকৰাকৈ ৬ মাহ ডটচ পদ্ধতিত ঔষধ সেৱন কৰি সম্পূৰ্ণ আৰোগ্য লাভ কৰাৰ বাবে স্বাস্থ্য সহায়ক ৰঞ্জিত তাঁতীৰ নেতৃত্বত এই ব্যতিক্ৰমী সম্বৰ্ধনা অনুষ্ঠান হয়। কল্যাণ বিষয়া বিকাশ লাক্ৰা, লেবৰেটৰী টেকনিচিয়ান পূজা মল্লিকসহ কেইবাজনো ব্যক্তি এই অনুষ্ঠানত উপস্থিত থাকে। ইফালে ওদালগুৰিত যক্ষ্মা ৰোগৰ চিকিৎসা কেনেদৰে চলি আছে তাক পৰ্যবেক্ষণ কৰিবলৈ কালি ৰাজ্যিক যক্ষ্মা বিষয়া ডাঃ পি কে দাস, ওদালগুৰি জিলাৰ তদানীন্তন যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ অভিজিৎ বসু, বিশ্ব স্বাস্থ্য সংস্থাৰ কনচালটেণ্ট ডাঃ শুৱব্ৰত দাস, মাইক্ৰবাইলজিষ্ট ডাঃ বন্দনা গোস্বামী জিলাখনলৈ আহি মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ প্ৰবীণা দেৱী, জিলা যক্ষ্মা বিষয়া ডাঃ অৰিন্দম বৰা, জিলা আঁচনি প্ৰবন্ধক নমেল সিং বৰগয়াৰী, বিভিন্ন চাহ বাগিচাৰ চিকিৎসক আৰু স্বাস্থ্যকৰ্মীৰ লগত আলোচনাত মিলিত হয়। এই আলোচনাত জিলাখনত যক্ষ্মা নিৰ্মূলকৰণ আঁচনিৰ কাম ক্ষিপ্ৰ গতিত কৰাৰ বাবে পৰামৰ্শ আগবঢ়ায়। ইফালে জিলাখনৰ যক্ষ্মা ৰোগী সকলক মাহে ৫০০ টকাকৈ ৬ মাহলৈ খাদ্য সম্ভাৰ দিবলৈ আগুৱাই আহিছে বহু মানৱদৰদী ব্যক্তি। এমচিএলএ দাওবৈচা বড়োৱে যক্ষ্মা ৰোগী মঞ্জু ৰবিদাস, সুনীল মুণ্ডা, দিয়া সৰকাৰ, ভবেন বড়ো আৰু পবিত্ৰ ভূমিজক, এপিডিচিএলৰ ওদালগুৰিৰ অভিযন্তা হিমাংশু দেউৰীয়ে প্ৰদীপ বড়ো, গহীন বড়োক আৰু ওদালগুৰি জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক ভবেন দেউৰীয়ে জিতু তাঁতী আৰু পূৰ্ণকান্ত বসুমতাৰীক খাদ্য সামগ্ৰী প্ৰদান কৰে। এনেদৰে সমাজৰ বিভিন্ন পৰ্যায়ৰ লোক যক্ষ্মা ৰোগী সকলক মৰমৰ দৃষ্টিৰে চোৱাটো এক ইতিবাচক পদক্ষেপ বুলি বিবেচিত হৈছে।

# নামনি মাজুলী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত অভিভাৱক সভা সম্পন্ন

বিদ্যালয়ৰ শৈক্ষিক দিশ উত্তৰণৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ

**অসম বাৰ্তা, উজনী মাজুলী, ২৮ জুন ঃ** বৃহত্তৰ নামনি মাজুলীৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান নামনি মাজুলী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অভিভাৱক সভাখন আজি সফলতাৰে অনুষ্ঠিত হয়। বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা উক্ত অভিভাৱক সভাত সভাপতিত্ব কৰে নৱনিযুক্ত শৈক্ষিক তত্ত্বাবধায়ক প্ৰশান্ত শইকীয়াই। অনুষ্ঠানত আদৰণি ভাষণ দি সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে উপাধ্যক্ষ দিগন্ত শইকীয়াই। প্ৰায় শতাধিক অভিভাৱক-অভিভাৱিকাৰ উপস্থিতিত অনুষ্ঠিত হোৱা উক্ত সভাত শৈক্ষিক তত্ত্বাবধায়ক প্ৰশান্ত শইকীয়াই বিদ্যালয়খনৰ শৈক্ষিক আৰু প্ৰশাসনিক সকলো দিশ সামৰি দীৰ্ঘ সময় আলোকপাত কৰে। সভাত অভিভাৱকসকলে বিগত কেইবছৰৰ বিদ্যালয় খনৰ উন্নত মানৰ ফলাফলৰ বাবে শিক্ষক সকলৰ ত্যাগ আৰু কষ্টৰ শলাগ লয়। সভাত অভিভাৱক সকলৰ তৰফৰ পৰা বিমান পেগু, ৰাজেন দত্ত, হৰিপ্ৰসাদ মিশ্ৰ, ভীম দাস, প্ৰশান্ত শইকীয়া কিৰণ দলে, ৰঞ্জিতা পেগু আদিয়ে বিভিন্ন পৰামৰ্শ প্ৰদান কৰি ভাষণ প্ৰদান কৰে। অভিভাৱকসকলৰ বক্তব্যত ছাত্ৰ-ছাত্ৰী সকলৰ শৈক্ষিক উন্নতিৰ দিশত চকু দিবৰ বাবেও পৰামৰ্শ আগবঢ়ায়। ইংৰাজী বিভাগৰ বিষয় শিক্ষক জয়ন্ত দত্তই অভিভাৱকক উদ্দেশ্যে কৰি বহু কেইটা পৰামৰ্শ আগবঢ়ায়। বিদ্যালয়ৰ শিক্ষা বিভাগৰ বিষয় শিক্ষক অজিত ভূঞাই আঁত ধৰা অনুষ্ঠানটোত বিদ্যালয়খনৰ জ্যেষ্ঠ বিষয় শিক্ষক ভৰত চন্দ্ৰ গোস্বামী, নীলকান্ত দলে, নিৰণ ভৰালী, প্ৰিয়ংকা বৰা, জ্যোতি ফুকন, বিদ্যুৎ বিকাশ মহন, পিংকী শৰ্মা, কৰ্মচাৰী অজিত বৰুৱা আৰু ববিতা লাগাছু উপস্থিত থাকি বহুমূলীয়া ভাষণ প্ৰদান কৰে। সভাত, অনাগত দিনত বিদ্যালয়ৰ শৈক্ষিক দিশ উত্তৰণৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত, বিদ্যালয়খনত অতি সঘনাই অভিভাৱক সভা আয়োজন কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰা হয়। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় উপাধ্যক্ষ দিগন্ত শইকীয়াই।

## বীৰ লাচিত সেনাৰো তীব্ৰ প্ৰতিক্ৰিয়া

# চোৰৰ পৰা সামগ্ৰী ক্ৰয় কৰা বাসু সেনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবীত অসমীয়া যুৱ মঞ্চৰ এজাহাৰ

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ২৮ জুন ঃ** লখিমপুৰ জিলাৰ চাউলধোৱা আৰক্ষীয়ে ২৫ জুনত গ্ৰেপ্তাৰ কৰিছিল চাউলধোৱা, গোগামুখ আদিত চুৰি কাৰ্যৰ দ্বাৰা সন্ত্ৰাসৰ সৃষ্টি কৰা তিনি গভাইত চোৰক। তিনি গভাইত চোৰ ক্ৰমে, ঢকুৱাখনাৰ ৰহাৰ পবিত্ৰ শইকীয়াৰ পুত্ৰ মইনা শইকীয়া, মিংমাং বৰলাৰ ৰাতুল শইকীয়াৰ পুত্ৰ সঞ্জীৱ শইকীয়া আৰু থেকেৰাগুৰিন-আলিৰ বাবুলাল দেউৰীৰ পুত্ৰ মহিম দেউৰীয়ে চুৰি কৰি অনা বৃহৎ পৰিমাণৰ কাঁহৰ সামগ্ৰী ২৬০০ টকাত বিক্ৰী কৰিছিল চাউলধোৱাৰ বাসু সেন নামৰ বিতৰ্কিত কাৰাৰীৱালাক। চোৰৰ স্বীকাৰোক্তি অনুসৰি বাসু সেনৰ গৃহৰ পৰা আৰক্ষীয়ে কাঁহৰ বাচন-বৰ্তনসমূহ জব্দ কৰে যদিও আৰক্ষীয়ে বাসু সেনক গ্ৰেপ্তাৰ নকৰাত অসমীয়া যুৱ মঞ্চৰ চাউলধোৱা আঞ্চলিক সমিতি আৰু বীৰ লাচিত সেনা অসমৰ চাউলধোৱা আঞ্চলিকে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। উল্লেখ্য যে, বাসু সেন নামৰ অসৎ কাৰাৰীৱালাগৰাকীয়ে বহু বছৰৰ পৰা বিভিন্ন চোৰৰ পৰা চুৰি কৰা সামগ্ৰী ক্ৰয় কৰি চোৰক চুৰিকাণ্ড সংঘটিত কৰিবলৈ উৎসাহ দিয়াৰ অভিযোগ উত্থাপিত হৈ আহিছে। তেনেস্থলত চাউলধোৱা আৰক্ষীয়ে যদি বাসু সেনৰ বিৰুদ্ধে তদন্ত কৰে তেন্তে বহু সত্য পোহৰলৈ অহাতো নিশ্চিত। আজি বাসু সেনক গ্ৰেপ্তাৰ কৰি তদন্ত কৰাৰ দাবীত অসমীয়া যুৱ মঞ্চৰ চাউলধোৱা আঞ্চলিক সমিতিয়ে চাউলধোৱা আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে। অসমীয়া যুৱ মঞ্চৰ চাউলধোৱা আঞ্চলিকৰ সভাপতি নীলমণি দাস, বীৰ লাচিত সেনা অসমৰ চাউলধোৱা আঞ্চলিক সমিতিৰ মুখ্য সচিব মনজ্যোতি শইকীয়া আৰু যুতীয়া সচিব বিকাশ গগৈয়ে বিতৰ্কিত ব্যৱসায়ীগৰাকীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

# গোলকগঞ্জৰ গাইখোৱাত প্ৰধানমন্ত্ৰীৰ 'মন কি বাত' অনুষ্ঠানত কেবিনেট মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰ

**অসম বাৰ্তা, গৌৰীপুৰ, ২৮ জুন ঃ** আজি গোলকগঞ্জ বিধান সভা সমষ্টিৰ পূৱ গাইখোৱা হৰি মন্দিৰ প্ৰাংগণত ভাৰতীয় জনতা পাৰ্টিৰ গৌৰীপুৰ মণ্ডল কমিটিৰ অন্তৰ্গত ১৪০ নং বুথত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ "মন কি বাত" অনুষ্ঠানত উপস্থিত থাকে কেবিনেট মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰ। মন্ত্ৰী গৰাকীৰ লগতে উপস্থিত থাকে বিজেপিৰ ধুবুৰী জিলাৰ জিলা সভাপতি, ৰঞ্জিত ৰায়, গৌৰীপুৰ মণ্ডল সভাপতি দেৱাশিস দে, আৰু ১৪০ নং বুথৰ সভাপতিৰ লগতে বিজেপিৰ বিভিন্ন কাৰ্যকৰ্তা সকল তাৰ উপৰিও উপস্থিত থাকে স্থানীয় ৰাইজৰ লগতে দল সংগঠন সমূহ। আজিৰ এই অনুষ্ঠানত মাননিয় প্ৰধানমন্ত্ৰীৰ "মন কি বাত"ৰ বহুমূলীয়া মন্তব্য শ্ৰৱণৰ বাবে উপস্থিত থাকে। তাৰ লগতে "মন কি বাত" অনুষ্ঠান শ্ৰৱণ কৰি, সভাৰ শেষত ফালে স্থানীয় আই মাতৃক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰি, মন্ত্ৰী গৰাকীয় নিজৰ মত প্ৰকাশ কৰি বহু কথাই কয়। তাৰ পিছত গাইখোৱা অঞ্চলৰ গাতে লাগি থকা গংগাধৰ নৈৰ ভয়াবহ গৰাখহনীয়াৰ বুজ লয়। লগতে গংগাধৰ নৈ পাৰত গৰাখহনীয়া হোৱা ঠায়ত মজদুৰ সকলে কাম কৰা স্থানত গৈ কামৰ বুজ লোৱাৰ লগতে গৰাখহনীয়াত ভুগি থকা ৰাইজৰ লগত মত বিনিময় কৰে। তাৰ পিছত পুনৰ হৰি মন্দিৰ প্ৰাংগণত উপস্থিত হৈ অনুষ্ঠানত উপস্থিত থকা জেষ্ঠ ব্যক্তি সকলোৰ লগত বিভিন্ন আলাপ আলোচনা কৰি উক্ত স্থানৰ পৰা বিদায় লয়।

# অসম মেডিকেল কলেজৰ চাৰ্জাৰী বিভাগৰ মাজুলীত বিনামূলীয়া চিকিৎসা শিবিৰ সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ২৮ জুন ঃ** আজি অসম মেডিকেল কলেজ আৰু হস্পিতালৰ উদ্যোগত ICMR- National institution of Helth Reserchers Dibrugarh আৰু Science for Social Welfare Assam ৰ সহযোগত উজনি মাজুলীৰ নভঙা প্ৰাথমিক বিদ্যালয়ত এক বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। সমীপৰতী প্ৰায় ১২খন গাঁৱৰ ৰোগাক্ৰান্ত ৰোগীয়ে এই চিকিৎসা শিবিৰত উপস্থিত হৈ চিকিৎসা সেৱা লাভ কৰে। চিকিৎসা শিবিৰটোৰ শুভ উদ্বোধন কৰে স্থানীয় অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক তিলক পায়েঙে। আজিৰ এই চিকিৎসা শিবিৰত অসম মেডিকেল কলেজৰ জ্যেষ্ঠ প্ৰফেচাৰ ডাঃ জিছান আহমেদ, সহকাৰী প্ৰফেছাৰ ডাঃ ডেভিদ পেগু সহ বহুকেইজন চিকিৎসক উপস্থিত হৈ ৰোগী সকলক চিকিৎসা প্ৰদান কৰে। চকু চিকিৎসা আগবঢ়াই ডাঃ প্ৰণৱ নাথে। এই বিনামূলীয়া চিকিৎসা শিবিৰত ৰোগীসকলৰ তেজ পৰীক্ষা আৰু বহু জনক কৰ্কট ৰোগৰো পৰীক্ষা কৰা হয়। মাজুলীৰ পুতৌলগা চিকিৎসা ব্যৱস্থাত আজিৰ এই বিনামূলীয়া চিকিৎসা শিবিৰৰ পৰা ৰাইজ উপকৃত হৈছে বুলি বহু জনে মত প্ৰকাশ কৰে। ভৱিষ্যত এনেকুৱা চিকিৎসা ব্যৱস্থা সময়ে-সময়ে ল'বৰ বাবে আঞ্চলিক ৰাইজে চিকিৎসক দলটিক অনুৰোধ জনাই। আজি এই বিনামূলীয়া চিকিৎসা শিবিৰটো নিখুঁতভাৱে হৰেন ভূঞাই স্থানীয় বন্ধুবৰ্গৰ সৈতে লগ লাগি সুন্দৰ ভাৱে পৰিচালনা কৰে। কাৰ্যসূচীৰ আঁত ধৰি আগুৱাই নিয়ে SSWৰ জিলা সমন্বয়ক জয়ন্ত মাধৱ কলিতাই।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন